## দ্বিতীয় অধ্যায়

# লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ শ্ৰেণীবিভাগ বিষয়বস্তু আৰু বৈশিষ্ট্য

'আলোচনী' নামৰ এখন আলোচনী ১৯১০ চনৰ পৰা ১৯১৭ চনলৈকে ডিব্ৰুগড়ৰৰ পৰা প্ৰকাশ পাইছিল। এইখনৰ যুটীয়া সম্পাদক আছিল নীলমনি ফুকন আৰু প্ৰসন্ন কুমাৰ বৰুৱা। এই 'আলোচনী' (১৯১০)খনতে লক্ষ্মীনাথ ফুকনে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰে। অৱশ্যে, সমসাময়িক 'বাঁহী' (১৯০৯) আদি আলোচনীতো তেওঁৰ গল্প প্ৰকাশ পায় আৰু এই সকলোবোৰকে সামৰি প্ৰথম গল্পপুথি 'মালা' (১৯১৮) ৰ প্ৰকাশ সম্ভৱ হৈ পৰে। গল্পকাৰ হিচাপে 'ৰামধেনু' (১৯৫০)ৰ পৰৱৰ্তী ১৯৬৭ চনলৈকে গল্প ৰচনাৰ কাম তেওঁ অব্যাহত ৰাখে। তথাপি, বুৰঞ্জীকাৰ আৰু সাহিত্য সমালোচকসকলে লক্ষ্মীনাথ ফুকনক 'আৱাহন যুগ' (১৯২৯)ৰ গল্পকাৰ বুলিছে। তেওঁৰ দ্বাৰা ৰচিত বুলি মুঠ চল্লিশটা গল্প পোৱা গৈছে। অৱশ্যে, 'ৰামধেনু'ৰ ত্ৰয়োদশ বছৰ ১৮৮২ শকৰ নৱম সংখ্যাত 'মাটিৰ দাম' নামৰ গল্প এটা প্ৰকাশ পোৱা দেখা যায়। এই গল্পটোকে আকৌ নাম সলাই গল্পকাৰে 'মৰমৰ মাধুৰী' নামেৰে 'মৰমৰ মাধুৰী' গল্প সংকলনখনত সন্নিৱিষ্ট কৰিছে। গল্পকাৰ লক্ষ্মীনাথ ফুকনে সমসাময়িক সমাজৰ ভিন্ন ক্ষেত্ৰৰ পৰা গল্পৰ বিষয়বস্তু গ্ৰহণ কৰিছে। বৃত্তিগত কাৰণত নানা ঠাই ভ্ৰমণ কৰিবলগা হোৱা বাবে গল্পকাৰে সমাজৰ ভিন্ন দিশলৈ নিজৰ দৃষ্টি প্ৰসাৰিত কৰিবৰ সুবিধা পাইছিল আৰু তাৰ ফলস্বৰূপে সমাজ, সংস্কৃতি তথা মানুহৰ চৰিত্ৰগত আসোঁৱাহসমূহক উপস্থাপন কৰি গল্পৰ বিষয়বস্তু নিৰ্মাণ কৰিব পাৰিছিল।

### ২.১ লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ শ্ৰেণীবিভাগ

ৰচনাশৈলীৰ প্ৰতি লক্ষ্য ৰাখি চুটিগল্পক সাধাৰণতে তিনিটা ভাগত ভগাব পাৰি। যেনে - কাহিনীপ্ৰধান, চৰিত্ৰপ্ৰধান আৰু পৰিবেশপ্ৰধান। বিষয়বস্তু অনুসৰি চুটিগল্পক আকৌ কেইটামান নতুন ভাগত ভগাব পাৰি। সেইবোৰ হ'ল - দাৰ্শনিক গল্প, সামাজিক গল্প, প্ৰেমমূলক গল্প, ৰাজনৈতিক গল্প, অলৌকিক গল্প, অপৰাধমূলক গল্প, বিজ্ঞান ভিত্তিক গল্প, মনস্তাত্বিক গল্প, হাস্য-ব্যঙ্গাত্মক গল্প আদি।

অৱশ্যে এনে বিভাজনৰ সীমাৰেখা সকলো সময়ৰ বাবে সুদৃঢ় নহবও পাৰে। কিয়নো কাহিনী প্ৰধান গল্পকো চৰিত্ৰ বা পৰিবেশ প্ৰধান হিচাপে দেখুওৱাৰ সুচল আছে। এই সকলো কথা আগত ৰাখি লক্ষ্মীনাথ ফুকনৰ বিষয় বক্তব্যলৈ লক্ষ্য কৰিলে তেওঁৰ গল্পসমূহক মূলতঃ দুটা ভাগত ভগাব পৰা যায়। সেই কেইটা হ'ল — কাহিনীপ্ৰধান আৰু চৰিত্ৰপ্ৰধান। বিষয়বস্তুৰ প্ৰকৃতি আৰু গুৰুত্বলৈ লক্ষ্য কৰি তেওঁৰ গল্পসমূহক আৰু দুটা ভাগত বিভাজিত কৰিব পৰা যায়। যেনে— হাস্য-ব্যঙ্গাত্মক আৰু প্ৰেমমূলক। মুঠতে তেওঁৰ গল্পসমূহক সামগ্ৰিকভাৱে চাৰিটা ভাগত বিভাজিত কৰিব পাৰি। সেয়া হ'ল ক্ৰমে— কাহিনী প্ৰধান, চৰিত্ৰ প্ৰধান, হাস্য-ব্যঙ্গাত্মক আৰু প্ৰেমমূলক।

**কাহিনীপ্ৰধান ঃ** কাহিনীক স্পষ্ট কৰি তুলিবলৈ গল্পবস্তুৰ বুকুত চৰিত্ৰ সুমুৱাই দি আৰু কাহিনীৰ শেষলৈকে গল্পৰ উৎসুক্য বজাই ৰাখি লিখা গল্পই কাহিনী প্ৰধান চুটিগল্প। সমসাময়িক ৰাজনীতি, অৰ্থনীতি, নাৰী স্বাধীনতা, সামাজিক নিষ্পেষণ, সমাজ জীৱনত যুগৰ প্ৰভাৱ, দাৰিদ্ৰতা, দ্বিতীয় বিশ্বযুদ্ধ আৰু আনকি দেশৰ স'তে দেশৰ যুদ্ধ আদিৰ প্ৰসঙ্গেৰে এই শ্ৰেণী গল্পৰ বিষয়বস্তু নিৰ্মিত।

**চৰিত্ৰপ্ৰধান ঃ** গল্পবস্তুক ৰূপদান কৰিবৰ বাবে যেতিয়া চৰিত্ৰ বাচি লোৱা হয় আৰু সেই চৰিত্ৰক বিকশিত কৰিবলৈ কাহিনীৰ সৃষ্টি কৰা হয়; সেই গল্পক চৰিত্ৰ প্ৰধান চুটিগল্প বোলা হয়। লক্ষ্মীনাথ ফুকনৰ প্ৰায় সকলোবোৰ গল্পই চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশক। সমাজৰ ভিন্ন লোকৰ চৰিত্ৰ তেওঁ যিদৰে সজীৱ ৰূপত ফুটাই তুলিব পাৰিছে, সেইদৰে নিম্ন মধ্যবিত্ত মানুহৰ চৰিত্ৰও অংকন কৰিব পাৰিছে। একে সময়তে গাঁৱলীয়া খেতিয়কৰ জীৱন চৰিত্ৰকো তেওঁ ফুটাই তুলিব পাৰিছে।

**হাস্য-ব্যঙ্গাত্মক ঃ** ব্যক্তি জীৱনৰ দোষ-দুৰ্বলতাবোৰ হাস্য-ব্যঙ্গৰ মাজেৰে ৰূপায়ন কৰা গল্পই হাস্য-ব্যঙ্গাত্মক গল্প। ইয়াত ব্যক্তিৰ উপৰিও সমাজৰ প্ৰচলিত ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ আৰু অন্তঃসাৰশূন্যতা চিত্ৰিত হয়। সাধাৰণতে প্ৰচুৰ ৰাজনৈতিক আৰু জাতীয়তাবাদী চিন্তাদৰ্শনৰ পৰাহে হাস্য-ব্যঙ্গ কথ্যৰীতি গঢ় লয়। লক্ষ্মীনাথ ফুকনৰ ওপৰত এই ৰীতিৰ প্ৰভাৱ প্ৰচুৰ। তদুপৰি লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গধাৰাৰ প্ৰভাৱেও ফুকনৰ চুটিগল্পক ব্যঙ্গাত্মক সাজ পৰিধান কৰাইছে।

**প্ৰেমমূলক ঃ** প্ৰেমে ব্যক্তি জীৱনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশেষকৈ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি নানান সংঘাত অতিক্ৰম কৰি হ'লেও প্ৰেম নিজ গতিৰে প্ৰৱাহমান হৈ ৰয়। সকলোৰে বুকু ভৰি অনৱৰতে প্ৰেমৰ নদী উখল-মাখল হৈ থাকে। এই প্ৰেম প্ৰণয়ৰ

ভাৱানুভূতি তথা দেহজ কামনা-বাসনা আৰু যৌনতা আদি বিবিধ বিষয়ক মূল হিচাপে লৈ লিখা গল্পবস্তুৰেই প্ৰেমমূলক গল্প। লক্ষ্মীনাথ ফুকনৰ ভালেকেইটা চুটিগল্পত প্ৰেমিক-প্ৰেমিকাৰ মিলন আৰু মিলন ভঙ্গৰ চিত্ৰ প্ৰকাশি উঠিছে। তাতে আকৌ *"আৱাহন যুগৰ লক্ষ্মীনাথ ফুকন এগৰাকী কৃতি উত্তৰ ৰোমাণ্টিক কবি।"*[১] গতিকে তেওঁৰ গল্পত প্ৰেম এক স্বাভাৱিক ঘটনা হিচাপে পৰিগণিত হৈছে।

**লক্ষ্মীনাথ ফুকনৰ কাহিনীপ্ৰধান গল্পসমূহ -**

বিহুৰ সম্ভাষণ, ভূতৰ উপদ্ৰৱ, কবিৰ কাহিনী, মাধৱীলতা, আনন্দে নধৰে হিয়া, লখিমী, অসম নাট্যম, পৰ্দ্দা ৰহস্য, বিহুৰ পিঠা, শেষ সিদ্ধান্ত, অশোকাষ্টমীৰ স্নান, মুচী, মৰমৰ মাধুৰী, পূজাৰ কাপোৰ, শেষ আশ্ৰয় আৰু সেই দিন আৰু নাই।

**লক্ষ্মীনাথ ফুকনৰ হাস্য-ব্যঙ্গাত্মক গল্পসমূহ -**

ওফাইদাং, প্ৰাইভেট চেক্ৰেটাৰী, নতুন সুৰ, মহিমাময়ী, টাইপিষ্টৰ জীৱন, বিহু সন্মিলন, সঙ্গীত সন্মিলন, প্ৰতিদান, বুঢ়াৰ বিয়া আদি।

**লক্ষ্মীনাথ ফুকনৰ প্ৰেমমূলক গল্পসমূহ -**

বাঁহীৰ সুৰ, আপোন মানুহ, সন্নাসীৰ জয়, এই ছোৱালীবোৰ, আশাত উৎফুল্ল প্ৰাণ।

**লক্ষ্মীনাথ ফুকনৰ চৰিত্ৰপ্ৰধান গল্পসমূহ -**

ডাক্তৰ, নতুন জীৱন, মেধি, ঋণ পৰিশোধ, দ্বিতীয় পক্ষ, ভানুৰ জীয়েক ৰাণু, ৰূপহী মেম, পেন্সনধাৰী।

উল্লেখ্য যে, ওপৰোক্ত বিভাজন গল্পৰ প্ৰকৃতি অনুযায়ী নিৰ্ণয় কৰা হৈছে।

## ২.১.১ কাহিনীপ্ৰধান চুটিগল্প

বিহুৰ সম্ভাষণ -

লক্ষ্মীনাথ ফুকনৰ এটা উল্লেখযোগ্য চুটিগল্প হ'ল 'বিহুৰ সম্ভাষণ'। বকটাজান চাহ বাগিচাৰ পটভূমিত কাহিনী ভাগৰ আৰম্ভণি হৈছে। বকটাজান চাহ বাগিচাৰ বৰমহৰিৰ পুত্ৰ গঙ্গানাথ। বুকুত বহু আশা বান্ধি গঙ্গানাথক বাপেকে স্কুলত নাম লিখি দিয়ে। বাপেকৰ সকলো আশা মষিমূৰ কৰি

---

১। উপেন্দ্ৰ নাথ শৰ্মা, 'আৱাহনৰ অৱদান', অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, সম্পা., চন্দ্ৰ প্ৰসাদ শইকীয়া, পৃ. ৩৫১

গঙ্গানাথ বাগানৰ মহৰি হয়। বাগানৰ কামত ফাঁকি দি গঙ্গানাথে মাজে মাজে নোহোৱা হয়। মাক-বাপেকে কথাটো লক্ষ্য কৰি *"কেঁচুৱাৰ দৰে সুঠাম শৰীৰ"*[২] ৰ তৰুণীৰ লগত বিয়া পাতি দিয়ে। তৰুণীৰ চকুত ভাষা, হাঁহিত ভাৱ আৰু খোজত কবিতা নাথাকিলেও, সংসাৰ চলাব পৰাকৈ তেওঁ হেনো সুন্দৰী। এই সুন্দৰীকে এৰি দি গঙ্গানাথে কোনোবা মোহিনীৰ প্ৰেমত মজগুল হয়। অথচ মোহিনীয়ে গঙ্গানাথক ককাইদেউ বুলিহে ভাবি থাকে। মোহিনীৰ প্ৰেমত মজি গঙ্গানাথে তৰুণীৰ পৰা আঁতৰি আহিব ধৰে।

মাঘ বিহু বুলি অন্ততঃ গঙ্গানাথ ঘৰত থাকক - এই আশা তৰুণীৰ। কিন্তু সকলো আশাত চেঁচাপানী ঢালি গঙ্গানাথে তৰুণীৰ সংগ ত্যাগ কৰে আৰু কেইবা মাহ ধৰি সি ঘৰলৈ ঘূৰি নাহে। মনৰ কথা খুলি কৈ বিয়াৰ প্ৰস্তাৱ দিব খোজাৰ লগে লগে মোহিনীয়ে *"সাৱধান! আজিৰ পৰা এনে কথা নুশুনো যেন। শুনিলে হ'লে ভাল নহ'ব আৰু।"*[৩] বুলি গঙ্গানাথক আঁতৰাই পঠায়।

তৰুণী বিচনাত উজাগৰে আছে। এনেতে দোভাগ ৰাতি কঁপাই বাহিৰত কোনোবাই তাইক 'তৰুণী' বুলি মতা শুনিলে। সেই চিনাকি মাতৰ সম্বোধন শুনি তৰুণীয়ে ৰ'ব নোৱাৰা হ'ল। আৱেগৰ পাৰ ভাঙি উভয়ৰে মাজত বহু কন্দা- কটা চলিল। তাৰ পিছত দয়া-ক্ষমা হ'ল আৰু ৰাতিৰ অৱসান ঘটি এটা সুখৰ দিনৰ যেন উদয় হ'ল। এয়াই গল্পটোৰ কাহিনীবস্তু।

প্ৰথম পৰ্যায়ৰ লিখনি হোৱা বাবে কথন্‌ভঙ্গীৰ নিপুনতা কম। বাক্য গাঁঠনি সৰল আৰু পোনপতীয়া। গঙ্গানাথৰ চাৰিত্ৰিক স্খলনেৰে গল্পৰ আৰম্ভণি হ'লেও সামৰণি শান্তিপূৰ্ণ আৰু সম্ভাৱনাময়। অৱশ্যে, গল্পবস্তুৰ মৰ্যাদা চুটিগল্পৰ পৰা সাধুকথাৰ পৰ্যায়লৈ নামি আহিছে।

**ভূতৰ উপদ্ৰৱ ঃ**

এখন গাঁৱৰ পটভূমিত গল্পবস্তু চিত্ৰিত হৈছে। দুষ্ট লোকৰ দ্বাৰা সৃষ্ট আতংকৰ বৰ্ণনাৰে গল্পৰ আৰম্ভণি কৰা হৈছে। গল্পবস্তু মতে, সন্ধ্যা লাগি ভগাৰ পিছত বাটে-পথে মানুহ নোহোৱা হৈছে। এনে সুযোগ লৈ ভূতে সকলোৰে ঘৰ লুটিবলৈ লাগি গৈছে। এই খবৰ পায় গাঁৱৰ ভিতৰত শিক্ষিত হিচাপে জনাজাত মৌজাদাৰৰ পুত্ৰ ধৰণীয়ে ভূতৰ কথা মিছা প্ৰমাণিত কৰিবলৈ ভূত থকা

২। লক্ষ্মীনাথ ফুকন, 'বিহুৰ সম্ভাষণ', মালা, পৃ. ২
৩। উল্লিখিত গল্প, পৃ. ৮

আম গছজোপাৰ তললৈকে গ'ল। এনেতে ভূতে আম গছজোপা জোকাৰি দিয়াত ধৰণীয়ে ওলোটাই দৌৰি যি ঘৰত সোমাল, বাহিৰ ওলাবলৈ ভয় কৰিলে।

ভূতৰ উপদ্ৰপৰ কথা ৰজাঘৰ আৰু প্ৰজাঘৰ সকলোৰে মাজত জনাজাত হৈ পৰিল। কথা বিষম দেখি শান্তিৰক্ষক হিচাপে চিপাহী নিয়োগ কৰা হ'ল; কিন্তু ভূতৰ দ্বাৰা আক্ৰান্ত হৈ চিপাহী হ'ল মূছাপ্ৰায়। কথাটো গম পায় দাৰোগা বাবুয়ে ভূত ধৰিবলৈ নিজেই ওলাল। বৰষুণত পিছল বাটকো নেওচি দাৰোগা বাবু ভূতৰ সন্ধানত আগবাঢ়িল। খুপি-খুপি বেতনিখন পাৰ হ'ব খোজোতেই ভূতে দাৰোগাক চেপা মাৰি ধৰিলে। দাৰোগা বাবুয়ে ভূতক ভালকৈয়ে চিনি পালে। *"বিজুলীৰ চিক্‌মিকনিত ভূতৰ তেলকতীয়া মুখখন"*[৪] দেখি দাৰোগা বাবুয়ে ভূতৰ বেশত থকা ৰাতিয়াক চিনি পালে। একালৰ সহকৰ্মী ৰাতিয়াই চাকৰি হেৰুওৱাৰ পিছত পেট প্ৰবৰ্তোৱাৰ মাধ্যম হিচাপে ভূতৰ বেশ ধৰি আছেহি। তথাপি স্থানীয় ডেকাৰ হাতত পৰি ৰাতিয়াৰ দেহে কিল, ভুকু সহিব লগা হ'ল। বন্দী ৰাতিয়াৰ বিচাৰ হ'ল। বিচাৰত ৰাতিয়াৰ ফাটেক আৰু তাৰ বিপৰীতে দাৰোগাৰ প্ৰমোচন হ'ল। ইয়াৰ লগে লগে গাঁৰত শান্তিৰ পৰিবেশ বিৰাজ কৰিলে।

গল্পটোত এখন গাঁৰৰ চিত্ৰ বৰ্তমান। গল্পটোৰ বৰ্ণনা সৰল আৰু পোনপতীয়া। কাহিনীভাগে আমোদ প্ৰদান কৰে। হাস্যৰসৰ উদ্ৰেককাৰী গল্পটোৰ চৰিত্ৰবোৰৰ কোনো জটিলতা নাই। অৱশ্যে, কমকৈ হ'লেও গল্পটোৰ শেষলৈকে কৌতুহল বৰ্তাই ৰাখিব পাৰিছে।

**কবিৰ কাহিনী ঃ**

গাঁওখনৰ যৌৱনমতীয়া যুৱক মোহন। কবিতা লিখিবলৈ মন কৰি তেওঁ উৎস হিচাপে ল'লে মনে মনে ভাল পায় থকা ললিতাক। বুকুত সাহস গোটাই মোহনে ললিতাক কথাটো ক'লে যদিও উত্তৰ হিচাপে ললিতাই মোহনক নিলজীয়া নকৰিলে আৰু সিদ্ধান্তও নিদিলে।

দিন যোৱাৰ লগে লগে মোহনে 'বাণী' নামৰ আলোচনীখনলৈ কবিতা পঠিয়াবলৈ ধৰিলে। 'বাণী'ৰ সম্পাদকক নানা ভাবুকি আৰু অভিযোগ দিয়াৰ পিছতো মোহনৰ কোনো কবিতা তাত প্ৰকাশ নাপালে। *"কবিতাৰ মোল বুজিবলৈ হ'লে কবি হ'ব লাগে। বাণীৰ সম্পাদক একেবাৰেই নীৰস গদ্যময়"*[৫] বুলি মোহনে মাত্ৰ সান্ত্বনা লভিলে।

---

৪। লক্ষ্মীনাথ ফুকন, 'ভূতৰ উপদ্ৰৱ', মালা, পৃ. ২৩

৫। লক্ষ্মীনাথ ফুকন, 'কবিৰ কাহিনী', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৪৫

মোহনে এটা উপায় বিচাৰি পালে আৰু ললিত মোহন বৰুৱাৰ নামত ললিতাৰ হতুৱাই কবিতা এটি লিখি 'বাণী'লৈ পঠিয়াই দিলে। এইবাৰ কবিতাটো প্ৰকাশ পালে; কিন্তু কথাৰ ৰহস্য জানিব পাৰি ললিতাই মোহনৰ সঙ্গ ত্যাগ কৰিলে। কবিতা প্ৰকাশ কৰিব নোৱাৰি একালত অপমানিত মোহন ললিতাৰ ভূমিকাত পুনৰায় অপমানিত হ'ল।

গল্পটোত মোহনৰ তৰুণ চিন্তাৰ ছাপ বৰ্তমান। এক তৰল প্ৰেম ভাৱনাই গল্পৰ বিষয়বস্তু নিৰ্মাণ কৰিছে। গল্পবস্তু পাঠকৰ বাবে এক কৌতুকৰ খোৰাক। কাহিনী কথনৰ ষ্টাইলে গল্পটোক এক মাত্ৰা প্ৰদান কৰিছে। কাব্য চৰ্চাৰ বাবে আৱেগ উদ্বেলতাৰ লগে লগে শিল্প মূল্য যে প্ৰয়োজনীয়, তাকে গল্পকাৰে ক'বৰ চেষ্টা কৰিছে। বিষয়বস্তু অনুযায়ী গল্পটোৰ শিৰোনাম সঠিক হৈছে।

**মাধৱীলতা ঃ**

'মাধৱীলতা' এটি আত্মকথন ভঙ্গীত ৰচিত গল্প। আত্ম পৰিচয় জ্ঞাপনৰ যোগেদি গল্পৰ আৰম্ভণি হৈছে। স্বামীৰ স্মৃতি বিজড়িত অতীত ৰোমন্থনেৰে গল্পটোত মাধৱীলতাৰ জীৱন কাহিনী বিবৃত হৈছে।

গল্পটোৰ মূল চৰিত্ৰ মাধৱী। তাই যোল্ল বছৰ বয়সতে স্বামীক হেৰুৱাবলগীয়া হৈছে। দূৰ্ঘটনাটো সংঘটিত হৈছিল এম. এ. পৰীক্ষা শেষ কৰি স্বামীৰে সৈতে নাৱেৰে মাকৰ ঘৰলৈ অহাৰ পথত। নাও ডুবি স্বামী ঢুকালেও মাধৱীয়ে সাঁতুৰি কোনোমতে পাৰ পায় আৰু এগৰাকী বিধৱাৰ গৃহত আশ্ৰয় গ্ৰহণ কৰে। দৰাচলতে শিক্ষিত স্বামীয়ে যে সাঁতুৰিব নাজানে, নদীৰ বুকুত থাকোঁতে মাধৱীৰ দ্বাৰা সেই কথাটো নজৰ দিয়া নহ'ল।

মাধৱীয়ে আশ্ৰয় লোৱা তিৰোতাগৰাকীৰ সাত বছৰীয়া এটা ল'ৰা আছে। স্কুলৰ মাচুল দিব নোৱাৰাত মাষ্টৰে স্কুলৰ পৰা তাৰ নামটো কাটি দিলে। এইহেন এগৰাকী তিৰোতাৰ বোজা হৈ থাকিবলৈ বেয়া পোৱা মাধৱীক তিৰোতাগৰাকীয়ে  ওলাই  আহিব নিদিলে। কিছু দিন যোৱাৰ পিছত মাধৱীয়ে নিজৰ ঘৰলৈ আহিলেও ঘৰত কাকো দেখা নাপালে। জানিব পৰা মতে নাও ডুবাৰ খবৰ পায় মাধৱীৰ মাতৃ হেনো মূৰ্চা গৈ ঢুকাল। উপায়হীন মাধৱীয়ে আগৰ আশ্ৰয়দাত্ৰী বাঁৰীগৰাকীৰ ওচৰলৈকে পুনৰ উভতি আহিল। এটা সময়ত মাধৱীয়ে নিজৰ ঘৰ-বাঁৰীৰ সকলো বস্তু বাঁৰীগৰাকীৰ ল'ৰাৰ নামত লিখি দিলে আৰু বাচি থকা দিনকেইটা তাতে অতিবাহিত কৰিবলৈ স্থিৰ কৰিলে।

গল্পটো চুটি হ'লেও সামৰণিয়ে মূল চৰিত্ৰ মাধৱীৰ প্ৰতি সহানুভূতিৰ উদ্ৰেক কৰে। সম্বন্ধ বা সংযোগৰ বিপৰীতে নাওখনে গল্পটোত বিচ্ছেদৰ তিক্ততাহে ঘনীভূত কৰি তুলিছে।

বৰ্ণনা সৰল, অজটিল তাৰ বাক্য গাঁঠনি। দৈৱ বা অদৃষ্টৰ প্ৰভাৱত কাহিনীভাগ গ্ৰহণযোগ্য হৈ পৰিছে। মূলতঃ 'মাধৱীলতা' গল্পটোত দুটা যাত্ৰা চিত্ৰিত হৈছে। প্ৰথমটো হ'ল - নৱপৰিণীতা স্বামী-স্ত্ৰীৰ দ্বাৰা নাৱৰ বুকুত যুগ্মজীৱন যাত্ৰা আৰু আনটো হ'ল এগৰাকী বাঁৰীৰ স'তে আন এগৰাকী বাঁৰী (মাধৱীলতা)ৰ সহযাত্ৰা।

**আনন্দে নধৰে হিয়া ঃ**

বিবাহ উপযুক্ত জীয়ৰীক বিবাহ দিবৰ বাবে এগৰাকী মাতৃৰ হাবিয়াস আৰু শেষত সেই হাবিয়াসক ধূলিসাৎ কৰা নিৰাশাব্যঞ্জক পৰিস্থিতি - এয়াই মূলতঃ গল্পৰ কাহিনী।

পূৰ্ণিমাৰ দুজনী জীয়ৰীৰ ডাঙৰজনীৰ নাম হ'ল সীতা আৰু সৰুজনীৰ নাম হ'ল পূৰৱী। গিৰিয়েক অপূৰ্ব চন্দ্ৰ শইকীয়াই অৱসৰ লোৱাৰ পিছত নিজৰ কোঠাত কিতাপ পঢ়ি সময় অতিবাহিত কৰে। পূৰ্ণিমাই ভাবে যে সীতাৰ দৰে পূৰৱীৰ বিয়াখন সময়মতে হোৱা হ'লে ভাল আছিল। এই ভাৱেৰে এজন ই.এ.চিৰ লগত পূৰৱীক চিনাকি কৰাই দিয়া হ'ল; কিন্তু কথা আগবঢ়া দেখা নগ'ল।

বিনোদলাল নামৰ ডেকা এজন পূৰ্ণিমাহঁতৰ ঘৰলৈ আহিল । বিনোদলালৰ মাক ইন্দুমতীয়ে পূৰৱীৰ গুণ বখানিবলৈ ধৰাত পূৰ্ণিমাৰ আশা দুগুণে চৰিল। পূৰ্ণিমাৰ আশা যে *"বিনোদলালৰ মত হ'লে এইখন বিয়া হ'ব পাৰে।"*[৬] পূৰৱীৰ সৈতে বিনোদলালৰ কথা কিছু আগবাঢ়িল যদিও বিয়া হ'ব পৰাকে বিশেষ একো নহ'ল। তথাপি বিয়াৰ দিশত অলপ আগবঢ়া বুলি জানিব পাৰি পূৰৱীৰ পিতৃ অপূৰ্বচন্দ্ৰই ভালেই পালে। সময় যোৱাৰ লগে লগে এদিন অকস্মাৎ বিনোদলালৰ ঘৰৰ পৰা বিয়াৰ নিমন্ত্ৰণী পত্ৰ এখন আহি পালে।পত্ৰযোগে বিনোদলালৰ বিয়াৰ সংবাদ পায় পূৰ্ণিমা আৰু জীয়ৰী পূৰৱী বৰ হতাশ হ'ল।

পূৰৱীৰ বাবে এইবাৰ ওলাল মধুমালতী সুন্দৰীৰ পুত্ৰ। কইনা হিচাপে মধুমালতীয়ে পুৰৱীৰ বুকুৰ উচ্চতাৰ জোখ ল'বলৈকো নাপাহৰিলে। সিমানতো ক্ষান্ত নোহোৱা মধুমালতীয়ে পূৰৱীক গাৰ ৰঙটোৰ বাবেহে পুত্ৰৰ বাবে অযোগ্য বুলি ভাবিলে। এইবোৰ কথা-কামত পূৰৱী

৬। লক্ষ্মীনাথ ফুকন, আনন্দে নধৰে হিয়া, পৃ. ৩

আৰু মাক পূৰ্ণিমা হতাশ আৰু আচৰিত হ'ল। সকলো জনাৰ পিছত পূৰৱীৰ পিতৃ অপূৰ্বচন্দ্ৰই প্ৰথমতে হাঁহিলে যদিও পিছত খঙো কৰিলে। এইখিনিতে বান্ধৱী সীতাৰ সহযোগত পূৰৱীয়ে অফিচাৰ সত্যেন্দ্ৰ নাথক লগ পালে। চিনেমা দৰ্শন কৰি ওভোতাৰ পৰত দুয়ো দুখন ৰিক্সাত উঠি ঘৰমুৱা হ'ল। অৰ্থাৎ, সত্যেন্দ্ৰ নাথৰ লগত বিবাহকাৰ্যৰ অভিসন্ধি এইবাৰো ব্যৰ্থ হ'ল।

পূৰৱীলৈ দৰা হিচাপে এম. এ. পাছ যুৱক প্ৰবুদ্ধ হ'লে ভাল বুলি সকলোৱে ভাবিলে। পূৰৱীৰ তুলনাত তাইৰ প্ৰতি প্ৰবুদ্ধৰ ভালপোৱা বেছি যেনহে দেখা গ'ল। গতিকে, বিয়াৰ যোগাৰ কৰিবলৈ মানস কৰি পূৰৱীক লগত লৈ মাক পূৰ্ণিমা বজাৰলৈ ওলাল । এনেতে কাৰোবাৰ মুখত 'ৰাস্কেল এই নিমখহাৰাম' সম্বোধন শুনি সকলো স্তম্ভিত হ'ল। কিয়নো বিনোদলালৰ বিয়াৰ বাবে ঠিক হোৱা কইনাজনী পলায় যোৱাত পিতৃ অনন্তলালে পূৰৱীৰ কথা ভাবি পুনৰাই ইয়াত উপস্থিত হৈছে। কথাটো জানিব পাৰি অপূৰ্বচন্দ্ৰই মনতে বৰ সন্তোষ পালে। লগত লৈ অনা আঙঠিটো বিনোদলালে পূৰৱীৰ আঙুলিত পিন্ধাই দিলে আৰু পূৰৱীয়েও বিনোদলালৰ পিতৃ অনন্তলালৰ ভৰি চুই সেৱা এটা কৰিলে। ইয়াৰ লগে লগে বিয়া প্ৰায় নিশ্চিত হ'ল।

গল্পটোত অভিজাত আৰু তথাকথিত নগৰীয়াৰ তৰাং চিন্তা ফুটি উঠিছে। বাহুল্য কিছু থাকিলেও বৰ্ণনশৈলী সৰল। সজীৱ চৰিত্ৰ চিত্ৰণেৰে গল্পটো সুখপাঠ্য বুলি বিবেচিত হৈছে।

**লখিমী**

'লখিমী' গল্পটোৰ মূল আদৰ্শ হ'ল হিন্দু-মুছলমানৰ সম্প্ৰীতি। 'লখিমী' হিন্দু বোৱাৰী হ'লেও আচলতে মুছলমান জীয়ৰী।

দুৰ্গা পূজাৰ বতৰ বাবে পদ্মকমল বৰুৱাৰ মনটো আজি স্নিগ্ধ আৰু মধুৰ। আগফালৰ বাৰাণ্ডাত বহি তেওঁ দুৰ্গা পূজাৰ কথাকে ভাবি আছিল। সৰুতে স্কুলৰ পৰা আহি পদ্মকমলে চুৰকৈ হ'লেও গোসাঁনী বনোৱা চাব গৈছিল। গোসাঁনী বনোৱা মানুহবোৰৰ প্ৰতি পদ্মকমলৰ কৌতুহল অপাৰ বাবে স্কুলত ফাঁকি দি হ'লেও তেওঁ গোসাঁনী সজোৱা চাব গৈছিল। দুৰ্গা পূজাত ছাগলী বলি দিয়া কথাটো সৰুতে তেওঁৰ ভাল লাগিছিল ; অৱশ্যে এতিয়াহে তেওঁ বুজি উঠিছে যে ধৰ্মৰ নামত জীৱ হত্যা এক অপৰাধ। বিভিন্ন কথাৰ লগে লগে ৰবীন্দ্ৰ নাথৰ কবিতা ফাঁকিৰ ছবিটোৱে পদ্মকমলৰ মনটো কোবাই গ'ল - এফালে সমৃদ্ধি আনফালে দুখ আৰু দৈন্য। পদ্মকমলে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ

কবিতাটো আবৃত্তি কৰিলে -

*“আনন্দময়ীৰ আগমনে*

*দেশে ফেলেছে ছেয়ে,*

*হেৰ ওই ধনীৰ দুয়াৰে*

*দাড়াইয়া কাঙালিনী মেয়ে।”* [৭]

এনেতে বোৱাৰী লখিমী আগেৰে পাৰ হৈ যোৱাত পদ্মকমলৰ ভাৰত যতি পৰিল। বোৱাৰী যেন সোনকালে ঘূৰি আহিল, এনে ভাৱেৰে কাৰণটো জানিব পাৰি তেওঁৰ খং উঠি গ'ল। এনে কি ৰহস্য যে পূজাৰীয়ে ন-বোৱাৰী লখিমীক সেৱা কৰিব নিদিব!

চন্দ্ৰপ্ৰসাদ ফুকনৰ মুখৰ পৰা ৰহস্যৰ ভেদ ওলাবলৈ সৰহ পৰ নালাগিল। সোণালী শইকীয়ানী বোলা এগৰাকীয়ে বামুণক টকা-পইচা দি আৰু লখিমী যে মুছলমান জীয়ৰী, সেই কথাটো বামুণৰ কাণত পেলাই লখিমীক সেৱা কৰাত বাধা দিয়ালে। দৰাচলতে, শইকীয়ানীৰ লগত লখিমীৰ নামঘৰত যে অলপ খকা-খুণ্ডা লাগিছিল, তাৰেই পোতক তোলা বুলি পদ্মকমলে বুজি উঠিলে। তথাপি, কথাটো মানি ল'ব পৰা নাই তেওঁ। পুতেক চন্দনে মুছলমান ছোৱালী নুৰজাহানক বিয়া কৰোৱাৰ পিছত মধুমিলন সত্ৰৰ সত্ৰাধিকাৰৰ দ্বাৰা শৰণ দিয়া হৈছিল। শাহুয়েকৰ তত্বাৱধানত নুৰজাহানে নামঘোষা আৰু কীৰ্ত্তনঘোষা গাবলৈ শিকি আৰু শিৰত সেন্দুৰ লৈ এশ শতাংশ হিন্দু হৈ পৰিছিল। তেনে ক্ষেত্ৰত, বামুণে লখিমীক মানে নুৰজাহানক দুৰ্গা দেৱীৰ সেৱাত বাধা দিব- পদ্মকমলে কথাটো ভাল নাপালে।

চন্দ্ৰপ্ৰসাদ ফুকনৰ হতুৱাই বামুণক পদ্মকমল বৰুৱাই মাতি পঠালে। পদ্মকমল বৰুৱাক লগ কৰিব অহা বামুণক তেওঁ দূৰৰ পৰাই চিনি পালে যে এওঁ হ'ল ঢেকীয়ালৰ পাঁচ বছৰ ফাটেক খোৱা দ্ৰোণকান্ত শৰ্মা। সেই মোকৰ্দমাৰ উকিল পদ্মকমলক সন্মুখতে দেখি বামুণ দ্ৰোণকান্ত শৰ্মায়ো চক খালে। বামুণৰ অৱস্থা দেখি উকিল পদ্মকমলৰ মন কুমলিল। পেটৰ দায়ত পূজাৰী হোৱা দ্ৰোণকান্ত শৰ্মাৰ পূৰ্ব পাপৰ কথা কৈ ভাত নামাৰো বুলি পদ্মকমলে কথা দিলে।

পদ্মকমল আৰু পূজাৰী দ্ৰোণকান্ত শৰ্মাৰ মাজৰ বুজা-বুজি লখিমীয়ে গম নাপালে। তথাপি, শহুৰ দেউতাৰ আদেশ পায় লখিমীয়ে অষ্টমীৰ দিনা *“বিজয়িনীৰ গৌৰৱেৰে গৈ গোসাঁনী সেৱা*

৭। লক্ষ্মীনাথ ফুকন, 'লখিমী', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১১৫

*কৰিলে আৰু নৈবেদ্য দিলে।”* [৮] লখিমীক দেখিয়েই বামুণ দ্ৰোণকান্ত শৰ্মাই আহক-বহক বুলি আদৰি দেৱী সেৱাৰ বাবে সুবিধা কৰি দিলে।

দৰাচলতে গল্পটো ইয়াতে শেষ হোৱাৰ সুবিধা আছিল। তথাপি, হিন্দু-মুছলমানৰ মাজত থকা মত-আদৰ্শগত খেলিমেলিৰ কথা সন্নিৱিষ্ট কৰি গল্পকাৰে সমাজৰ প্ৰতি কিছু বিদ্ৰূপ কৰিছে।

গল্পটোৰ মূল আকৰ্ষণ হ'ল গল্পকাৰৰ কথন্‌ভংগী। কম পৰিমানৰ ব্যঙ্গ আছে যদিও মূল চৰিত্ৰ পদ্মকমল বৰুৱাৰ চিন্তা প্ৰক্ৰিয়াহে গল্পৰ সৌন্দৰ্যবৰ্দ্ধক হৈছে। একেখন থাপনাতে কীৰ্ত্তন-ভাগৱত-গীতা আৰু কোৰান-বাইবেল থৈ পূজা-সেৱা কৰা কথাই গল্পকাৰৰ প্ৰগতিশীল চিন্তাৰ চাপ বহন কৰিছে। ভাষা সু-সংহত আৰু কোমল। উপমাৰ প্ৰয়োগে গল্পকাৰৰ বক্তব্য স্পষ্ট কৰা দেখা গৈছে।

**অসম নাট্যম্**

'অসম নাট্যম্' গল্পটোত সমান্তৰালভাৱে দুটা ঘটনা অৱতাৰণা কৰা হৈছে। প্ৰথমতে গল্পকাৰ দীপক নাৰায়ণ গোস্বামীক তেওঁ বিচৰা ধৰণে 'অসম নাট্যম্' গল্পৰ বক্তা পৰিমলে গল্পৰ প্লট যোগান ধৰিছে। তাকে কৰিবলৈ যাওঁতে পৰিমলৰ বক্তব্যত অহা সকলো প্ৰসঙ্গই মূল গল্পৰ পৰিসৰ নিৰ্দ্ধাৰণ কৰিছে।

গল্পৰ কাহিনী মতে বহু দিনৰ অনুৰোধ এৰাব নোৱাৰি পৰিমলে দীপক নাৰায়ণ গোস্বামীক গল্প ক'বলৈ ঠিক কৰিলে। গল্প বুলিলে আচলতে জাহাজেৰে কৰা এটা যাত্ৰাৰ অভিজ্ঞতাহে মাত্ৰ। গল্পটোৰ আৰম্ভণি হ'ল এনেদৰে - পৰিমলে জাহাজতে লগ পালে গন্ধমাদন ভোম্বোলদাৰক। কোম্পানীৰ খৰচত তেওঁ বানপানীৰ উপদ্ৰৱৰ বিষয়ে জৰীপ কৰিব আহিছে। পৰিমলৰ সৈতে হোৱা কথা-বতৰাত আশ্বস্ত ভোম্বোলদাৰে নিজৰ সৈতে খোৱা-বোৱাৰ বাবে পৰিমলক সুবিধা দিলে।

জাহাজৰ কেৰাণীজনৰ পৰা পৰিমলে জানিব পাৰিলে যে ভোম্বোলদাৰ অহা বছৰ মন্ত্ৰী হোৱাৰ সম্ভাৱনা আছে। গতিকে ভোম্বোলদাৰক স্ফূৰ্তিত ৰাখি তেওঁ সুবিধা লাভৰ বাঞ্ছা কৰিলে। ভবামতে পৰিমলে 'ছোটহাজিৰি', 'বৰহাজিৰি' লাভ কৰিবলৈ সমৰ্থও হ'ল। অৱশ্যে ইয়াৰ বিপৰীতে,

৮। লক্ষ্মীনাথ ফুকন, পূৰ্ব উল্লিখিত গল্প, পৃ. ১৩৮

ভোম্বোলদাৰে পৰিমলৰ দ্বাৰা বানপানীৰ ৰিপ'ৰ্ট লিখাব বুলি আশা কৰি থাকিল।

জাহাজৰ দীৰ্ঘ যাত্ৰা সামৰি ভোম্বোলদাৰে তেজপুৰৰ জাহাজ ঘাটত নামিল। ইয়াতে নেঘেৰিটিং ঘাটত তিনিজনী গাভৰু ছোৱালী লগত লৈ দুজন মতা মানুহ জাহাজত উঠিল। কথা-বতৰাৰ পৰা তেওঁলোক নৃত্যশিল্পী বুলি পৰিমল নিশ্চিত হ'ল। দেৰগঞা নাচ পুনঃ প্ৰচলনৰ বাবেই শিল্পীদলৰ এই নতুন যাত্ৰা। তেওঁলোকৰ মাজৰ এজনী গাভৰু ধুনীয়া বাবে তাইৰ প্ৰতি পৰিমলৰ মন গ'ল। কথাটো ওস্তাদৰ দৃষ্টিগোচৰ হোৱাত; তেওঁ আহি পৰিমলক জনালে যে লগত থকা ডেকাজনৰ সৈতে তাই পলাইহে আহিছে। তথাপি, পৰিমলে মন কৰিলে ছোৱালীজনীৰ সতে তাক কথা পতাব পাৰে বুলি জনালে। এইখিনিতে, দেৰগঞা নৃত্যৰ পুনঃ প্ৰচলনত আত্মনিয়োগ কৰিব ওলোৱা দলটোক সহায় কৰিবৰ বাবে পৰিমলৰ মন গ'ল। এই সহায়ৰ প্ৰসঙ্গ লৈ তেওঁ ভেম্বোলদাৰক খাটিলে। ভোম্বোলদাৰে 'দেৰগঞা'ৰ ঠাইত 'অসম নাট্যম্' নাম দি সেই নৃত্যৰ বাবে পৰৱৰ্তী অধিবেশনত এটা প্ৰস্তাৱ লোৱাৰ সিদ্ধান্ত লৈ থলে। এইখিনিতে দেখা গ'ল যে ভোম্বোলদাৰৰ সহায়ত দুঢোকমান গিলি পৰিমল ছোৱালীজনীৰ অপেক্ষাৰত। প্ৰায় টোপনি আহিব খোজা পৰিমলে পেঁপাৰ মাত যেন জাহাজৰ উকিত সাৰ পালে।

এই পট ব্যাখ্যাৰ মাজে মাজে পৰিমলৰ জীৱনৰ আন এটা ব্যথিত আখ্যান গল্পকাৰে আগবঢ়াইছে। সেই আখ্যানভাগ পৰিমলৰ নবৌয়েকৰ দেউতাকক কেন্দ্ৰ কৰি গঢ় লৈছে। নবৌয়েকৰ দেউতাকে নিজে অৱসৰ গ্ৰহণ কৰিছে যদিও তেওঁৰ পুতেকে চেক্ৰেটাৰী নে আণ্ডাৰ চেক্ৰেটাৰীৰ কাম কৰে। এই কথাৰ উমান ধৰিব পাৰি ব্যৱসায়ী হনুমন্ত সিংহই পৰিমলৰ শহুৰ দেউতাকৰ বাবে অজস্ৰ খোৱা বস্তু পঠিয়াই দিছে। এয়া যে একপ্ৰকাৰ ঘোচ্, পৰিমলে কথাটো শহুৰ দেউতাকৰ দৃষ্টিগোচৰ কৰোৱালে যদিও পৰিমলে আশা কৰা ধৰণে বুঢ়া আচৰিত নহ'ল। বুঢ়াৰ মনোভাৱ হ'ল যে নিজে ঘোচ্ খায় ধৰা নপৰাকৈ অৱসৰ ল'লে যেতিয়া পুতেক ধনঞ্জয়েনো নোৱাৰিবনে? বুঢ়াৰ ভাষাত -

> *"চৰকাৰী বিষয়াই পালে ভেটী নেখায় বুলি কোনেও বিশ্বাস নকৰে। এনেও বদনাম যেতিয়া, ভেটী লৈয়ে বদনামৰ ভাগী হোৱাটো ভাল। বিশেষকৈ, যেতিয়া ভেটী লৈ অভাৱ-অনাটন গুচাই নিজৰ সুবিধা কৰি ল'ব পাৰি।"*[৯]

৯। লক্ষ্মীনাথ ফুকন, 'অসম নাট্যম', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১৭৩

এয়াই মূলতঃ 'অসম নাট্যম্' গল্পৰ বিষয়বস্তু। গল্পৰ বুকুত গল্প কোৱাৰ ষ্টাইলেৰে গল্পটোৰ কাহিনীভাগ নিৰ্মাণ কৰা হৈছে। সুবিধা বুজি গল্পকাৰ লক্ষ্মীনাথ ফুকনে অহৈতুক ইংৰাজী প্ৰীতি, সমকালীন নেতাৰ মানসিকতা আৰু ঘোচ্‌খোৰ চৰকাৰী চাকৰিয়ালৰ প্ৰতি ব্যঙ্গ কৰিছে। 'দ্ৰাক্ষাৰিষ্ট' নাম দি ভোম্বোলদাৰ আৰু পৰিমলৰ মদ্যপানো এনে এক ব্যঙ্গ দৃষ্টিৰে উপস্থাপন।

**পৰ্দ্দা ৰহস্য**

'পৰ্দ্দা ৰহস্য' গল্পটো ঊণবিংশ শতিকাৰ সময়খিনিত চাহাবলৈ মেম্ হিচাপে যোৱা অসমীয়া নাৰীৰ জীৱন চিত্ৰায়ক। গল্পৰ কাহিনীমতে বাল্যতে বাঁৰী হোৱা এগৰাকী নাৰীৰ সৈতে গল্পকাৰে ৰেলেৰে যাত্ৰা আৰম্ভ কৰিছে। মনৰ কৌতুহল দমাব নোৱাৰি গল্পকাৰে জানিব বিচৰাত ছোৱালীজনীয়ে ক'লে যে তাইক হেনো কোনোবা ষ্টেচন মাষ্টৰে মাতি পঠাইছে। ইফালে অচিনাকি ষ্টেচন মাষ্টৰে মাতিলে বুলিয়ে এনেকৈ গুচি অহা কাৰ্যই গল্পকাৰক আচৰিত কৰিলে। মনৰ কৌতুহল দমাব নোৱাৰি তেওঁ শুধিয়েই পেলালে যে -

*"তেওঁনো তোমাক কেলেই মাতি পঠাইছে ক'ব পাৰানে?*

*একো সংকোচ নকৰি তাই ক'লে, "পাৰোঁ, চাহাবক দিবলৈ।"*[১০]

এনেধৰণৰ কথাৰ আৰম্ভণিৰে ছোৱালীজনীয়ে তাইৰ ব্যক্তিগত সকলো সমস্যা গল্পকাৰৰ আগত বিৰবি কৈছে। বিশেষকৈ বাল্যতে বিয়া হোৱা, বিয়া কি বুজি নাপাওঁতে বাঁৰী হোৱা, আগতে আন কোনোবা চাহাবলৈ মেম্ হিচাপে গৈ তিনিমাহ থকাৰ পিছত সেই চাহাবে তাইক এৰি দিয়া, উপায়হীন হৈ নতুনকৈ চাহাবলৈ মেম্ হ'বলৈ বুলি আহি থকা - এই সকলোবোৰ কথা গল্পকাৰক তাই এফালৰ পৰা কৈ গ'ল। অৱশ্যে তাই বুজি পায় যে *"বগাই কলাক ভালপাব নোৱাৰে।"*[১১]

ছোৱালীজনীয়ে যি মথুৰাপুৰলৈ যাব আহিছে, সেই ঠাই গল্পকাৰৰ চিনাকি। মেম্ ল'বলৈ মথুৰাপুৰত খালি চাহাব থকাৰ কথা তেওঁৰ মনে নধৰিল। গতিকে, অচিনাকি মানুহৰ কথা মতে অহাটো ছোৱালীজনীৰ দ্বাৰা যে ভাল কাম হোৱা নাই, তাকে তেওঁ ক'ব খুজিলে। মনৰ ভাৱ মনতে দমাই ৰাখি গল্পকাৰে ছোৱালীজনীক উপদেশ দিলে যে তাই ইচ্ছা কৰিলে ৰংদৈতে দেখোন

---

১০। লক্ষ্মীনাথ ফুকন, 'পৰ্দ্দাৰ ৰহস্য', আশাত উৎফুল্লিত প্ৰাণ, পৃ. ১৬০

১১। উল্লিখিত গল্প, পৃ. ১৬১

নামিব পাৰে। মথুৰাপুৰৰ তুলনাত ইয়াত খালি চাহাবৰ সংখ্যা বেছি; কিন্তু ছোৱালীজনীয়ে প্ৰথমতে মথুৰাপুৰলৈকে যাবলৈ আগ্ৰহ প্ৰকাশ কৰাত, তাকে কৰিবলৈ দিহা দি গল্পকাৰে ৰংদ�ৈ ষ্টেচনত ৰেলৰ পৰা নামিল।

তিনিদিন পিছত গল্পকাৰ মথুৰাপুৰলৈ গ'ল। উদ্দেশ্য হ'ল একালৰ বাল্য বন্ধু কনকক দেখা কৰা। যোল্ল অনাই চাহাব হোৱা কনকৰ জপনামুখত গল্পকাৰে চাইকেলৰ পৰা নামিল আৰু ভিতৰলৈ সোমায় গ'ল। মনাইৰ মুখেৰে তেওঁ গম পালে যে কনক কাছাৰিলৈ গৈছে গতিকে পাঙ্খাৰ বতাহ খায় তেওঁ অলপ জিৰাবলৈ মন কৰিলে। মনায়ে পাঙ্খা টানি আৰাম দিয়াৰ পৰত ঘৰৰ পৰ্দ্দাবোৰ গল্পকাৰৰ চকুত পৰিল আৰু উত্তৰত চাহাবৰ কোনোবা ভনী অহা বাবেহে নতুন পৰ্দ্দা আঁৰা হৈছে বুলি মনায়ে গল্পকাৰক অৱগত কৰালে। কথাটো বিশ্বাস-অবিশ্বাসৰ মাজত থাকোঁতেই, পিছফালে কাপোৰৰ খচ্‌মচনি শুনি ঘুৰি চাই গল্পকাৰে দেখিলে ট্ৰেইনত লগ পোৱা সেই ছোৱালীজনী। তাইৰনো ইয়াত কি ধৰণৰ কাম গল্পকাৰে জানিব বিচৰাত ছোৱালীজনীয়ে ক'লে যে খোৱা-বোৱা, কাপোৰ কানিৰ উপৰিও মাহে দুশ টকা দৰমহাৰ বিনিময়ত তাই ইয়াত থাকিব লৈছে। এইখিনিতে মনাইৰ মিছা গল্পকাৰে ধৰিব পাৰিলে আৰু চাহাব কনকে ক'ব দিয়াতহে যে মনায়ে ছোৱালীজনীৰ প্ৰসঙ্গত এনেধৰণৰ মিছাৰ মোখানি মাৰিছে সেয়া বুজি পালে।

এয়াই গল্পটোৰ বিষয়বস্তু। প্ৰথম পুৰুষত গল্পৰ বিষয়বস্তু আগবাঢ়িছে। সৰল আৰু চিত্ৰধৰ্মী বৰ্ণনাৰে গল্পকাৰে কতোৰে অপ্ৰাসঙ্গিক কথাৰ মেলানি মৰা নাই। গল্পটোৰ 'পৰ্দ্দা ৰহস্য' নামকৰণটো প্ৰাসঙ্গিক; অভাৱগ্ৰস্থ নাৰীৰ চাহাব প্ৰীতিহে মুখ্য।

**বিহুৰ পিঠা**

গল্পটোৰ বিষয়বস্তু বিহুকেন্দ্ৰিক। বিহুৰ পিঠাৰ প্ৰসঙ্গেৰে গল্পকাৰে পৰম্পৰাগত মান-সৎকাৰৰ প্ৰশ্নটো উত্থাপন কৰিছে।

ভূৱনচন্দ্ৰ বিপত্নীক মানুহ। পুতেক জয়ন্তৰ বাবে শান্তিক বিয়া কৰোৱাই আনিলে। আচলতে, পত্নী সাবিত্ৰীৰ কথা ৰাখিয়েই ভূৱনচন্দ্ৰই বোৱাৰী হিচাপে শান্তিক অনাৰ সিদ্ধান্ত লৈছিল। অৱশ্যে চাকৰি সূত্ৰে পুত্ৰ-বোৱাৰী এতিয়া ভূৱনচন্দ্ৰৰ পৰা দূৰত থাকে; তথাপি এই বিষয়ত তেওঁৰ তেনে কোনো আপত্তি নাই।

ভূৱনচন্দ্ৰৰ সমবয়সীয়া আন তিনিগৰাকী ব্যক্তি হ'ল পূন্যধৰ, শান্তিৰাম আৰু অনাদিচৰণ। অৱসৰ বিনোদন বুলি গোটেই কেইজনে মিলি তাচ্ খেলে। প্ৰত্যেকৰে বোৱাৰী আছে বাবে কথাৰ মাজতে সুবিধা বুজি সকলোৰে বোৱাৰীয়েকৰ গুণ গায়। এই ক্ষেত্ৰত ভূৱনচন্দ্ৰয়ো পিছ পৰি নাথাকে। বোৱাৰীৰ পৰা অতীতত পোৱা সকলো সেৱাৰ কথা ভূৱনচন্দ্ৰই বৰ গৌৰৱেৰে কৈ যায়। দহ পোন্ধৰ দিনৰ মূৰে মূৰে বোৱাৰীয়েকৰ পৰা পাৰ্চেল অহা বুলিও ভূৱনচন্দ্ৰই বঢ়াই কয়। ইয়াৰ ফলস্বৰূপে বোৱাৰীৰ ফালৰ পৰা পিঠাৰ পাৰ্চেল আহিব বুলি গোটেই কেইগৰাকীয়ে সাজু হৈ থাকে। ভূৱনচন্দ্ৰৰ বাবে অসুবিধাটো এইখিনিতে যে বোৱাৰীয়েকৰ পৰা আহিব লগা পিঠাৰ পাৰ্চেলটো শেষ পৰ্যন্ত আহি নাপায়। ডাকঘৰৰ পৰা উভতি অহা মনিৰামে কথাটো জনোৱাত ভূৱনচন্দ্ৰৰ গৰম লাগি আহে। ইতিমধ্যে তাচ্ খেলৰ বন্ধুকেইগৰাকীক বোৱাৰীয়ে পঠোৱা পিঠা খাবলৈ বুলি তেওঁ মাতি পঠাইছে। এইখিনিতে উপায়হীন ভূৱনচন্দ্ৰৰ মনত আন বহু কথাই খেলি মেলি লগাই দিলে। তেওঁ অনুমান কৰিলে যে সময় যোৱাৰ লগে লগে বোৱাৰীয়েকৰ মৰমৰ উত্তাপ যেন বহুখিনি কমি আহিছে। গভীৰ আশা বুকুত বান্ধি ৰৈ থকা শহুৰলৈ বোৱাৰীৰ ছাগে এতিয়া সময়ৰ অভাৱ। কথাটো ভাবি ভূৱনচন্দ্ৰৰ মনত বৰ বেজাৰ লাগিল। ভূৱনচন্দ্ৰক চাকৰ মনিৰামে প্ৰবোধ নিয়ালে যে বোৱাৰীয়েকৰ পিঠাৰ পাৰ্চেল নিশ্চয়কৈ আহিব। মনিৰামৰ বিশ্বাসভৰা দৃঢ়তা -

> *"একো নেভাবিব দেউতা। ভাবি মন বেয়া নকৰিব। মোৰ মনে কৈছে বিহুৰ পাৰ্চেল এইবাৰ আপোনালৈ আহিব। বিহুত আমি শান্তি আইদেৱে পঠোৱা পিঠাকে খাবলৈ পাম।"* [১২]

চাওঁতে চাওঁতে যথাসময়ত বিহুৰ পিঠা আহি পালে আৰু আটায়ে বৰ আনন্দ মনেৰে বিহুৰ পিঠা খালে। কেওজনৰ মুখৰ পৰা বোৱাৰীয়েক শান্তিৰ প্ৰতি আশীৰ্বাদ ওলায় আহিল - *"আপোনাৰ বোৱাৰীয়েকক আশীৰ্বাদ কৰিছোঁ যেন এশ বছৰ জীয়াই থাকে আৰু আমি বছৰি বছৰি এনেদৰে বিহু খাবলৈ পাওঁ।"* [১৩]

খোৱা বোৱা শেষ কৰি তিনি বন্ধু ঘৰাঘৰি গ'ল। পৰম সুখত ভূৱনচন্দ্ৰই বোৱাৰীয়েকলৈ

---

১২। লক্ষ্মীনাথ ফুকন, 'বিহুৰ পিঠা', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৪৪

১৩। উল্লিখিত গল্প, পৃ. ৪৭

চিঠি এখন লিখিলে। বোৱাৰীয়ে পঠোৱা লাৰু-পিঠা খায় ভূৱনচন্দ্ৰৰ বন্ধুকেইজনে যে মনত মহা আনন্দ পালে, তাকো লিখিলে। চিঠিখন পোষ্ট কৰিবলৈ ভূৱনচন্দ্ৰই মনিৰামক দায়িত্ব দিলে। ডাকঘৰলৈ গৈ চিঠিখন পঠোৱাৰ আগতে মনিৰামে চিঠিৰ পিছফালে কেইটামান বাক্য সংযোগ কৰিলে। মনিৰামৰ লিখনিৰ পৰা বুজা গ'ল যে পিঠাৰ পাৰ্চেল বোৱাৰীয়েকে পঠোৱা নাই; বৰং মনিৰামে নিজাকৈ যোগাৰ কৰিহে তিনি বন্ধুৰ স'তে ভূৱনচন্দ্ৰক খুৱালে।

গল্পটোত 'বিহুৰ পিঠা' এক অৱলম্বন মাত্ৰ। দৰাচলতে, পৰম্পৰাগত মান-সৎকাৰৰ ক্ৰমাগত অৱলুপ্তি আৰু এই পৰিস্থিতিত জ্যেষ্ঠসকলৰ মানসিক সমস্যাহে গল্পটোত বিবৃত হৈছে। পুত্ৰ-বোৱাৰীৰ পৰা সততে বাঞ্ছা কৰা সুখৰ আকাংক্ষাই গল্পটোক প্ৰাণৱন্ত কৰিছে। এই ক্ষেত্ৰত গল্পৰ ভাষা চৰিত্ৰ অনুগ আৰু প্ৰাঞ্জল হৈছে। মানৱিক অনুভূতিৰ কোমলতা আৰু সংবেদনশীলতাই গল্পবস্তুক আকৰ্ষণীয় কৰি তুলিছে।

**শেষ সিদ্ধান্ত**

চাহ বাগিচাৰ মালিক গোপীমোহন। চাকৰ-চাকৰণীৰে তেওঁৰ ঘৰ ভৰি আছে। তথাপি পত্নী সুমিত্ৰাই নিজেই গোপীমোহনৰ আলপৈচান ধৰে। বিয়াৰ আগতে গোপীমোহনৰ আলপৈচান ধৰিছিল চাকৰ তিলকাই ; কিন্তু বিয়া হৈ অহাৰ পিছৰ পৰা এই দায়িত্ব সুমিত্ৰাই চম্ভালিছে। সুমিত্ৰাৰ এনে পতিপ্ৰেমৰ বাবে কাৰোৰে বেজাৰ নাই; মাত্ৰ তিলকাই 'ভালজনী ওলালহি' ভাৱত কেতিয়াবা মন গোমোঠা কৰে।

ৰাতি ন বজালৈ গোপীমোহন বাগিচাৰ পৰা নহা দেখি , শাহুমাকে সুমিত্ৰাক ভাত খাবলৈ মাতিলে। সুমিত্ৰাৰ বিশ্বাস যে ৰাতি হ'লেও পতিদেৱতা গোপীমোহন ঘৰলৈ ঘূৰি আহিব। বোৱাৰীৰ মনৰ ভাৱ বুজিব পাৰি শাহুমাকে শুবলৈ গ'ল। ৰাতি দুপৰত বোকা-পানী লুতুৰি-পুতুৰি হৈ গোপীমোহন আহিল আৰু আথে-বেথে গৰম ভাত ৰান্ধি খুৱাইহে সুমিত্ৰাই মনত শান্তি পালে।

দিনবোৰ বৰ আনন্দেৰেই অতিবাহিত হ'বলৈ ধৰিছিল। এনেতে ভনীয়েক সাৱিত্ৰীক লগত লৈ সুমিত্ৰাৰ মাক আলহি হৈ ওলাল। সাৱিত্ৰীৰ ৰূপ-লাৱণ্যই এইবাৰ গোপীমোহনক আকৰ্ষিত কৰিলে। সুবিধা বুজি গোপীমোহনে সাৱিত্ৰীৰ সতে কিছু কথাও পাতিলে। সাৱিত্ৰীৰ বাবে সেই কথা-বতৰাবোৰ অৱশ্যে তেনেই স্বাভাৱিক আছিল। সুমিত্ৰাৰ মাক থাকোঁতেই তিলকাৰ বিয়া হৈ

গ'ল। বিয়াৰ কেইদিনমান পিছতে সাৰিত্ৰীক লগত লৈ মাক নিজ ঘৰলৈ গুচি গ'ল। এইখিনি সময়ত গোপীমোহন আৰু সুমিত্ৰাৰ বাবে পৰিবেশটো বৰ উৰুঙা-উৰুঙা লাগিল।

মাকৰ কথা মতে সাৰিত্ৰীৰ বাবে দৰা এটা চাবলৈ সুমিত্ৰাই গোপীমোহনক বৰকৈ খাটিলে। বিশেষকৈ,ওচৰৰে বিমলৰ বাবে সাৰিত্ৰীক দিব পৰাৰ কথা সুমিত্ৰাই জনালে। কিন্তু এইবোৰ কথাত গোপীমোহনৰ কোনো আগ্ৰহ দেখা নগ'ল। বৰং নিজে সাৰিত্ৰীক বিয়া কৰাবৰ বাঞ্ছা কৰি গোপীমোহনে শহুৰেকলৈ চিঠি এখন লিখিলে। বহু পলমকৈ সুমিত্ৰাই কথাটো গম পালে আৰু বৰ হতাশ হ'ল। দেউতাকলৈ এখন চিঠি লিখি সুমিত্ৰাই নিজৰ আপত্তিৰ কথা জনালে। এই কথাবোৰকে লৈ গোপীমোহন আৰু সুমিত্ৰাৰ মাজত কিছু মনোমালিন্যই দেখা দিলে। একালত প্ৰেমেৰে বুৰাই ৰাখিব খোজা পত্নীৰ উপস্থিতি গোপীমোহনে লাহে লাহে সহিব নোৱাৰা হৈ আহিল। কেতিয়াবা আকৌ *"এইবোৰ লেৰেলা সাদৰ মোক লাগিছে কেলেই? মোৰ আগলৈ নাহিবা তুমি। যোৱা গুচি ইয়াৰ পৰা"*[১৪] বুলি ভৰ্ৎসনা কৰা হ'ল। কথা বিষম দেখি সুমিত্ৰাই চুবুৰীৰ বিমললৈ ভনীয়েকক বিয়া দিয়াৰ প্ৰস্তাৱ ৰাখি বিমলৰ মাকক লগ ধৰিলে। কিন্তু গোপীমোহনৰ অভিসন্ধিৰ কথা আগতিয়াকৈ জানিব পাৰি তেওঁলোকে সুমিত্ৰাক বিমুখ কৰি পঠালে। এনেতে, সুমিত্ৰালৈ সাৰিত্ৰীৰ পৰা এখন চিঠি আহিল। চিঠিখন গোপীমোহনে হাত পাতি লৈ পঢ়ি চালে আৰু জ্বলাই পেলালে। দৰাচলতে, সাৰিত্ৰীৰ অসন্মতি প্ৰকাশক চিঠিখন সুমিত্ৰাক দি গোপীমোহনে নিজৰ অসুবিধা বঢ়াই ল'ব নুখুজিলে। গোপীমোহনৰ প্ৰৰোচনাত ভোল গৈ এই বিয়াত সাৰিত্ৰীৰো সন্মতি আছে বুলি সুমিত্ৰাই ভুল ভাবিলে। ইফালে খুলশালিয়েক সাৰিত্ৰীয়ে বায়েকলৈ দিয়া চিঠি পঢ়ি গোপীমোহনে স্বাৰ্থপূৰণ নোহোৱাৰ বেজাৰত দুখী হৈ থাকিল। ৰাতি শুব আহি সুমিত্ৰাই দেখিলে যে গোপীমোহনে বিচনাত ইকাতি-সিকাতি কৰিছে। গোপীমোহন আৰু ভনীয়েক সাৰিত্ৰীৰ মিলনৰ ক্ষেত্ৰত নিজকে বাধা বুলি ভাবি সুমিত্ৰাই তৎক্ষণাত এটা সিদ্ধান্তত উপনীত হ'ল। গিৰিয়েকে আগতে দাবী কৰা মতে সাৰিত্ৰীক বিচাৰি সুমিত্ৰাই দেউতাকলৈ চিঠি এখন লিখিলে আৰু টোপনিত লালকাল গোপীমোহনৰ মুখলৈ অলপ পৰ ৰ লাগি চাই থাকিল। তাৰ পিছত বাহিৰলৈ ওলায় গৈ আৰু ঘুৰি নাহিল। পিছদিনা সুমিত্ৰাৰ নিথৰ দেহ পিছফালৰ পুখুৰীত পোৱা গ'ল।

গল্পটোত পৰকীয়া প্ৰেমৰ পৰিণতি দেখুওৱা হৈছে। পতি গোপীমোহনৰ পৰনাৰী প্ৰীতিয়ে

---

১৪। লক্ষ্মীনাথ ফুকন, 'শেষ সিদ্ধান্ত', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১১২

পতিভক্তি পৰায়ণা পত্নীৰ আত্মহত্যাৰ কাৰক হৈ গল্পটোত প্ৰতিষ্ঠা পাইছে। মুখৰ ভাষাই চৰিত্ৰক বৈশিষ্ট্যপূৰ্ণ আৰু প্ৰাঞ্জল কৰিছে। মাজে মাজে প্ৰয়োগ হোৱা প্ৰৱচন আৰু ফকৰা-যোজনা আদিয়ে পৰিস্থিতিক গঢ় দিছে। যা হওঁক, গল্পৰ শেষত সংঘতিত সুমিত্ৰাৰ আত্মহত্যাই পাঠকৰ চেতনাক জোকাৰি যায়।

**অশোকাষ্টমীৰ স্নান**

ভৱকান্ত গোস্বামীয়ে নিজৰ কাকতখনলৈ বুলি গল্প এটা বিচাৰি যতীন হাজৰিকাক অনুৰোধ জনালে। প্ৰথম অৱস্থাত হাজৰিকাই অজুহাত দেখুৱাইছিল যদিও গোস্বামীৰ প্ৰশংসাবাণী শুনি গল্প এটা দিবলৈ তেওঁ ৰাজি হ'ল। এনেতে অশোকাষ্টমী উপলক্ষে ব্ৰহ্মপুত্ৰত গা ধুবলৈ বুলি বিপিন ভট্টাচাৰ্যই আহি যতীন হাজৰিকাক লগ ধৰিলে। ইচ্ছা নাথাকিলেও এৰাব নোৱাৰিহে হাজৰিকা সন্মত হ'ল।

যথা দিনটোত লগৰীয়াৰ সৈতে যতীন হাজৰিকাই ব্ৰহ্মপুত্ৰৰ পাৰত উপস্থিত হ'ল। ভাগে ভাগে মানুহবোৰৰ দ্বাৰা স্নান-সৎকাৰ চলি থকা পৰ্যৱেক্ষণ কৰি তেওঁলোকে পানী যুঁৱলিত লাগি থকা নাও এখনত বহিলগৈ। এনেতে, নাতিদূৰত বুঢ়ী এগৰাকীৰ সৈতে গাভৰু এজনী যতীন হাজৰিকাই প্ৰত্যক্ষ কৰিলে। ছোৱালীজনীৰ ৰূপ-লাৱণ্য লৈ তেওঁলোকৰ মাজত নানা আলোচনা চলিল। ছোৱালীজনীৰ সৈতে কথা পাতিবৰ চল বিচাৰি তেওঁলোকৰ মাজৰ পৰা প্ৰথমতে আনন্দ শইকীয়া আগবাঢ়িল। বুঢ়ীৰ নাতিনীৰ হাতৰ পৰা তামোল খাবৰ বাবে তেওঁলোকে বাঞ্ছা কৰিলেও *"তই আবিয়ৈ ছোৱালীজনীয়ে তামোল কাটি খুৱাব আহিছ? চাওঁ, মোক দে, মই কাটি দিওঁ।"*[১৫] বুলি কৈ বুঢ়ীয়ে তামোল কাটি সকলোকে খুৱালে। কিন্তু, যতীনৰ চাপ্ৰাচী কালিৰামৰ 'আই' সম্বোধনত মন ভাল লাগি বুঢ়ীয়ে তামোল এখন কাটি তাক দিবলৈ নাতিনীয়েকক পাচিলে।

অশোকাষ্টমীৰ স্নান চাই সকলোৱে ঘৰা-ঘৰি গুচি আহিল। ব'হাগ বিহুৰ পিছদিনা ভৱকান্ত গোস্বামীয়ে যতীন হাজৰিকাৰ পূৰ্ব অনুৰোধ মৰ্মে গল্প এটা লিখিবলৈ বহিল। গল্পটোৰ নাম দিলে 'অশোকাষ্টমীৰ স্নান'। 'মালতী'ক নায়িকা হিচাপে লৈ নায়ক তেওঁ নিজেই হ'ল। এনে ভবা-চিন্তাৰ মাজতে বাহিৰৰ পৰা কোনোবাই তেওঁক নাম কাঢ়ি মতা শুনিলে। দৰাচলতে, আনন্দ শইকীয়াই

---

১৫। লক্ষ্মীনাথ ফুকন, 'অশোকাষ্টমীৰ স্নান', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১৫৪

যতীনক লগত লৈ জাঁজীৰ ফালে বিহু চাবলৈ বুলি আহিছে। আনন্দৰ পৰিকল্পনা মতে তেওঁলোকে জাঁজীৰ ইন্সপেক্চন্ বঙলাতে উঠিলগৈ।

সন্ধিয়া সময়। বঙলাত হুঁচৰি গোৱা চাই থাকোঁতে, ডেকা-গাভৰু এহাল ধৰি অনাৰ কথা মানুহ এজনে জনালে। ফুটুকানিৰ মাজত পায় আনন্দ শইকীয়াৰ নিৰ্দেশ মৰ্মে দুয়োকো ডাক-বঙলালৈ অনা হ'ল। ভয়ে ভয়ে হাজিৰ হোৱা ডেকা-গাভৰুহালক চিনি পাবলৈ যতীন হাজৰিকাৰ সৰহ পৰ নালাগিল। কেইদিনমান আগতে ঘৰলৈ যাওঁ বুলি নোহোৱা হোৱা যতীনৰ চাপ্ৰাচী মনিৰাম আৰু অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰৰ পাৰত লগ পোৱা সেই ছোৱালীজনীক দেখি যতীন আৰু আনন্দ একেবাৰে তন্ময় হ'ল। তথাপি, বিচাৰ প্ৰক্ৰিয়াৰ নামত যতীনে ছোৱালীজনীৰ ইচ্ছা-অনিচ্ছাৰ কথা জানিব বিচাৰিলে। ছোৱালীজনীয়ে নিজৰ খুচিমতে মনিৰামৰ সৈতে অহাৰ কথা অৱগত কৰোৱাত, আনন্দই বিচাৰ সামৰিলে আৰু মানুহমখাক যাবলৈ ক'লে। গোট খোৱা মানুহবোৰ জপনা পাৰ হোৱাৰ সময়তে চিগাৰেট এটা হুপি আনন্দই ভাবিলে যে অশোকাষ্টমীৰ স্নানলৈ যোৱা যেন এতিয়াহে সাৰ্থক হ'ল।

এয়াই মূলতঃ গল্পৰ বিষয়বস্তু। গল্পৰ বৰ্ণনা চিত্ৰধৰ্মী। আখ্যানভাগ আমোদজনক, কোনো দাৰ্শনিক ভাৱ-ভঙ্গী নাই; অথচ এক গ্ৰামীন সৰলতা বৰ্তমান।

## মুচী

লক্ষ্মীনাথ ফুকনৰ গভীৰ পৰ্যৱেক্ষণশীলতাৰ ফচল 'মুচী' গল্প। সৰু সৰু মানুহৰ মনৰ সতত্ব আৰু কৰ্মৰ প্ৰতি থকা দায়বদ্ধতা উক্ত গল্পৰ মূল বক্তব্য।

অতুল পাটগিৰিৰ কাৰখানাৰ গেটৰ সমীপতে মুচী এজন আহি সদায় বহেহি। সৰুতে মাক-বাপেকক হেৰুৱাই কেওঁ কিছু নোহোৱা সেই বিহাৰী মুচীজনে নিজৰ কামৰ সঁজুলিবোৰ মেলি গ্ৰাহকলৈ অপেক্ষা কৰে। কাৰখানাৰ মানুহখিনিয়ে তাৰ একমাত্ৰ ভৰসা। গতিকে কাম দিবলৈ অহা কেওজনৰ লগত দাম-দৰ চলিলেও কাকো অবজ্ঞা নকৰি হাঁহিমুখে সি মাত্ৰ কামকে কৰি যায়।

কাৰখানাৰ মেনেজাৰ প্ৰমোদচন্দ্ৰ হাজৰিকা মুচীটোৰ নিয়মীয়া গ্ৰাহক। বহু অসুবিধাৰ সম্মুখীন হ'লেও প্ৰমোদচন্দ্ৰই কাৰখানা এৰা নাই। কাম কৰিব দি মুচীৰ কামৰ নমুনা চাই তেওঁ

আনন্দ পায়। কামৰ মাজে মাজে মুচীটোৱে গুণগুণালে তাৰ অৰ্থ প্ৰমোদচন্দ্ৰই বুজিবলৈ চেষ্টা কৰে। পৰম কৌতুহলেৰে তেওঁ ভাবে যে এই গান মুচীৰ নিজৰ তৃপ্তিৰ, কিবা যুদ্ধ-বিগ্ৰহৰ, বিভ্ৰাট-বিপৰ্যয়ৰ, কোনোবা সপোনপুৰীৰ, বেদনাৰে ভৰা নিৰাশাৰ, নে কাৰুণ্যৰ! সঠিকভাৱে নাজানিলেও ইয়াৰ মাজতে তেওঁ মুচীৰ মনৰ অৱস্থাৰ এক অনুসন্ধান কৰে।

কামত মুচীজন বৰ নিয়মীয়া। কিবা অসুখ হ'লে সি কেইদিনমান কামলৈ নহাকৈ থাকে। সেইখিনি সময়ত সি চলিবলৈ ভালেখিনি অসুবিধা পায়। তথাপি, আনৰ আগত সি সেইবোৰ একোকে নকয়। প্ৰমোদচন্দ্ৰৰ ওচৰ চাপি মূৰ খজুৱাই খজুৱাই কওঁ-নকওঁকৈ কেতিয়াবা সি দহ টকা ধাৰলৈ বিচাৰে। ঘুৰাই নোপোৱাৰ ভয়ত প্ৰমোদচন্দ্ৰই দহ টকা নিদি তাক পাঁচ টকা দি সহায় কৰে। তেওঁ নিবিচাৰিলেও মুচীটোৱে সময় মতে আহে আৰু পাঁচ টকাটো ওভটাই দিয়ে। এই কাৰ্যৰ বাবে প্ৰমোদচন্দ্ৰৰ দৃষ্টিত একালত ধাৰ নি ওভটাই নিদিয়া নন্দতকৈ মুচীজনক উচ্চ যেন লাগে। মলিয়ন চুৰিয়া, তাপলি মৰা কামিজ আৰু ঘুগুলা চেণ্ডেলযোৰেৰে তাৰ মনৰ সততা মেনেজাৰৰ চকুৰ আগত জিলিকি উঠে। এনেহেন হৃদয়ৰ গৰাকী মুচীজনৰ সতে হাঁহি-ধেমালি কৰি থাকিব অহা বিহাৰী ছোৱালীজনীক দেখি প্ৰমোদচন্দ্ৰ সেয়েহে আচৰিত নহয়। বুঢ়া বাপেকৰ মৃত্যুৰ পিছত আশা-ভৰসাৰ বাবে এই মুচীয়ে যে তাইৰ বাবে যোগ্য স্থান, সেই কথাত তেওঁৰ সন্দেহ নাথাকে।

টকা ধাৰলৈ নি সময়মতে ঘুৰাই দিয়াৰ পিছৰে পৰা মুচীৰ প্ৰতি প্ৰমোদচন্দ্ৰৰ ভাল মনোভাৱ গঢ় লয়। সেইবাবে সুবিধা পালেই তেওঁ কামৰ তুলনাত বেছি টকা দি তাক সহায় কৰে। গভীৰ সহানুভূতিৰে প্ৰমোদচন্দ্ৰই ভাবে ইহঁত জীয়াই নাথাকে; কেতিয়াবা এসাঁজ, কেতিয়াবা আধা পেটীয়াকৈ দুসাঁজ খাই ইহঁত বৰ্তি থাকে মাত্ৰ।

থুলমূলকৈ গল্পটোৰ কাহিনী এয়াই। গভীৰ পৰ্যৱেক্ষণশীলতা, আন্তৰিক আৱেগ আৰু সহমৰ্মিতা তথা কৰ্মৰ মৰ্যাদাই গল্পৰ বিষয়বস্তুক এক বিশাল পৰিমণ্ডল প্ৰদান কৰিছে।

**মৰমৰ মাধুৰী**

লক্ষ্মীনাথ ফুকনৰ এটি উল্লেখযোগ্য চুটিগল্প 'মৰমৰ মাধুৰী'। গল্পটোৰ পটভূমি স্বাধীনতাপূৰ্ব সমাজ।

চহৰৰ মান্যৱন্ত লোক ৰায় বাহাদুৰ বৃকোদৰ চন্দ্ৰ হাজৰিকা। তেওঁৰ ভাগিনীয়েক হ'ল

গৌতম আৰু ড্ৰাইভাৰ হ'ল মানিক। ৰায়বাহাদুৰনীৰ হাত ধৰা আৰু দুই সন্তানৰ প্ৰতিপালক 'মাখনী' সেই একেখন ঘৰৰে বাসিন্দা। আচলতে মাখনী হ'ল ৰায়বাহাদুৰনীৰ আধা বান্দী আৰু আধা ভনী। তাৰ পিছতো কিন্তু মাখনীয়ে ৰায়বাহাদুৰনীৰ চৰ,ভুকু আৰু কিল সহিবলগীয়া হয়। তথাপিতো মাখনীৰ মুখত সদায়ে এটা হাঁহী বিৰিঙি থাকে।

ৰায়বাহাদুৰৰ ভাগিনীয়েক গৌতম। তেওঁৰ ভাৰ-ভঙ্গীত মাখনীৰ প্ৰতি সহানুভূতিশীলতা দেখা যায়। মাখনীৰ পাণি প্ৰাৰ্থী মানিকে তাইক কৰ'বালৈ নিব খুজিলত গৌতমৰ শুভকামনা থাকে যে মানিকৰ সতে তাই যেন সুখী হয়। ৰায়বাহাদুৰনীৰ পৰা ৰক্ষা পৰিবলৈ মানিক আৰু মাখনী যি ওলায় গ'ল, পিছত আৰু তেওঁলোক উভতি নাহিল। গৌতমে মোমায়েক ৰায়বাহাদুৰৰ চাহ বাগানৰ দায়িত্ব লৈ বাগান চলোৱাত আত্মনিয়োগ কৰিলে। গৌতমে বেছি দিন মোমায়েকৰ ঘৰত থাকিব নোৱাৰিলে। বিশেষকৈ ৰায়বাহাদুৰৰ মৃত্যুৰ পিছত ৰায়বাহাদুৰনীৰ আগত তিষ্ঠিব নোৱাৰি গৌতমে কলিকতীয়া ডাঙৰ কোম্পানীত কাম ল'লে।

চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছতো গৌতমে নিজৰ নামত এডোখৰ মাটি কৰিব নোৱাৰিলে। তথাপি ভৱিষ্যতৰ কথা ভাবি অলপকৈ হ'লেও এডোখৰ মাটি নিজৰ নামত কিনি থবলৈ তেওঁৰ মন হ'ল। এনেতে অফিচৰ কেৰাণী এজনে মাটি বেচিব খোজাৰ সংবাদটো বন্ধু নাৰায়ণ ফুকনে আহি তেওঁক দিলেহি। গতিকে, দাম-দৰ খাটাং কৰিবলৈকে মাটিৰ গৰাকী প্ৰবোধৰ ঘৰত গৈ গৌতম উপস্থিত হ'ল। এনেতে ঘৰৰ ভিতৰৰ পৰা যিগৰাকী মহিলা ওলায় আহিল, তেওঁক দেখিহে গৌতম আচৰিত হ'ল। মাখনীয়েও গৌতমক চিনিব পাৰি ভৰি চুই সেৱা কৰিলে। দীৰ্ঘ বিৰতিৰ পিছত লগ পোৱা আত্মীয় মানুহৰ দৰে মাখনী আৰু গৌতমে বহু সময় কথা পাতিলে। কথা যেন শেষেই নহ'ব, তথাপি মাখনীৰ ফালৰ পৰা আন এদিনৰ বাবে নিমন্ত্ৰণ গ্ৰহণ কৰি গৌতম ঘৰলৈ উভতিল।

ভবা মতে টকা যোগাৰ কৰিব নোৱাৰি এবিঘাৰ ঠাইত গৌতমে তিনি কঠা মাটি লোৱাৰ কথা ভাবিলে। মাখনীৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ আহোঁতে গৌতমে তিনি কঠাৰ দাম লগত লৈ আহিল। পিছে পুতেক প্ৰবোধে কোৱাৰ ধৰণে বেছি দাম ল'বলৈ অস্বীকাৰ কৰি মাখনীয়ে এবিঘা মাটিৰ মূল দাম মাত্ৰ পাঁচশ টকাতে মাটি বিঘা ল'বলৈ ক'লে। উচিত দাম নিদি কম দামত মাটি ল'ব লগা কথাটোক গৌতমে অন্যায় জ্ঞান কৰিলে। অৱশ্যে মাখনীয়ে এই কথাত সন্মত নহ'ল। থোকাথুকি

মাতেৰে মাখনীয়ে ক'লে - *"একো অন্যায় নহয়। আপুনি মোক ইমান পৰ ভাবে নে? মাটি আপুনি ল'বই লাগিব, ল'বই লাগিব আপুনি। আপুনি আৰু একো নক'ব। মই আৰু একো নুশুনো, একো নুশুনো-নুশুনো-নুশুনো-নুশুনো।"* [১৬]

চমুকৈ এইখিনিয়ে 'মৰমৰ মাধুৰী' চুটিগল্পটোৰ বিষয়বস্তু। বহু ঘটনাৰ সমাৱেশ আৰু তাৰ পৰিমিত ব্যাখ্যা, মনোৰম পৰিবেশ চিত্ৰণ, চৰিত্ৰৰ স্বভাৱসিদ্ধ কাৰ্যপ্ৰণালী আৰু সামৰণিৰ ইংগিতময়তাই গল্পটোৰ কাহিনীভাগক চুটিগল্পৰ স্বাভাৱিকতা প্ৰদান কৰিছে। গল্পৰ ভাষা বলিষ্ঠ আৰু সহানুভূতি উদ্ৰেককাৰী।

**পূজাৰ কাপোৰ**

অসমৰ বান পীড়িতৰ সমস্যা প্ৰতিফলনেৰে লক্ষ্মীনাথ ফুকনে 'পূজাৰ কাপোৰ' চুটিগল্পটো ৰচনা কৰিছে।

থানেশ্বৰ আৰু ডালিমী এহাল দুখীয়া দম্পতী। পুত্ৰ পোনাকনৰ সৈতে তেওঁলোকৰ এখন সুখৰ সংসাৰ আছে। অৱশ্যে অৰ্থৰ অভাৱেহে তেওঁলোকক মাজে মাজে আহুকালত পেলায়। বিশেষকৈ বিহু উপলক্ষে পোনাকনক কাপোৰ দিব নোৱাৰা কথাটোৱে ডালিমীক বৰ দুখ দিয়ে। তাতে আকৌ গিৰিয়েক থানেশ্বৰৰ অসুখ হোৱাত ডালিমীয়ে বৰ নিৰুপায় বোধ কৰে। ডালিমীয়ে ভাবে যে পূজাৰ কাপোৰ দিয়া বা লোৱাতকৈ নিজৰ শিৰত সেন্দুৰকণ লৈ থাকিব পৰাটোহে ডাঙৰ কথা।

প্ৰতি বছৰে অহাৰ দৰে এইবাৰো আহুকলীয়া বানপানীটো আহিল। হুৰ্ হুৰ্ শব্দ শুনি উঠি বহে মানে ডালিমীৰ ঘৰৰ ভিতৰত পানীয়ে ভিৰ কৰে। কতো কিমান ৰাজনীতিক আৰু বিশেষজ্ঞ আহিল আৰু বানপানীৰ সমাধান সুত্ৰ দি গ'ল; তথাপি কোনো এটা সুত্ৰয়ে ডালিমীৰ ঘৰ-দুৱাৰ বচাব নোৱাৰিলে। সেয়েহে এহাতে টিনৰ বাকচ আৰু আনখন হাতেৰে পোনাকনক সাৱতি ডালিমীয়ে পানী ভাঙি আগলৈ যাব ধৰিলে। কিছুদূৰ গৈ সম্মুখত এডাল ডাঙৰ গছ দেখা পায় তাৰ তলতে পোনাকনক সাৱতি ডালিমী বহি পৰিল।

গছৰ তলত বহি থাকোঁতে ডালিমীৰ মনত ভয়ে বাহ ললে। পশু-পক্ষীতকৈ সেই ভয় পিছে

---

১৬। লক্ষ্মীনাথ ফুকন, 'মৰমৰ মাধুৰী', মৰমৰ মাধুৰী, পৃ. ২০

মানুহলৈহে। মানুহলৈ ভয় কৰিলেও পিছে সেই মানুহেই তাইক গছৰ তলৰ পৰা আনি মথাউৰিৰ ওপৰত থাপিলে। মথাউৰিত ইমানবোৰ মানুহ একেলগে দেখি ডালিমীয়ে সকাহ পালে আৰু পৃথিৱীত বেয়াৰ সমানে ভাল মানুহো যে আছে; সেই কথাটোৱে ডালিমীৰ মনত আনন্দ দিলে।

মথাউৰিত থকা সময়খিনিত ডালিমীহঁতক উদ্দেশ্যি কোনোবাই খাদ্য-সম্ভাৰ আৰু কোনোৱে কেৱল প্ৰতিশ্ৰুতি দিলে। সকলোৰে যেন ব্যক্তিগত স্বাৰ্থ পূৰণৰ আকাংক্ষা। যা হওঁক, বানপীড়িত সকলক পৰিদৰ্শন কৰোঁতে উকিল দুৰ্লভ চন্দ্ৰ শইকীয়াই থানেশ্বৰ আৰু পত্নী ডালিমীক দেখা পালে। এই শইকীয়াৰ ঘৰতে থানেশ্বৰে কাম কৰা মানুহ হিচাপে দীৰ্ঘদিন আছিল। গতিকে, দুৰ্লভ চন্দ্ৰ শইকীয়াই তেওঁলোকক নিজৰ ঘৰলৈ নিব খোজাত দুয়ো যাবলৈ সাজু হ'ল।

দুৰ্লভ চন্দ্ৰ শইকীয়াইৰ ঘৰত থকা থানেশ্বৰৰ বহুদিন হ'ল। সেয়েহে তেওঁ অনুভৱ কৰিলে যে দুৰ্লভ চন্দ্ৰ শইকীয়াইৰ পিতাকৰ দিনৰ দৰে কথাবোৰ একে হৈ থকা নাই। দূৰ্লভৰ পত্নীয়ে ডালিমীক কেৱল চাকৰণী জ্ঞান কৰি আহিছে বাবে এই কথাটোত থানেশ্বৰৰ বৰ দুখ। সেয়েহে পূজাৰ পিছতে এই ঘৰ এৰি যোৱাটোকে সি ঠিক কৰিলে। থানেশ্বৰে ভাবে যে নিঃকিন হ'লেও তাৰ এটা আত্মসন্মান আছে। এনেতে পূজাৰ কাপোৰক কেন্দ্ৰ কৰি ল'ৰা-ছোৱালীৰ মাজত কাজিয়া লগাত, তেওঁ পুনৰ এবাৰ আঘাত পালে। পোনাকনে সৌৰভহঁতৰ চোলাটো চুই চাব খোজোতে দুৰ্লভ চন্দ্ৰ শইকীয়াইৰ পত্নীৰ দ্বাৰা যি কটু কথা শুনিলে ; তাৰ পিছত ডালিমী আৰু থানেশ্বৰৰ মন ভাঙি গ'ল। ডালিমীৰ ভাৱ হ'ল - *"ইমান লাজ অপমান পোৱাতকৈ মৰি যোৱা হ'লেই ভাল আছিল। কিন্তু তাই যে মৰিবও নোৱাৰে। গিৰিয়েক আৰু পোনাকনক এৰি তাই মৰিব কেনেকৈ?"*[১৭]

থানেশ্বৰ আৰু ডালিমীয়ে বুজি পালে যে মুখত মিঠা মাত মাতিলেও দুৰ্লভ চন্দ্ৰ শইকীয়া আৰু পত্নী শৰ্ম্মিলাৰ দৰে মানুহে তলে তলে ফন্দি ঠিকেই কৰে।

গল্পটোৰ চৰিত্ৰসমূহ পৰিস্থিতিৰ দাস। ইয়াত পূজাৰ কাপোৰ আৰু বানপানী দুটা ভিন্ন পৰিস্থিতি হৈও সমাপ্তিত এক হৈ পৰিছে। বৰ্ণনা পোনপতীয়া আৰু সংলাপ সহানুভূতি উদ্ৰেককাৰী। কাহিনীৰ গৰ্ভমূলত তথাকথিত ধনীলোকৰ মনৰ কালিমা আৰু নিঃকিন মানুহৰ মনৰ প্ৰাঞ্জলতা পৰিলক্ষিত হৈছে।

---

১৭। লক্ষ্মীনাথ ফুকন, 'পূজাৰ কাপোৰ', আনন্দে নধৰে হিয়া, পৃ. ২০৭

**শেষ আশ্ৰয়**

'শেষ আশ্ৰয়' গল্পটোৰ পটভূমি ঊনবিংশ শতিকাৰ নগৰীয়া সমাজ। স্বাৰ্থপৰতাৰ বিপৰীতে নিঃস্বাৰ্থ মানৱপ্ৰেম গল্পটোৰ মুখ্য বিষয়।

কুমুদেশ্বৰে গাঁৱৰ পৰা কাম বিচাৰি আহি নগৰত আশ্ৰয় ল'লে। বন্ধু ক্ষীৰদাকান্তই কুমুদেশ্বৰক লগত লৈ গৈ গোবিন্দ প্ৰসাদৰ প্ৰেছত কাম এটা দিয়ালে। সময় যোৱাৰ লগে লগে কুমুদেশ্বৰ যক্ষ্মা ৰোগত আক্ৰান্ত হ'ল।

বায়েকৰ ঘৰত আশ্ৰয় লৈ চিকিৎসাৰ ব্যৱস্থা কৰোঁ বুলি কুমুদেশ্বৰে ভাবিলে যদিও বায়েকৰ ঘৰ পোৱাত তেওঁ বৰ নিৰাস হ'ল। ততাতৈয়াকৈ খাবলৈ দি বায়েক পৱিত্ৰীয়ে কুমুদেশ্বৰক বিদায় দিবৰ যো-জা কৰিলে। । উপায় নেপায় তেওঁ শ্বিলঙত থকা ককায়েকৰ ওচৰলৈকো গ'ল; কিন্তু ঘৰত বুঢ়ী মাকক চোৱা-চিতা আৰু যক্ষ্মাৰ সহায়ক গাঁৱৰ নৈপৰীয়া জলবায়ুৰ দোহাই দি হৰেশ্বৰে কুমুদেশ্বৰক গাঁৱলৈ পঠিয়াই দিলে। শ্বিলঙৰ হাস্পাতালত যক্ষ্মাৰ চিকিৎসা কৰাবৰ বাবে কুমুদেশ্বৰে হৰেশ্বৰক বহু অনুনয়-বিনয় কৰিলে যদিও হৰেশ্বৰ নিজৰ মতত অলৰ-অচৰ হৈ থাকিল। মাহে মাহে ঘৰলৈ টকা পঠোৱাৰ অঙ্গীকাৰ কৰা হৰেশ্বৰৰ পৰা টকা অহা অকস্মাৎ বন্ধ হৈ থাকিল।

ঘৰৰ মানুহৰ দ্বাৰা প্ৰত্যাক্ষিত হৈ কুমুদেশ্বৰে প্ৰেছৰ মালিক গোবিন্দ প্ৰসাদৰ পৰা সহায় বিচাৰিলে। নোমটেঙৰ গোবিন্দ প্ৰসাদে কৌশলেৰে এই কাৰ্যৰ পৰা বিৰত থাকিল। লাগিলে চুটি মঞ্জুৰ কৰিব তথাপি শ্বিলঙৰ হাস্পাতালত এটা চিট কুমুদেশ্বৰৰ বাবে তেওঁ যোগাৰ কৰি নিদিলে। ককায়েকৰ ওচৰলৈ যোৱাৰ পৰামৰ্শ দি আৰু শেষত এৰাব নোৱাৰি গোবিন্দ প্ৰসাদে এমাহৰ সম্পূৰ্ণ দৰমহা দি কুমুদেশ্বৰক চুটি মঞ্জুৰ কৰিলে। কুমুদেশ্বৰক তেওঁ সহায় কৰিব নোৱাৰাৰ যুক্তি এনেধৰণৰ - *"ককাইদেৱেৰা হৈছে চৰকাৰী বিষয়া। ৰীড চেষ্ট হস্পিতালত তেওঁৰ কথা যিদৰে ৰজিব বা তেওঁ ৰজাব পাৰিব তেনেদৰেতো মই নোৱাৰিম। সেই বিষয়ে তেওঁৰ হাত দীঘল, মোৰ হাত চুটি।"*[১৮]

এনেদৰে সকলোৰে পৰা প্ৰত্যাক্ষিত হৈ কুমুদেশ্বৰে দিনৰ দিনটো ঘূৰি কটালে। ডাকঘৰৰ বাৰাণ্ডাত ৰাতিটো কটাব খুজিলে যদিও তাৰ পৰা কোনোবাই তাক খেদি দিলে। অৱশেষত কামৰূপ

---

১৮। লক্ষ্মীনাথ ফুকন, 'শেষ আশ্ৰয়', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১৪৪

একাডেমিৰ বাৰাণ্ডাতে সি ৰাতিৰ আশ্ৰয় ল'লে। ৰাতিপুৱা সাৰ পায় কুমুদেশ্বৰে গৃহহীন ভিক্ষাৰীৰ সৈতে দলঙৰ তলত থাকিব খুজিলে; কিন্তু আত্মসন্মানবোধৰ বাবে তাতো সি থাকিব নোৱাৰিলে। জীৱনৰ প্ৰতি চৰম অনীহা ভাৱত আত্মহত্যা কৰিব খুজি তাতো সি ফলৱতী নহ'ল। অৱশেষত কুমুদেশ্বৰে নৱগ্ৰহ স্মশানৰ পৰিত্যক্ত ঘৰটোত থাকিবলৈ ঠিক কৰিলে। এই সময়ছোৱাত এজন নেপালীয়ে তাক পানী আৰু খাদ্যৰ যোগান ধৰিলে। সাংবাদিকে তাৰ কাহিনী প্ৰকাশ কৰি মুনাফা লাভৰ চেষ্টা কৰি বিফল হ'ল। ইতিমধ্যে একালৰ বন্ধু ক্ষীৰদাকান্তই গাঁৱৰ পৰা উভতি আহি কুমুদেশ্বৰক বিচাৰি উলিয়ালে। জীৱন মৰণৰ যুঁজত ক্ৰমে হাৰ মানিব ওলোৱা কুমুদেশ্বৰৰ সন্মুখত তেওঁ গৈ হাজিৰ হ'ল। আন মানুহৰ দৰে ক্ষীৰদাকান্তই দুখ প্ৰকাশ নকৰিলে, সহানুভূতি নেদেখুৱালে আৰু হা-হুতাহো নকৰিলে। মাত্ৰ 'ওলা' বুলি জোৰকৈ ৰিক্সাত তুলি পান বজাৰত থকা তেওঁৰ নতুন ভাৰাঘৰলৈ লৈ আহিল। এনেদৰে স্মশানত 'শেষ আশ্ৰয়' ল'ব খোজা কুমুদেশ্বৰে বন্ধু ক্ষীৰদাকান্তৰ মৰমৰ মাজত 'শেষ আশ্ৰয়' বিচাৰি পালে।

মানুহৰ ওপৰত পৰিস্থিতিৰ প্ৰভাৱ গল্পটোত বিবৃত হৈছে। তীৰ্যক কিছু আছে আৰু সিয়ে পৰিবেশক অধিক গম্ভীৰ কৰি তুলিছে। এফালে আধুনিকতা আনফালে মুমূৰ্ষু মানৱতা গল্পটোত স্পষ্ট হৈ পৰিছে।

**সেই দিন আৰু নাই**

'সেই দিন আৰু নাই' গল্পটো পুৰণি সমাজ আৰু নতুন সমাজৰ তুলনামূলক ব্যাখ্যাৰে আৰম্ভণি হৈছে।

ত্ৰিলোচনে নগৰত থাকি চাকৰি কৰে। বহুদিনৰ মূৰকত গাঁৱৰ মোমায়েকৰ ঘৰলৈ আহিছে। একালত তেওঁ ডাঙৰ হোৱা গাঁওখনলৈ সোমোৱা আলি-পদুলিৰ আমূল পৰিৱৰ্তনে ত্ৰিলোচনক অতীতলৈ মনত পেলায় দিলে। ত্ৰিলোচনৰ ককাদেউতাক বাগানৰ বৰমহৰি আছিল। পুতেকৰ বিয়ালৈ তেওঁ ভালেকেইটা হাতী যোগাৰ কৰিছিল। এটা হাতী আহি পাওঁতে পলম হোৱা কথাত খঙাল হৈ বৰমহৰিয়ে তিনিমাহৰ ভিতৰতে এটা হাতী কিনি আনিছিল। নতুন বোৱাৰীৰ কপালেৰে হাতী অহা বুলি বহুতে অৱশ্যে শলাগিছিল।

ত্ৰিলোচনৰ মনত পৰিল যে নতুন বোৱাৰী যমুনেশ্বৰীৰ আগমনে ঘৰখনলৈ বহুখিনি পৰিবৰ্তন আনিছিল। দুৱাৰ খিৰিকিত পৰ্দা ওলমিছিল আৰু লাৰু-পিঠা, বোকা চাউলৰ ঠাই

লুচি ভাজিয়ে লৈছিল। তাৰ বাবে নগৰৰ পৰা বেলনা আৰু বেলনা মাৰি অনাই লোৱা কথাটো ত্ৰিলোচনৰ মনত পৰি গ'ল। নগৰীয়া ছোৱালী আধুনিকা যমুনেশ্বৰীয়ে লগত লৈ অহা পালেংখন বৰমহৰিৰ ঘৰত নতুন বস্তু আছিল। এইহেন যমুনেশ্বৰীৰ সৈতে মোমায়েক কৃষ্ণৰামৰ মতৰ অমিল হ'ল। মানুহে বহু কথাই ক'লে, আনকি মোমায়েক কৃষ্ণৰামক আন ছোৱালী বিয়া কৰাবৰ দিহা দিওঁতা লোকো ওলাল। অৱশ্যে পলমকৈ হ'লেও দুয়োৰো মিল হ'ল।

গাঁৱলৈ অহাৰ বাটত ত্ৰিলোচনৰ আৰু বহু কথাই মনত পৰিল। বিশেষকৈ, ময়নীৰ লগত অহা নন্দেক আৰু যমুনেশ্বৰীৰ পৰিপাটি সাজ পাৰৰ কথা তেওঁৰ মনত ভাহি উঠিল। বুঢ়ীমাক বৰমহৰিণীয়ে এবাৰ ত্ৰিলোচনক বোৱাৰীয়েকৰ গাত থকা লেঠাৰ কথা কৈছিল, অথচ সেই বুঢ়ীমাক আজি জীয়াই থকা নাই। তেওঁৰ মৃত্যুত বৰমহৰি বৰ অকলশৰীয়া হ'ল। এদিন এই বৰমহৰিও ঢুকাল আৰু তেতিয়াৰ পৰা ত্ৰিলোচনে মোমায়েকৰ ঘৰলৈ অহা কমাই দিলে। তথাপি এতিয়া মোমায়েকৰ ঘৰলৈ আহি ত্ৰিলোচনৰ বহু কথাই মনত পৰিল। বিশেষকৈ পুনি পৰা পুখুৰীটো, এবাৰ 'আই' ওলোৱাত বুঢ়ী মাকে তাক কৰা আদৰ- সাদৰ, পাৰৰ জোল যোগাৰ কৰি খুৱাই তাক কৰা আপ্যায়ন, 'আই'ৰ হুকুমত মোমায়েকৰ দ্বাৰা পাৰৰ জোল ভক্ষণ আদি সকলো কথা সোঁৱৰণীৰ বুকুৰ পৰা তাৰ মনত ভাহি উঠিল। আজি বহুদিনৰ মূৰকত আহি ত্ৰিলোচনে মাত্ৰ বুঢ়া মোমায়েককহে লগ পালে। মোমায়েক কৃষ্ণৰামৰ মুখেৰে ত্ৰিলোচনে যি শুনিলে তাৰ পৰা বুজা গ'ল যে পুত্ৰ জীৱনৰাম আৰু বোৱাৰীৰ কাম-কাজত কৃষ্ণৰাম আজি সন্তুষ্ট নহয়। অথচ ত্ৰিলোচনে নগৰলৈ লগত লৈ যাব খোজা সত্বেও মোমায়েকে যাব নুখুজিলে। ত্ৰিলোচনক তেওঁ কয় - *"সিহঁতক এৰিব পাৰিলেও মই মোৰ গাঁওখন এৰিব নোৱাৰোঁ। এই গাঁৱতে উপজিছো, এই গাঁৱতে মৰিমো। তই বেয়া নেপাবি তিলু, তোৰ তালৈ মই যাব নোৱাৰিম।"* [১৯]

এয়াই মূলতঃ গল্পৰ কাহিনীভাগ। গল্পটোৰ ঘটনাক্ৰম বহু তৰপীয়া। ঘটনাৰ বুকুত ঘটনা বহুৱাই প্ৰসঙ্গক্ৰমে সকলো দিশকে ইয়াত ব্যাখ্যা কৰা হৈছে। বহু পৰিবেশৰ প্ৰসঙ্গ, বহু চৰিত্ৰৰ সমাগম আৰু একাধিক তুলনাই কাহিনী ভাগক প্ৰয়োজনতকৈ দীঘল কৰা যেন লাগে। তথাপি, অতীতৰ দিন-ৰাতি লিৰিকি চাব পৰাৰ সুবিধাই পাঠক চিত্ত আলোড়িত কৰে।

১৯। লক্ষ্মীনাথ ফুকন, 'সেই দিন আৰু নাই', আশাত উৎফুল্ল প্ৰাণ, পৃ. ৮১

## ২.১.২ চৰিত্ৰপ্ৰধান চুটিগল্প

**ডাক্তৰ**

কল্যাণপুৰৰ জনপ্ৰিয় ডাক্তৰ নাৰায়ণ চলিহা। তেওঁক নজনা মানুহ নাই বুলিবই পাৰি। সৎ আৰু নিষ্ঠাবান চিকিৎসক বুলিলে ডাক্তৰ নাৰায়ণ চলিহাৰ নাম সকলোৰে মুখে মুখে শুনা যায়। এনেহেন কৰ্তব্যপৰায়ণ ডাক্তৰ চলিহাৰ মৃত্যুত বন্ধু বিভূতি হাজৰিকাই দুখ প্ৰকাশ কৰিছে। তেওঁৰ পুতেকৰ বিয়াত নিজে খবৰ লৈ নাৰায়ণ চলিহাই যে ৰভাৰ বাবে টিনপাত আৰু দৰাৰ বাবে মটৰ গাড়ী ঠিক কৰি দিছিল— সেই কথাই তেওঁক বৰ আমনি কৰিলে।

কলেজীয়া দিনৰে পৰা বিভূতি হাজৰিকা আৰু নাৰায়ণ চলিহা ভাল বন্ধু আছিল। সেয়েহে নাৰায়ণ চলিহাক বিভূতি হাজৰিকাই ভালকৈয়ে চিনিছিল।

ডাক্তৰ চলিহাৰ সৈতে জোৰ মাৰিব পৰা ডাক্তৰ দ্বিতীয় এজন কল্যাণপুৰত নাছিল। বেমাৰী চাওঁতে-চাওঁতে তেওঁৰ সময়মতে খোৱা-পিন্ধা নহৈছিল। নিজে জধলা আছিল যদিও ল'ৰা-তিৰোতাক তেওঁ ভালকৈয়ে পিন্ধাইছিল। আচলতে, বেমাৰীৰ সংখ্যাৰ তুলনাত টকা কম পালেও তেওঁৰ বাবে সেয়াই উভৈনদী আছিল। ইয়াৰ মূলতে হ'ল ডাক্তৰ হিচাপে তেওঁৰ বহুল জনপ্ৰিয়তা। জিলা কংগ্ৰেছৰ বছৰেকীয়া অধিৱেশনত যোগদান কৰিবলৈ ডাক্তৰ চলিহা কল্যাণপুৰত উপস্থিত হ'ল। ৰোগীৰ আকস্মিক উপস্থিতিয়ে তেওঁক চিকিৎসা প্ৰদান কৰিবলৈ বাধ্য কৰালে। আনকি পিছদিনাও আনৰ চোতাল আৰু বাঁহনিৰে গৈ তেওঁ ঘৰে ঘৰে ৰোগী চালে। পিছে ৰোগী চাই পোৱা সকলোখিনি টকা জিলা কংগ্ৰেছ সমিতিৰ সম্পাদক পূৰ্ণানন্দ বৰাক দি থৈ আহিল। আনকি ডাক্তৰ অৰণী চক্ৰৱৰ্তীৰ হাতত ভুল চিকিৎসাৰ বলি হোৱা সেউতী দুৱৰাকো সু-চিকিৎসা প্ৰদান কৰি ডাক্তৰ চলিহাই চিকিৎসকৰ নৈতিক দায়িত্ব পালন কৰিলে।

এৰি অহা দিনৰ কথাবোৰ বিভূতি হাজৰিকাৰ ভালদৰে মনত আছে। পঢ়ি থকা দিনত ডাক্তৰ চলিহা কম ৰোমাণ্টিক আছিল নে? গুপুতে-গুপুতে লীলা-খেলা চলালেও, সেই ৰমণী গুৰুকন্যা বুলি জানিব পাৰি তেওঁ নিজৰ মেচ পৰ্যন্ত সলনি কৰিছিল। তথাপি এইবোৰ কথাত হাজৰিকা সিমান আচৰিত হোৱা নাই। অৱশ্যে, বিয়াৰ পিছদিনাখনৰ খোৱা- খুৱনীৰ কথাটো অলপ সুকীয়া হ'ব। সেই ৰাতিৰ কথাবোৰ বিভূতি হাজৰিকাৰ স্পষ্টকৈ মনত পৰিল। নৱ পৰিণিতা কইনাক এৰি ডাক্তৰ চলিহাই ৰোগী চাবলৈ গ'ল আৰু ৰাতি দোভাগতো ঘূৰি নাহিল। শেষ ৰাতি

যিওবা ডাক্তৰ চলিহা উভতি ঘৰ পালে, 'পৰাণপ্ৰিয়' স্বামীক চিন্তি ন-কইনা ইতিমধ্যে টোপনিত লালকাল দিলে।

এয়াই 'ডাক্তৰ' চুটিগল্পৰ বিষয়বস্তু। গল্পটোত কোনো নীতি বচন নাই। বিষয় বিবৰণত গভীৰ পৰ্যৱেক্ষণশীলতা প্ৰকাশ পাইছে। ভাষা সৰল আৰু প্ৰচুৰ প্ৰকাশিকা শক্তিৰে সমৃদ্ধ।

**নতুন জীৱন**

'নতুন জীৱন' গল্পটো মানৱীয় প্ৰমূল্যবোধৰ ভিত্তিত ৰচিত। ৰোযেশ্বৰ খাটনিয়াৰৰ মাজু জীয়েক বিমল। ল'ৰা এজনৰ লগত পলাই যাব ওলাওতে ধৰি অনাৰে পৰা তাই এতিয়া ঘৰতে আছে। বাপেকৰ প্ৰতিপত্তিৰ বাবে এই কথা বাহিৰত বেছিকৈ নোলাল। এতিয়া, উপযুক্ত দৰা এজনৰ বাবে সকলোৰে অপেক্ষাৰত।

বিমলৰ বাবে ভাল দৰাৰ খবৰ আহিবলৈ ধৰিলে। পিছে বিয়াৰ বিনিময়ত দহ হেজাৰ টকাৰ চৰ্ত দিয়া মাধৱ তালুকদাৰে *"আগতে টকা, পিছত বিয়া"*[২০] ৰ ব্যতিৰেক নকৰে। গতিকে বহু বাক্-বিতণ্ডাৰ ফলত মাধৱ আৰু বিমলৰ বিয়াখন হ'ব খুজিও নহ'ল।

ৰোযেশ্বৰ খাটনিয়াৰৰ হৈ থকা অসুখটো বাঢ়ি আহিল। খবৰ লোৱা মানুহেৰে তেওঁলোকৰ ঘৰ ভৰি পৰিল। তথাপি কাৰোৱে শুশ্ৰূষাই তেওঁক ধৰি ৰাখিব নোৱাৰিলে, অৰ্থাৎ খাটনিয়াৰ ঢুকাল। মৃতকৰ আত্মাৰ চিৰশান্তিৰ বাবে শ্ৰাদ্ধ আদিৰ লগতে বাতৰিত বিবৃতি এটা দি খবৰ লোৱা সকলোকে পৰিয়ালৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল। এইখিনিতে মোমায়েক নবীন আহি বিমলহঁতৰ ঘৰত থাকি পঢ়িবলৈ ল'লে। নিঃসঙ্গ বিমলেও সাধু শুনা, চিনেমা চোৱা আৰু পঢ়া শিকোৱা লগৰীয়া হিচাপে নবীনক পায় ভাল পালে। দিন গৈ থাকিল আৰু এদিন নাও ডুবাই নবীন পলাল। মাতৃত্বৰ চিন আনৰ চকুত ধৰা পৰাৰ আগতে বিমলে মাকৰ আগত সকলো কথা বিবৰি ক'লে। অনাকাংক্ষিত এই ঘটনাৰ পৰা উপায়ৰ কথা ভাবি ঘৰ ঘৰোৱাহ বৰ বিমোৰত পৰিল।

ৰোযেশ্বৰ খাটনিয়াৰৰ একালৰ বন্ধু বৰকৎ আলি। তেওঁক অভিভাৱক হিচাপে লৈ বিমলক কলিকতালৈকে নিবৰ বাবে দদায়েক কুমুদেশ্বৰে মন কৰিলে। ভবা মতে কলিকতাত থকা-খোৱাৰ সকলো বন্দোবস্ত কৰা হ'ল। দদায়েক কুমুদেশ্বৰে গৰ্ভপাতৰ কথা ভাবিছিল যদিও বৰকৎ আলিয়ে

২০। লক্ষ্মীনাথ ফুকন, 'নতুন জীৱন', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ২২

ইয়াৰ ঘোৰ বিৰোধীতা কৰিলে। অৱশেষত প্ৰসৱৰ বাবে যিমান দিনৰ প্ৰয়োজন, সেই দিনলৈ তাত থকাৰ ব্যৱস্থা কৰি দি কুমুদেশ্বৰ ঘৰলৈ উভতি আহিল।

একালৰ সুখ-আনন্দই যে এতিয়া দুখৰ কাৰণ হ'ল- এই কথা ভাবি গভীৰ অপৰাধবোধত বিমলৰ কেতিয়াবা আত্মহত্যা কৰিবলৈ মন যায়। বৰকৎ আলিয়ে বুজনি দিয়ে - *"বহুতৰে ভুল হয়, তোৰো হ'ল। ভুলে চুকেহে মানুহ। মন ডাঠ কৰা আই, সকলো ঠিক হৈ যাব।"*[২১]

কলিকতাৰ ডাক্তৰৰ সহায়ত বিমলৰ সমস্যাৰ সমাধান হ'ল। বৰকৎ আলি নিজৰ ঘৰলৈ গুচি গ'ল। ঘৰলৈ ঘূৰি অহা বিমলে কোনোবাই কিবা কথা সোধে বুলি ভয় খোৱা হ'ল যদিও কোনোৱে তাৰ উৰাদিহ যে নাপালে, সেয়া তাই গম পালে।

বিমলৰ স্বাস্থ্য লাহে লাহে ভাল হ'বলৈ ধৰিলে। বিয়াৰ কথা চিন্তা কৰোঁতে দৰা এজন ওলাল। শিলঙৰ চেক্ৰেটাৰীয়েটৰ এটা আপাৰ ডিভিজনৰ এচিষ্টেণ্ট বৈকুণ্ঠনাথ বৰুৱাৰ লগত বিমলৰ বিয়া হৈ গ'ল। ছমাহ পিছত বৰকৎ আলিয়ে শ্বিলঙলৈ গৈ বিমলৰ তাত খায়-বৈ আহিল। শ্বিলং ঘুৰি অহাৰ কেইদিনমান পিছতে এটা মটৰ দূৰ্ঘটনাত বৰকৎ আলি হাস্পাতালত ঢুকাল। বিমলে বৰকৎ আলিক আহি দেখা নাপালে।

মাকৰ সান্ত্বনাই বিমলৰ মনৰ দুখ কমাব নোৱাৰিলে। কেনেকৈনো নাকান্দি থাকিব পাৰে বিমলে। জন্মদাতা পিতৃৰ পিছত এই বৰকৎ আলিয়ে যে তাইৰ নতুন জীৱন দিয়া আন এজন দেউতাক আছিল ।

'নতুন জীৱন' গল্পটোত একাধিক ঘটনাৰ সমাৱেশ মন কৰিবলগীয়া। অৱশ্যে, ঘৰুৱা কথা-বতৰাই বৰ্ণনাক আগবঢ়ায় নিয়া বাবে কাহিনীভাগ ৰসাল হৈ পৰিছে। সংলাপ চৰিত্ৰ অনুগ আৰু মাজে মাজে চিত্ত চমৎকাৰী। বৰ্ণভেদহীন এক সম্প্ৰীতিৰ বাণীয়ে গল্পবস্তুক আদৰণীয় কৰি তুলিছে।

**মেধি**

'মেধি' গল্পৰ বিষয়বস্তু সৰল আৰু পাৰিবাৰিক উপাদানেৰে সমৃদ্ধ। বলোৰাম মেধিৰ পৰিচয় প্ৰদানেৰে গল্পৰ আৰম্ভণি হৈছে।

---

২১ । লক্ষ্মীনাথ ফুকন, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৩৩

বলোৰাম আউনিআটী সত্ৰৰ মেধি আছিল। সহজ-সৰল প্ৰকৃতিৰ মেধিক দেখিলে চেঙেলিয়াসকলে জোকাই আনন্দ পায়। অতিষ্ঠ হৈ মেধিয়ে কেতিয়াবা হাতৰ ফৰ্মুটিডাল সিহঁতৰ গালৈ মাৰি পঠোৱা যেন কৰে; কিন্তু হাত এৰি ফৰ্মুটি নাযায় আৰু অলপ পিছত মাটিত সৰি পৰে।

ছবছৰীয়া গোপালক নিচুকায় থকা মেধিক মেধিয়নীয়ে শিকি এটা আৰু বটল এটা দিলে। তেল আনো বুলি  গৈ মেধিয়ে বাটতে লগ পালে মনবৰক। মনবৰৰ গাইজনী কাঁজীহুচত পৰিছে, মোকোলাবলৈ তাৰ টকা-পইচা নাই। মনবৰৰ দুখত দুখী হৈ মেধিয়ে গাইজনী মোকোলাবলৈ মনবৰক শিকিটো দি দিলে। এই মেধিৰে তামোলৰ গছত চোৰ উঠিল। গাঁৱৰ মানুহে চোৰক লপা-থপা দি খুটাত বান্ধিলে যদিও ক'ৰবাৰ পৰা মেধি আহি  চোৰক মোকলায় দিলে।

মেধিতকৈ তেওঁৰ পত্নী বয়সত ভালেখিনি সৰু। গতিকে,ভালকৈ পিন্ধি উৰি থকাৰ প্ৰতি মেধিয়নীৰ ধাউতি বেছি। মেধিয়নীৰ যৌৱনৰ দিপ্তী দেখি মাইনৰ স্কুলৰ হেড্‌মাষ্টৰ অৱনীধৰ বৰঠাকুৰে চুপতি মাৰে। অৱশ্যে, বৰঠাকুৰণীৰ হস্তক্ষেপত এই সম্বন্ধত জেওৰা লাগে।  হালি পৰা ঘৰটো ভাল কৰোঁ বুলি পদোক মাতি গাত খান্দোঁতে মেধিয়ে মাটিৰ তলত ডেৰশ টকা পালে। লেখি-লেখি পঞ্চাশ টকা মেধিয়নীৰ ৰিহা-মেখেলালৈ বুলি ৰাখি বাকী একশ টকা মেধিয়ে হাইস্কুল নিৰ্মাণৰ বাবে দান দিলে।

পথাৰত ধান দাবলৈ আহি মুহীধৰৰ সতে মেধিয়নীৰ কথা চলে। মুহীধৰৰ ল'ৰাটোৰ মৰমত কোমল হোৱা মেধিয়নীৰ হাতৰ কাঁচিৰ জোৰ কমে; যদিও মেধিয়ে কথাটো ধৰিব নোৱাৰে। ধান থৈ আহি গম পায় মানে মেধিক এৰি মেধিয়নী মুহীধৰলৈ যায়। তথাপি, কোনো অভিযোগ নাই মেধিৰ। মেধিয়নীক বলেৰে ওভটাই আনিব খোজা  গোপালক মেধিয়ে বাধা দিয়ে। মেধিৰ ভাষাত -

> *"মই বুঢ়াই হলোঁ, কিন্তু খুৰীয়েৰ গাভৰু হৈয়ে আছে, বিয়া নিদিয়া ছোৱালীজনী যেন হৈ। খুৰীয়ে যোৱাত মই বেয়া পাইছো সঁচা, কিন্তু খুৰীয়েৰ যোৱাটো একো অন্যায় হোৱা নাই।"*[২২]

মাটিৰ তলত পোৱা ৰূপ আঢ়ৈ কুৰিৰে মেধিয়নীয়ে ৰিহা-মেখেলা লোৱা কথা আছিল। এই ৰূপখিনিকে মেধিয়নীক দি  লগতে মেধিয়নী কেনে আছে চাই আহি ক'বলৈ গোপালক মেধিয়ে খাটনি ধৰে।

২২।   লক্ষ্মীনাথ ফুকন, 'ঋণ পৰিশোধ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৮৫

এয়াই মূলতঃ 'মেধি' গল্পৰ বিষয়বস্তু। চৰিত্ৰ চিত্ৰণ অতি স্পষ্ট। ভাষা সাৱলীল আৰু বৰ্ণনা চিত্ৰধৰ্মী। গল্পবস্তুৰ পৰিসৰ বহল হৈও একমুখী। বিষয় অনুযায়ী পৰিবেশ সৃষ্টি, সৰল বাক্ভঙ্গী আৰু পৰিনতিমুখী উৎকণ্ঠা আদিয়ে গল্পটোক আকৰ্ষণীয় কৰি তুলিছে।

**ঋণ পৰিশোধ**

ভৈৰৱচন্দ্ৰ হাজৰিকা এগৰাকী স্বভাৱ কৃপণ মানুহ। অনিৰুদ্ধ দুৱৰাই তেওঁক দেখিলেই বিৰক্তবোধত 'আকৌ বুঢ়াটো ওলালহি' বুলি মুখৰ ভিতৰতে উচ্চাৰণ কৰে। হাজৰিকাৰ স্বভাৱটো এনেকুৱা যে দেখা মাত্ৰকে কোনো বস্তু নুখুজি তেওঁ থাকিব নোৱাৰে। আলপিন্ এটা বা দুটা, উকা লেফাফা এটা, তিনি বা চাৰিহাত টোৱাইন সূতা আদি বস্তুবোৰ অনিৰুদ্ধৰ অফিচৰ পৰা হাজৰিকাই প্ৰায়েই নিয়ে। ভৈৰৱচন্দ্ৰ হাজৰিকাই চলিব পৰাকৈ এটা পেঞ্চন পায়; কিন্তু টকা খৰচ নকৰি খোজ কাঢ়ি ঘূৰি ফুৰে আৰু অ'ৰ ত'ৰ পৰা এনেয়ে পোৱা বস্তুবোৰ গোটায় লয়। গতিকে হাজৰিকা আহিলে অনিৰুদ্ধ অলপ সাৱধান হয় আৰু টেবুলৰ ওপৰৰ পৰা যি লুকুৱাব পাৰে তৎক্ষণাত লুকাই থয়। তথাপি,সৰু ল'ৰাটোৰ বাবে ৰখা পেঞ্চিলডাল হাজৰিকাৰ হাতৰ পৰা তেওঁ ৰাখিব নোৱাৰে।

দেখা মাত্ৰে বস্তু লোৱাৰ প্ৰতি আগ্ৰহী হ'লেও ভৈৰৱচন্দ্ৰ হাজৰিকাই কাকোৱে একো এটা দিব নোৱাৰে। আনকি মহিলা মহামণ্ডলৰ তৰফৰ পৰা দুহেজাৰ টকা চাঁদা বিচাৰি অহাত, নিদিও বুলি তেওঁলোকক হাজৰিকাই খাটাং কথা শুনাই দিয়ে। অৱশ্যে এৰাব নোৱাৰি মাত্ৰ তিনি টকা দি মহিলাসকলক তেওঁ বিদায় দিয়ে।

ভৈৰৱচন্দ্ৰ হাজৰিকাৰ ছোৱালী দুজনী। ডাঙৰজনীক শিকাবৰ বাবে হাজৰিকাই এজন মাষ্টৰ বিচাৰি আনে। কিছুদিন পিছত মনঃপুত নোহোৱাৰ অজুহাতত মাষ্টৰজনক হাজৰিকাই বিদায় দিয়ে। ঘটনাক্ৰমে এইবাৰ আন এজন মাষ্টৰৰূপী বিনন্দ হাজৰিকাৰ আগমন ঘটে। হাজৰিকাই বিনন্দক ভালকৈ ভাবি চাবলৈ সময় দিলেও বিনন্দই ভাবি-চিন্তি বেছি সময় নলয়। বাপেক নথকা অৱস্থাত কমলাক পলাই লৈ বিনন্দ তাৰ পৰা উধাও হয়। অৱশ্যে বিয়াৰ খৰচ বাচিল বুলি ভাবি হাজৰিকাই এই কথাত সন্তোষ পায়।

এদিনাখন ভৈৰৱচন্দ্ৰ হাজৰিকা অকস্মাৎ আহি অনিৰুদ্ধ দুৱৰাৰ সম্মুখত হাজিৰ হ'ল। অনিৰুদ্ধই টকাৰ অভাৱত ঘৰ-মাটি বেচিব খোজা কথাটো হাজৰিকাই ক'ৰবাত জানি আহিছে।

হাজৰিকাই জনা মতে ঘৰ সাজিবৰ সময়ত অনিৰুদ্ধই সভাৰাম ঠাকুৰীয়াৰ পৰা সুতত টকা ধাৰে লৈছিল। সেই টকাখিনিকে আদায় দিব নোৱাৰাৰ বাবে সভাৰাম ঠাকুৰীয়াই অনিৰুদ্ধক ঘৰ-মাটি বিক্ৰীৰ পৰামৰ্শ দিয়ে। এতিয়া এই সভাৰামৰ পৰা বচাবলৈকে ভৈৰৱচন্দ্ৰই অনিৰুদ্ধক সহায়ৰ হাত আগবঢ়াব খুজিলে। অনিৰুদ্ধই সভাৰামক দিবৰ জোখেৰে তিনিহাজাৰ টকাৰ চেক্‌খন হাজৰিকাৰ পৰা হাত পাতি ল'লে আৰু সুতৰ পৰিমাণসহ লিখি অনা হেণ্ডনোটখন হাজৰিকাক উদ্দেশ্যি আগবঢ়াই দিলে। বস্তুৰ প্ৰতি আক্ৰোশ থাকিলেও হাজৰিকাই সহায়ৰ বিনিময়ত 'হেণ্ডনোট' ল'বলৈ অস্বীকাৰ কৰে। তেওঁ মাত্ৰ আশা ৰাখিলে যাতে নিয়া টকাখিনিকে পাৰিলে ওভতাই দিয়ে। হাজৰিকাৰ এনে আচৰণত অনিৰুদ্ধ বৰ আচৰিত হ'ল। তেতিয়াৰ পৰা হাজৰিকাক দেখিলে অনিৰুদ্ধই 'আকৌ বুঢ়াটো ওলালহি ' বুলি ক'বলৈ এৰি দিলে।

গল্পটোৰ বিষয়বস্তু সৰল তথা জীৱনৰ সঁচাৰ কাঠিত সজা। পুংখানুপুংখ বৰ্ণনাই পাঠকৰ হৃদয়বৃত্ত চুই যায়। যি বিন্দুৰ পৰা কাহিনীভাগৰ আৰম্ভণি, তাতেই যেন আকৌ সামৰণি পৰিছে। অৱশ্যে আৰম্ভণি আৰু সামৰণিৰ মাজত চৰিত্ৰৰ মানসিকতাৰ পৰিৱৰ্তন দেখা গৈছে । ব্যঙ্গৰ চিতিকনি সীমিত যদিও বিষয় বিশ্লেষণৰ প্ৰসঙ্গত সেইখিনিৰ প্ৰচুৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

**দ্বিতীয় পক্ষ**

'দ্বিতীয় পক্ষ' এটি পাৰিবাৰিক্ গল্প। বহুপত্নী বিবাহৰ পৰিণাম গল্পটোত বিবৃত হৈছে।

গল্পৰ নায়ক গকুল শইকীয়া কলেজৰ আঢ়ৈশ টকীয়া লেক্‌চাৰাৰ। প্ৰথম পত্নী বিয়োগৰ পিছত তেওঁ দ্বিতীয়বাৰলৈ বিয়া কৰাবৰ মন কৰিলে। প্ৰথম পত্নী প্ৰমীলাৰ দৰে দ্বিতীয় পত্নীগৰাকী যাতে আঁকোৰগোজ নহয়, তাৰবাবে তেওঁ সাৱধান হ'ব খুজিলে। সাৱধান হ'বৰে কথা, প্ৰথম পত্নী প্ৰমিলাৰ কাম-কাজত তেওঁ ইতিমধ্যে অস্বস্তি অনুভৱ কৰিছিল। চাকৰ-বাকৰেৰে ভৰা এখন ঘৰৰ পৰা গকুলে প্ৰমীলাক বিয়া কৰাই আনিছিল সঁচা; তথাপি নিজৰ উপাৰ্জনলৈ লক্ষ্য কৰি গকুলে চাকৰৰ সংখ্যা কমোৱাতো বিচাৰিছিল। অথচ পত্নী প্ৰমীলা সদায়ে দৃঢ়বদ্ধ আছিল যে তাই চাকৰ এৰি থাকিব নোৱাৰে। এই লৈ দুয়োৰো মাজত পাতলীয়াকৈ হ'লেও যুক্তি-তৰ্ক চলিছিল। গতিকে দ্বিতীয় বিয়াৰ কথা মনলৈ অহাত নতুন পত্নী পূৰ্বৰ পত্নীগৰাকীৰ দৰে নোহোৱাতোকে গকুলে মনে মনে কামনা কৰিলে।

বহুখিনি বিচাৰ-খোচাৰ কৰাৰ মূৰকত গকুলে ছোৱালী এজনী পালে। নামটো হ'ল ৰূপালীপ্ৰভা। গকুলে 'ৰূপা' বুলি মাতিবলৈ ঠিক কৰা এই ছোৱালীজনী গকুলে বিচৰাৰ দৰে দুখীয়া। ৰূপালীক লগত লৈ গকুলে যিমানে বন্ধু-বান্ধৱীৰ ঘৰলৈ যোৱা আৰম্ভ কৰিলে, সিমানে গকুলৰ বাবে অসুবিধা বাঢ়ি অহা দেখা গ'ল। আনৰ ঘৰত দেখি-শুনি ৰূপালীপ্ৰভাই শাৰী বিচাৰিব জনা হ'ল, মনালিছাৰ ছবিৰ আগত বহি 'মনালিছা'ৰ হাঁহিটো মাৰি প'জ দিবলৈ শিকিলে। ডাইনিং টেবুলত ভাত খাবলৈ লাজ কৰা ৰূপাই বস্তু বিচৰাৰ নামত গকুলৰ সৈতে তৰ্ক কৰিব জনা হ'ল। ইমানতো ক্ষান্ত নাথাকি ৰূপালীয়ে কাম কৰা 'খুদুৰী'ক ভৰি ধুৱাই দিয়াৰ বাবে জোৰ কৰিব জনা হ'ল। এই কাৰ্যত অসন্তুষ্ট 'খুদুৰী' আৰু চাকৰ 'মোহনে' কাম এৰি ক'ৰবালৈ গুচি গ'ল। তাৰ পিছত গকুলৰ ওপৰত ৰূপালীৰ খঙ দুগুণে চৰিল। এজনী নতুন 'খুদুৰী'ৰ বাবে ৰূপালীয়ে গকুলক জোৰকৈ ক'ব ধৰিলে। এনে পৰিস্থিতিত পৰি ৰূপালীৰ প্ৰতি গকুলৰ মোহভঙ্গ হ'বলৈ ধৰিলে। এটা সময়ত অতিষ্ঠ গকুলে ৰূপালীপ্ৰভাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰিবলৈ ধৰিলে।

ৰূপালীপ্ৰভাৰ কথা-কাণ্ডত গকুল শইকীয়া ইতিমধ্যে বৰ অতিষ্ঠ হৈছিল। সেয়েহে প্ৰথমা পত্নীৰ সোঁৱৰণীয়ে এতিয়া তেওঁক বৰকৈ আমনি কৰিব ধৰিলে। প্ৰমীলাৰ প্ৰতি কৰা অনাদৰৰ কথা গকুলৰ মনত পৰিবলৈ ধৰিলে। প্ৰমীলাৰ ফটোখন হাতত লৈ তেওঁ বৰ অনুতপ্ত হ'ল আৰু ভাবিলে যে প্ৰমীলা সঁচাকৈয়ে শিক্ষাৰ মোল বুজা মহিলা আছিল। প্ৰমীলাৰ দেউতাকে বাগানত মেনেজাৰ হ'বলৈ গকুলক উপদেশ দিয়াত, আত্মসন্মানৰ প্ৰতি সচেতনা প্ৰমীলাই দেউতাকক কৈছিল-

> *"আপোনাৰ বাগিচাত মেনেজাৰ হ'বলৈ তেওঁ যাব কিয়? তেওঁৰ আত্মসন্মান নাই নে কি? ময়ে বা তেওঁক আপোনাৰ বাগিচাত কাম কৰিবলৈ দিম কিয়?"*[২৩]

গকুলৰ প্ৰতি প্ৰমীলাৰ সন্মান আৰু গভীৰ ভালপোৱা আছিল। সেইবাবেই দেউতাকে গ্ৰামোফোন কিনিবলৈ দিয়া টকা তিনিশৰে প্ৰমীলাই গকুলক গৰম চুট এযোৰ কিনি দিছিল। গকুল এবাৰ বেমাৰত পৰোঁতে, খোৱা-বোৱা এৰি প্ৰমীলাই শুশ্ৰূষাত ৰত হোৱাৰ কথাটো এইখিনিতে গকুলৰ মনত পৰি গ'ল। আনহাতে ৰূপালীপ্ৰভা অকৰা আৰু উদ্ধত। সেয়েহে, গভীৰ দুখবোধত গকুলে পূৰ্বপত্নীৰ ফটোখন বুকুত সাৰতি নিঃশব্দে বহি পৰিল আৰু কিবা এক অহংকাৰ, আৱেগ আৰু বেজাৰত তেওঁৰ চকুৰে দুধাৰি চকুলো বাগৰি পৰিল।

---

২৩। লক্ষ্মীনাথ ফুকন, 'দ্বিতীয় পক্ষ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৬৭

'দ্বিতীয় পক্ষ' এটা পাৰিবাৰিক গল্প। গল্পটোত সচেতনভাৱে ঘৰুৱা শব্দৰ সঘন প্ৰয়োগ কৰা হৈছে। একাধিক ঘটনাৰ সমাৰেশ ঘটাই বিষয়বস্তুক স্পষ্ট কৰিবৰ প্ৰয়াস কৰা দেখা গৈছে। চৰিত্ৰবোৰৰ কথা-কামত শ্লেষৰ প্ৰয়োগ স্পষ্ট।

**ভানুৰ জীয়েক ৰাণু ঃ**

'ভানুৰ জীয়েক ৰাণু' এটি পাৰিবাৰিক গল্প। নাৰীৰ মনস্তাত্ত্বিক দিশৰ ওপৰত গল্পকাৰৰ মানসিক স্থিতিয়ে গল্পবস্তুক আবৰি আছে। ধৰ্ম্মকান্তৰ ধৰ্মপত্নী ভানু। স্বামীৰ সতে চিনেমা চোৱাৰ ক্ষেত্ৰত তেওঁ বৰ আগৰণুৱা। জীয়েক ৰাণুৱে যাবলৈ যিমানে মন নকৰক কিয়, ৰাণুক লগত লৈ তেওঁ চিনেমা নাচায়। আচলতে, তেওঁ যি চিনেমা চাবলৈ ভাল পায়; সেয়া নিজৰ ছোৱালীক লগত লৈ চাব পৰা বিধৰ নহয়।

নিজৰ ছোৱালীকালৰ কথাবোৰ ভানুৰ ভালকৈয়ে মনত আছে। বিশেষকৈ, সম্বন্ধীয়া দদায়েক অনন্ত হাজৰিকাই পঢ়োৱাৰ চলেৰে ভানুৰ যৌৱন তৃষ্ণা যে আগতেই পূৰায় ৰাখিছে; সেই কথা পতি ধৰ্ম্মকান্তই হয়তো কাহানিও জানিব নোৱাৰিলে। *"ফেনিল উচ্চল যৌৱন সুৰা আনি ধৰ্ম্মকান্তৰ মুখত তুলি দিছিল ভানুৱে ঠিকেই, কিন্তু সেই সুৰাৰ ভাগ আগতে এজনে পাইছিল।"*[২৪] —এই কথাই ভানুক আতিছে। এগৰাকী লেডী ডাক্তৰৰ কৃপাত ভানুৱে তেতিয়া পৰিত্ৰাণ পাইছিল বুলি জীয়েকৰ ক্ষেত্ৰত সেই ঘটনাৰ পুনৰাবৃত্তি ভানুৱে হ'ব দিব নোৱাৰে। গতিকে, ভানুৰ তাগিদাত উপায় নোপোৱা গিৰিয়েক ধৰ্ম্মকান্তই ৰাণুৰ বাবে এজন দৰা ঠিক কৰিবলৈ অমূল্যক কৈ আহিল।

মাক-দেউতাকে চিনেমা চাব যোৱাৰ পিছত ৰাণুৱে অসন্তুষ্টি ভাৱ লৈ ঘৰতে সোমাই থকা হ'ল। একো কৰিবৰ মন নোহোৱাত তাই গাৰুটো বুকুত সাবটি দীঘল দি শুই থাকিল। অৱশ্যে, ৰাণুৰ পচন্দৰ লগৰীয়া তেনেই কম। গতিকে, যাবৰ মন গ'লে ৰাণুৱে কেতিয়াবা বন্দনাহঁতৰ ঘৰলৈকে যোৱা হ'ল। এদিনাখন জোৰকৈয়ে বন্দনাই ৰাণুক নি তেওঁলোকৰ ঘৰত সোমাইছিল। তেতিয়াৰ পৰা বন্দনাৰ ককায়েক ভবেন্দ্ৰই ভনীয়েকৰ বান্ধৱী ৰাণুৰ সতে গোপন প্ৰেমত মজগুল হৈ থাকিল। দৰাচলতে, বন্দনাৰ চিঠি-পত্ৰ পঢ়ি আৰু প্ৰেম-পিৰিতিৰ কথা শুনিহে ৰাণুৰ মনত প্ৰেম ভাৱনাৰ উদ্‌গীৰণ ঘটিছিল। এনেতে ভবেন্দ্ৰৰ প্ৰাণ আকলুৱা আহ্বান শুনি ৰাণুৰ চঞ্চল মনে

২৪। লক্ষ্মীনাথ ফুকন, 'ভানুৰ জীয়েক ৰাণু', আশাত উৎফুল্ল প্ৰাণ, পৃ. ১৮

যেন প্ৰাণৰ প্ৰয়োজন পূৰণৰ সুবিধাহে বিচাৰি পালে।

ভানুৰ ভয় আছিল যে ৰাণুৰ জীৱনত যাতে তেওঁৰ নিজৰ অতীতৰ পুনৰাবৃত্তি নহয়। কিন্তু, ভবেন্দ্ৰৰ সতে ৰাণুৰ ভালপোৱাই তাকেই আগবঢ়াই আনিলে। স্কুল চুটিৰ এঘণ্টা পিছতো যেতিয়া ৰাণু ঘৰলৈ নাহিল, তেতিয়াহে ধৰ্ম্মকান্ত আৰু ভানুৰ মন চেঙালে। স্কুলৰ হেড্‌মিষ্ট্ৰেছ আৰু বন্দনাৰ পৰা ৰাণুৰ কোনো সম্ভেদ নাপায় ধৰ্ম্মকান্তই ওচৰৰ থানাত থকা পুলিচ চুপাৰিণ্টে গেণ্টজনৰ কাষ চাপিলে। পুলিচ-ডাৰোগাই মিলি ৰাণুৰ সৈতে ভবেন্দ্ৰক লগৰ ড্ৰাইভাৰ এজনৰ ঘৰত বিচাৰি পালে। মদৰ ৰাগিত মজগুল ভবেন্দ্ৰৰ চকুত তেতিয়া বিয়াৰ নিচা। দুয়োকো ধৰি আনি ডম্বৰু তহবিলদাৰে খবৰটো ধৰ্ম্মকান্তক দিলে। ধৰ্ম্মকান্তই জীয়েকক থানাৰ পৰা লৈ আহিল আৰু ৰাতিৰ আন্ধাৰত সকলো কথা লুকাই থাকিল। থুলমূলকৈ এয়াই গল্পৰ ভাৰবস্তু।

ভাষাৰ ইংগিতধৰ্মিতা, আৰম্ভণিৰ স্বাভাৱিকতা আৰু ঘটনাৰ সঠিক সংগ্ৰঠনে 'ভানুৰ জীয়েক ৰাণু' গল্পক আকৰ্ষণীয় কৰি তুলিছে। বয়সজনিত জৈৱিক ক্ষুধা আৰু তাৰ দ্বাৰা নিয়ন্ত্ৰিত মানৱ জীৱনৰ উদং চিত্ৰ এখনি গল্পটোত পৰিলক্ষিত হৈছে।

**ৰূপহী মেম**

'ৰূপহী মেম' লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত এটি নাৰীকেন্দ্ৰিক চুটিগল্প। আৱাহনকালীন গল্পৰ বৈশিষ্ট্য 'নাৰীৰ প্ৰতি বিশেষ দৃষ্টি' উক্ত গল্পত প্ৰতিফলিত হৈছে। গল্পটোৰ কাহিনীভাগ এজন ডাক্তৰৰ মুখেৰে ব্যাখ্যা কৰা হৈছে।

'ৰূপহী মেম'ৰ পূৰ্বৰ গিৰিয়েকৰ নাম আছিল ভূধৰ। তেওঁক এৰি ৰূপহীয়ে বাগানৰ ইংৰাজ চাহাবলৈকে মেম্ হৈ সোমায়। গাভৰু কালত ৰূপহী আৰু বেছি ৰূপহী আছিল। অৱশ্যে এতিয়াও ৰূপহীৰ সেই ৰূপ-লাৱণ্য মাৰ যোৱা নাই। এই অপৰূপা ৰূপহীৰে অসুখ বুলি ভটিজাক গণেশে ডাক্তৰ বৈকুণ্ঠ কাকতীক মাতি আনিছে।

ৰূপহী মেমক ডাক্তৰ কাকতীয়ে আগৰে পৰা জানিছিল। গণেশে মাতিব অহাত সেয়েহে ৰূপহীৰ মৰমীয়াল কথা-বতৰা তেওঁৰ মনত পৰি গ'ল। আকস্মিকভাৱে হ'লেও ৰূপহীক আকৌ এবাৰ লগ পোৱাৰ সম্ভাৱনা দেখি তেওঁ আনন্দত চিঞৰি দিলে। আগৰবাৰ ডাক বঙলাত ৰূপহীক লগ কৰোঁতে ডাক্তৰক তাই ঘৰৰ সকলো বস্তু দেখুৱাইছিল। ৰূপহীয়ে মেম্ হৈ থকাৰ সেই সকলো

কথা দেখি-শুনি ডাক্তৰ কাকতীৰ ভালো লাগিছিল, বেয়াও লাগিছিল। বিশেষকৈ, চাহাবৰ অত্যাধিক মৰমৰ পিছতো আন চাহাবৰ আঁৰ লৈ লুকোৱা, কোনো চাহাব আলহী হৈ আহিলে বঙলাৰ এচুকত দিনৰ পিছত দিন সোমায় থকা আদি ঘটনায় বৈকুণ্ঠ কাকতীৰ মন চুই গৈছিল। এনেবোৰ কথালৈ বৰ মন নকৰি নিত্য-নৈমিত্যিক ঘটনা হিচাপে তাই দিন অতিবাহিত কৰা দেখি ডাক্তৰ কাকতি আচৰিত হৈছিল। অৱশ্যে, ভূধৰৰ প্ৰতি প্ৰেম সেই সময়তো অব্যাহত আছিল। পূৰ্বস্বামী নে চাহাবৰ প্ৰতি ৰূপহীৰ ভালপোৱা বেছি বুলি ডাক্তৰে সোধা প্ৰশ্নৰ উত্তৰত ৰূপহীয়ে চিৎকাৰ কৰি উঠিছিল - *"নুসুধিবি-নুসুধিবি ঐ তই মোক তেনেকৈ?"*[২৫]

অতীতৰ কথাবোৰকে ভাবি ভাবি ডাক্তৰ বৈকুণ্ঠ কাকতীয়ে গণেশৰ সতে ৰূপহীৰ বঙলা পালে। ৰূপহী বুলি ডাক্তৰে যাক দেখা পালে, তেওঁৰ গাত আগৰ ৰূপ-ৰহণ, চকমকনি আৰু কোমলতা একো নাই। বহুদিন আগতে আই ওলায় ৰূপহীৰ স্বাস্থ্য হৰণ হ'ল। অৱশ্যে, এতিয়া বেমাৰ পূৰ্বস্বামী ভূধৰৰহে আৰু ডাক্তৰ পঠায় ৰূপহীয়ে সেই ভূধৰৰে চিকিৎসা কৰাব খুজিছে। ৰূপহীৰ মুখেৰে সকলো কথা জানি বুজি ডাক্তৰ কাকতীয়ে ভূধৰৰ ঘৰ পালে। চিকিৎসাৰ বাবদ 'প্ৰেচক্ৰিপচন'ত তেওঁ যি দৰব লিখিলে, সেইবোৰ আকৌ ওচৰৰ হাস্পতালত পাবলৈ নাই। গতিকে ডাক্তৰৰ ফিজ্‌খিনি দি ৰূপহীয়ে চহৰৰ পৰা দৰব আনিবলৈ ডাক্তৰ কাকতীকে খাটনি ধৰিলে। ৰূপহী মেমৰ সতে কথা পাতোঁতে কাকতীয়ে লক্ষ্য কৰিলে যে জীৱনৰ সকলো ঘাত-প্ৰতিঘাত স্বাভাৱিক বুলি মানি ল'লেও ৰূপহীয়ে হিন্দুৰ ধৰ্মীয় ধাৰণাটো সহজে মানি ল'ব পৰা নাই। গাঁৱৰ সকলোৱে এলাগী কৰি থোৱা কথাটোত কিছু বিক্ষোভ প্ৰকাশ কৰি ৰূপহীয়ে কৈছে -

*" মই চাহাবলৈ গলোঁ আৰু তাৰ লগে লগে তহঁতৰ ধৰ্ম্মটো মোৰ গাৰ পৰা সুলকি পৰি চুৰ্চুময় হৈ গ'ল। হিন্দু ধৰ্ম্মটো ইমান ঠুনুকা নে মোৰ বোপাই?"*[২৬]

অৱশ্যে, কৈৱৰ্তকুলীয় বুঢ়ী এগৰাকী, খ্ৰীষ্টিয়ান মানুহ এঘৰ, মুছলমান দৰ্জীৰ ঘৈনীয়েকৰ দৰে কিছুখিনি উদাৰ মানুহ ৰূপহীৰ ওচৰলৈকে আহে। তথাপি নিজৰ মানুহখিনিৰ দ্বাৰা এৰা পৰাৰ বাবে ৰূপহীৰ মন কেতিয়াবা অসম্ভৱ গধুৰ হৈ পৰে।

নিঃসঙ্গ ৰূপহীৰ প্ৰতি ডাক্তৰ কাকতী যে বৰ সহানুভূতিশীল, এই কথা ৰূপহীয়ে বুজি

২৫। লক্ষ্মীনাথ ফুকন, 'ৰূপহী মেম', আনন্দে নধৰে হিয়া, পৃ. ৪১
২৬। লক্ষ্মীনাথ ফুকন, 'ৰূপহী মেম', উল্লিখিত গ্ৰন্থ, পৃ. ৪৮

পায়। সেয়েহে এদিন অকস্মাৎ ডাক্তৰৰ ঘৰত উপস্থিত হোৱা ৰূপহীয়ে ডাক্তৰ পত্নী প্ৰতিমাক পিন্ধাই দিয়ে জোনবিৰি এধাৰ। ডাক্তৰৰ ল'ৰাটোৰ বাবে কাপোৰ আৰু পিঠাগুৰি অলপ আনিবলৈকো তাই নাপাহৰে। এইখিনি আগবঢ়াই দি ৰূপহী যাবলৈ সাজু হয় যদিও ডাক্তৰ আৰু পত্নী প্ৰতীমাই তেওঁক জোৰ কৰি ভাত-পানী খুৱাই আদৰ-আপ্যায়ন কৰে। এই কথাত ৰূপহী বৰ আনন্দিত হয়। ৰূপহী মেমৰ ঘৰলৈ ডাক্তৰ কাকতী প্ৰায় পাঁচ বাৰ মান গৈছে আৰু প্ৰতিবাৰেই ভূধৰৰ অসুখৰ বাবেহে যোৱা হৈছে। তথাপি গণেশে মাতিব অহাত এইবাৰ ৰূপহীক চাবলৈকে ডাক্তৰ কাকতী পুনৰায় যাবলৈ ওলাল। অসুখত পৰি ৰূপহীৰ দেহ ইতিমধ্যে জহি-খহি গৈছিল। তথাপি ৰূপহীয়ে নিজৰ চিকিৎসাৰ কথা এৰি পূৰ্বস্বামী ভূধৰক আনিবলৈকে ডাক্তৰক পাচিলে। পূৰ্বস্বামীক এবাৰ চাবলৈ ৰূপহীৰ যেন বৰ হেঁপাহ। কথা পেলাব নুখুজি ডাক্তৰ ওলাই গ'ল আৰু ভূধৰক বুজাই-বঢ়াই লগত লৈ আহিল। ৰূপহীয়ে যেন ভূধৰকে বাট চাই আছিল। চাৰি চকুৰ পুনঃমিলন হ'ল আৰু সকলো মান-অভিমান, দুখ-শোক আদান-প্ৰদান কৰি ভূধৰৰ পৰা ক্ষমা লভি ৰূপহী গ'লগৈ। শান্তিৰামে গাত খান্দি পুতিবৰ দিহা কৰিছিল যদিও ভূধৰে হিন্দুধৰ্ম মতে চিতাত তুলি দাহন কৰিহে শান্তি পালে।

মূলতঃ এয়াই গল্পটোৰ কাহিনী। কথন শৈলীত নাটকীয় ভঙ্গীমা পৰিলক্ষিত হয়। *"নিভাঁজ গ্ৰাম্য ভাষাৰ প্ৰয়োগৰ উপৰিও উপমাধৰ্মী ভাষাৰ প্ৰয়োগৰ বাবে লক্ষ্মীনাথ ফুকনৰ গল্প উপাদেয় হৈ পৰে।"*[২৭] অন্তহীন উৎসুক্য, বৰ্ণনাৰ চিত্ৰধৰ্মিতা আৰু সহানুভূতিৰ কোমলতাই 'ৰূপহী মেম' চুটিগল্পটোৰ শিল্পমূল্য বঢ়াই তোলা দেখা যায়।

**পেঞ্চনধাৰী**

গল্পটো পাৰিবাৰিক সম্প্ৰীতিৰ প্ৰতিফলক। ভদ্ৰেশ্বৰ হ'ল এখন হাইস্কুলৰ পৰা অৱসৰ পোৱা শিক্ষক। অসম চৰকাৰৰ পৰা নিয়মীয়াকৈ তেওঁ পেঞ্চন পায়। ভায়েক হৰেশ্বৰ পেচাত উকীল। দুয়ো ককাই-ভায়েকৰ পৰিয়াল দুটা একেলগে থাকে। অৱশ্যে জাক দুজনীৰো বৰ মিল আছে। ভদ্ৰেশ্বৰৰ ছোৱালী চিত্ৰাক বিয়া দিয়া হ'ল আন এক পেঞ্চনধাৰীৰ পুত্ৰ পেচাত ছাব-ডে পুটী কালেক্টৰ। বিয়া সুকলমে পাৰ হ'ল আৰু ভদ্ৰেশ্বৰে জীয়েকক চকুলো টুকি-টুকি বিদায়

২৭। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৭০

দিলে। চিত্ৰাক বিয়া দিয়াৰ পৰা ভদ্ৰেশ্বৰৰ কিছু ব্যক্তিগত অসুবিধা হৈছে। এই কথাটোক লৈ ভদ্ৰেশ্বৰৰ মাজে মাজে খং উঠে। চিত্ৰা থকা হ'লে অন্ততঃ চোলাৰ বুটামৰ এই অৱস্থা যে নহ'লহেঁতেন, এই কথাত তেওঁৰ চিত্ৰালৈ মনত পৰে।

হৰেশ্বৰৰ বৰপুত্ৰ কমলেশ্বৰে ডিব্ৰুগড় মেডিকেল কলেজত এম.বি.বি.এচ পঢ়িব খুজিলে। অথচ ভদ্ৰেশ্বৰৰ মত নল'লে এই কথা সম্ভৱ নহয়। ভতিজাকৰ ইচ্ছাৰ কথা জানিব পাৰি এম.এছ.চি. পাছ কৰি ভতিজাক কলেজৰ প্ৰফেচাৰ হোৱাতহে তেওঁ দৃঢ় মত দিয়ে। অৱশ্যে ডেকা ল'ৰাক বাধা দি মনত দুখ দিয়া যুগুত নহ'ব বুলি ভাবি শেষত ডাক্তৰী পঢ়িবৰ বাবে ভতিজাকক তেওঁ অনুমতি দিছে। ইফালে নাতিজোঁৱাই অৱনীকান্তলৈ দঢ়াই-দঢ়াই চিঠি লিখিছে যে ডিব্ৰুগড়ত থকা কমলেশ্বৰৰ তেওঁলোকে যেন খবৰ ৰাখে। ইমানতো ক্ষান্ত নাথাকি তেওঁ ভতিজাকৰ হাতত ত্ৰিশটা পোষ্টকাৰ্ড গুজি দি এদিনৰ মূৰে মূৰে খবৰ লিখি পঠাবলৈ উপদেশ দিছে।

ভদ্ৰেশ্বৰৰ পুত্ৰ অনন্তেশ্বৰ। আইন নপঢ়ি তেওঁ দৈনিক 'শান্তিদূত' কাকতৰ সহকাৰী সম্পাদক হ'ল। চিত্ৰাৰ অভাৱ পূৰাবলৈ ভদ্ৰেশ্বৰে এই অনন্তেশ্বৰকে বিয়া পাতি দিব খুজিলে। পুতেকৰ মতামত লোৱাৰ প্ৰয়োজন অনুভৱ নকৰি তেওঁ কইনা বিচৰাৰ দিহা কৰিলে। বিচাৰি পোৱা *"ছোৱালীজনী চিত্ৰাৰ নিচিনা সুন্দৰী নহলেও ধুনীয়া আৰু কথাই-বতৰাই চঞ্চল হৈও গহীন আৰু গহীন হৈও চঞ্চল। ৰীতাৰ খোজত অৱশ্যে পদুম ফুল নুফুলে; খোজত পদুম ফুল ফুলা ছোৱালী তেওঁলোকে বিচৰাও নাছিল।"* [২৮]

নিজে আইন পঢ়িবলৈ ইচ্ছা নকৰি অনন্তেশ্বৰে ঘৈনীয়েককে কলেজত পঢ়ুৱাব খুজিলে। সন্মতি লোৱাৰ উদ্দেশ্যে ৰীতাই শহুৰ দেউতাকক কথাটো ক'বলৈহে পালে; ভদ্ৰেশ্বৰে বোৱাৰীয়েকৰ কথাত আপত্তি কৰি অসন্মত হ'ল। অগত্যা পঢ়িবৰ মন কৰিলে তেওঁ পুতেককে আইন পঢ়ুৱাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু বোৱাৰীয়েকক পঢ়িবলৈ নিদিলে মনৰ ইচ্ছা পূৰণ নোহোৱাৰ দুখত কিজানি ঘৰখনত অশান্তি হয়; এনে কথা কৈ ভায়েক হৰেশ্বৰে ভদ্ৰেশ্বৰক ভবাই তোলাত শেষত যেনিবা বোৱাৰীয়েকক পঢ়াৰ বাবে অনুমতি প্ৰদান কৰিলে।

ঘৰুৱা শান্তি-সম্প্ৰীতিৰ প্ৰতি ভদ্ৰেশ্বৰ বৰ সজাগ। সেয়েহে 'শান্তিদূত' ৰ অফিচত অনন্তেশ্বৰে গোটেই ৰাতি কাম কৰা কথাটোত বোৱাৰী ৰীতাৰ অশান্তি হোৱা বুলি তেওঁ গম পায়

---

২৮। লক্ষ্মীনাথ ফুকন, 'পেঞ্চনধাৰী', আশাত উৎফুল্ল প্ৰাণ, পৃ. ৯১

ভদ্রেশ্বৰে পুতেকক কাম এৰিবলৈ পৰামৰ্শ দিলে। আজিয়েই কাম এৰিলে পাব লগা মাহেকীয়া দৰমহাখিনি অনন্তেশ্বৰে হেৰুৱাব; গতিকে কথাৰ গুৰি বুজি ভদ্রেশ্বৰে ঘৈণীয়েকৰ হাতত জমা থোৱাৰ পৰা আঢ়ৈশ টকা হেৰুওৱা দৰমহা হিচাপে পুত্র অনন্তেশ্বৰক নিজ হাতেৰে প্রদান কৰিলে।

'পেঞ্চনধাৰী' গল্পটোত পুৰণিকলীয়া পৰিয়ালৰ এখন সুন্দৰ ছবি প্রকাশ পাইছে। গল্পৰ কাহিনীকথন চিত্রধৰ্মী আৰু পৰিমাৰ্জিত। আখ্যানভাগৰ অন্তৰ্বৰ্তী সুৰ কেতিয়াও সলনি হোৱা নাই আৰু উৎসুক্য গল্পৰ শেষলৈকে অব্যাহত আছে। গল্পৰ বাবে প্রয়োজনীয় বুলি ভবা 'সংবেদনিক ঐক্য' (Unity of Impression) উক্ত গল্পত পৰিলক্ষিত হৈছে।

### ২.১.৩ হাস্য- ব্যঙ্গ চুটিগল্প

**ওফাইদাং**

মুখত বৰ বৰ কথাৰে ওফাইদাং মৰা মানুহ অনন্ত পেচাত উকীল। ঘৈণীয়েক মালতীক গহনা কিনি দিয়া দূৰৰ কথা মাকৰ ঘৰৰ পৰা অনা গহনাডালো তেওঁ বিক্রী কৰে। সেইবাবে অনন্তৰ ওপৰত মালতীৰ খং। তথাপি, টকা পাব লগা মানুহে বিচাৰি আহিলে খং নেদেখুৱাই কি ক'ব লাগে মালতীয়ে ভালকৈয়ে জানি উঠিছে।

এদিনাখন ব্যৱসায়ী বন্ধু বিমলে অনন্তৰ ঘৰলৈ আহিল। দুয়োৰো দাংকোপ মৰা কথা-বতৰাই সীমা অতিক্রম কৰিলে। কথাৰ মহলা মাৰি অনন্তই বিমলক খুৱাবৰ বাবে পাঁচটকীয়াখনকে দহটকীয়া বুলি শুনাই মুহিৰামক বজাৰলৈ পঠায় দিলে। আচলতে, জেপত এটকা নথকাৰ পৰতো ফিতাহি মৰা কথাৰে অনন্ত এজন ফাঁকিবাজ মানুহ। ঘৰৰ ভাড়া পৰিশোধ কৰিব নোৱাৰিলেও তেওঁ কোনো দিনে হাৰ নামানে। ঘৰৰ ভাড়া দিব নোৱাৰিলেও মালিক শইকীয়া আহিলে *"আপুনি যদি বেচিব খোজে মই পঞ্চাশ হাজাৰ টকা দিব পাৰোঁ। ঠাই ডোখৰ সুবিধাৰ বাবে মই ল'ব খুজিছোঁ।"*[২৯] বুলি অনন্তই ফিতাহি মাৰে।

মিনিষ্টাৰৰ ঘৰৰ সৈতে অনন্তৰ সম্বন্ধ থকাৰ কথা গগনমল বাবুয়ে কেনেবাকৈ জানিব পাৰিলে। কাপোৰ যোগানৰ গৱৰ্ণমেণ্ট টেণ্ডাৰ পোৱাৰ আশা পালি গগনমল বাবুয়ে অনন্তক টকা দিবলৈকে সাজু হ'ল। সুযোগ গ্রহণ কৰি অনন্তই গগনমলৰ পৰা নগদ দুহেজাৰ টকা সৰকাই

২৯। লক্ষ্মীনাথ ফুকন, 'ওফাইদাং', ওফাইদাং, পৃ. ৮

ল'লৈ। গগনমলৰ মতে এয়া হেনো কাম কৰি দিয়াৰ বাবদ আগধনহে আছিল।

অনন্তৰ হাতত টকা পৰা মাত্রেই তেওঁৰ মনটো চঞ্চল হৈ উঠে। ঘৈণীয়েক মালতীৰ হাতত টকাখিনি দিয়াৰ লগে লগে মালতীয়ে কেনেধৰণৰ আচৰণ কৰিব পাৰে ; তাৰ ভাৱনাত অনন্তৰ মনটো অস্থিৰ হৈ পৰে। ঘৰ পায় অনন্তই দেখে যে স্থানীয় যুৱতী সংঘৰ সম্পাদিকা সহিতে সদস্যাবৃন্দা হাজিৰ। অনন্তই কথাৰ পাক এৰাব নোৱাৰি বৰং ফিতাহি মাৰি শ্বিলঙতো চাৰিশ বৰঙণি দিয়া বুলি গৰ্ব কৰি যুৱতী সংঘক একশ টকা দি বিদায় দিয়ে আৰু গগনমলৰ পৰা লোৱা দুহেজাৰ টকাৰ বাকী হাতত থকা ঊনৈশ টকা লেখি লেখি মালতীৰ হাতত জমা দিয়ে।

এয়াই গল্পটোৰ মূল বিষয়বস্তু। ঊনবিংশ শতিকাৰ ফোঁপোলা মনোবৃত্তি আৰু কৰ্ম বিমুখ তথা কথাচহকী এচামৰ জীৱন চিত্ৰ ইয়াত স্পষ্ট হৈ উঠিছে। *"আধুনিক সভ্যতাৰ বুকুত জীপ লোৱা ধনী আৰু দুখীয়া এদল মতা তিৰোতাৰ বাহিৰ শুৱনি কিন্তু ভিতৰ ফোঁপোলা জীৱনৰ ছবি"* [৩০] গল্পটোত স্পষ্ট। বাক্য আৰু শব্দৰ বিসংগতি তথা পৰিৱেশৰ বিজুতি ঘটাই গল্পকাৰে জীৱনৰ নিৰ্মোহ চিত্ৰ এখনি আঁকিব খুজিছে। এফালে আৰ্থিক অনাতন আৰু আনফালে তাক ঢাকিবলৈ কৰা বৃথা চেষ্টা - এই দুয়োটা ছবিয়ে সহানুভূতি উদ্রেক কৰে।

**প্ৰাইভেট চেক্ৰেটাৰী ঃ**

ৰায়বাহাদুৰ শঙ্কৰ নাথ বৰুৱাৰ প্ৰাইভেট চেক্ৰেটাৰী হ'ল- বিনন্দী কটকী। একালত এই কটকী বোলাজন ৰায় বাহাদুৰ বৰুৱাৰ ঘৰুৱা শিক্ষক আছিল। ল'ৰা ডাঙৰ হোৱাত তেওঁ ৰায়বাহাদুৰৰ প্ৰাইভেট চেক্ৰেটাৰী হৈ থাকিল।

প্ৰাইভেট চেক্ৰেটাৰী হিচাপে কটকীয়ে ৰায়বাহাদুৰৰ সকলো কথা তদাৰক কৰে। এক কথাত ধঁপাত খোৱা গুৰগুৰিৰ নলিচাডালৰ পৰা বাগিচা কিনালৈকে সকলোবিলাক কটকীৰ তদাৰকতে পৰিচালিত হয়। অৱশ্যে কটকীয়ে গুৰগুৰি নাখায় আৰু চল বুজি ৰায়বাহাদুৰৰ পৰা চিগাৰেট উলিয়াই লয়। কটকী হ'ল ৰায়বাহাদুৰৰ সোঁহাত স্বৰূপ। ৰায়বাহাদুৰে মেলে-মিটিঙে দিব লগা ভাষণটো কটকীয়ে লিখি দিব লাগে। গৱৰ্ণমেণ্টক সমালোচনা কৰি ভাষণ লিখাত কটকী পাৰ্গত। অৱশ্যে এই কাম ৰায়বাহাদুৰৰ নিৰ্দেশতে সম্ভৱ হৈছে। ৰায়বাহাদুৰৰ ভাষাত *"গৱৰ্ণমেণ্টক*

৩০। ত্ৰৈলোক্য নাথ গোস্বামী, আধুনিক গল্প সাহিত্য, পৃ. ১২১

*সমালোচনা কৰি মাজে মাজে দুই এষাৰ চোকা কথা লগাই দিবলৈ আকৌ নাপাহৰিব। গৱৰ্ণমেণ্টৰ ওপৰত চোকা মন্তব্য নেথাকিলে বক্তৃতাত মানুহে সোৱাদ নেপায়।"*[৩১]

মিটিঙত ৰায়বাহাদুৰে ভাষণ দিয়ে আৰু যথোচিত হাত চাপৰিও পায়। কাকতত খবৰটো ভালে ভালে ওলোৱাৰ বাবে ৰায়বাহাদুৰে বিচৰা বাবে কথাখিনি নিজে লিখি কটকীয়ে 'নিভাঁজ অসমীয়া'ৰ কাৰ্যালয়ত জমা দিয়ে। অতিৰিক্তখিনি কাটি দি মূলখিনি উঠাব বুলি সম্পাদকে আশ্বাস দিয়াত, ৰায়বাহাদুৰৰ ফটো একপি লগতে চপাবলৈ কটকীয়ে সম্পাদকক খাটনি ধৰে।

ৰায়বাহাদুৰৰ সকলো দিশ চম্ভালি থকা বাবে কটকীৰ প্ৰতি তেওঁ কিছু দায়বদ্ধতা অনুভৱ কৰে। ইয়াৰে সুযোগ লৈ কটকীয়ে চতুৰালিৰে ৰায়বাহাদুৰক জব্দ কৰে। কটকীৰ ছোৱালীৰ বিয়াত মনেৰে দুশ টকা খৰচ কৰোঁ বুলি ভবা ৰায়বাহাদুৰৰ পৰা কটকীয়ে চাৰিশ উলিয়াই। অৱশ্যে দুশ টকা প্ৰত্যক্ষভাৱে লোৱাৰ বিপৰীতে আন দুশ টকা কটকীয়ে গণেশৰামৰ পৰা সৰকাই লয়। গণেশৰামে টকা বিচাৰি ৰায়বাহাদুৰলৈ পত্ৰ পঠোৱাতহে কটকীৰ জালিয়াতি ওলাই পৰে যে ৰায়বাহাদুৰৰ নামত কটকীয়ে আগতে দুশ টকা আনি থৈছে। তথাপি নিজৰ মান-সম্ভ্ৰমৰ কথা মনত ৰাখি ৰায়বাহাদুৰে গণেশৰামক টকা দুশ ওভোতাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। চতুৰ কটকীয়েও মনে প্ৰাণে বিচাৰে যে মান-সম্ভ্ৰমৰ কথাটো মনত কৰি হ'লেও ৰায়বাহাদুৰে সেই দুশ টকাৰ দায়িত্ব লওঁক।

এয়াই চমুকৈ গল্পৰ কাহিনী। চৰিত্ৰ চিত্ৰণ সঠিক আৰু ভাষা চৰিত্ৰানুগ তথা তীৰ্যক। সমাজৰ তথাকথিত বৰমূৰীয়াৰ মানসিক স্থিতিৰ প্ৰতি গল্পটোত ব্যঙ্গ কৰা হৈছে।

**নতুন সুৰ**

ঊনবিংশ শতিকাৰ সমাজত পাশ্চাত্য সুৰ আৰু আদৱ-কায়দাৰ পয়োভৰ প্ৰচুৰ পৰিমানে দেখা যায়। 'নতুন সুৰ' গল্পটোত এইবোৰ প্ৰসঙ্গয়ে মূল স্থান পাইছে। এফালে পৰম্পৰাগত চিন্তা আৰু আনফালে পশ্চিমীয়া চাল চলন - এই দুয়োটা দিশে গল্পৰ পটভূমি অধিগ্ৰহণ কৰিছে।

ফুলপানী চাহবাগিচাৰ এচিষ্টেণ্ট মেনেজাৰ হ'ল মাধৱচন্দ্ৰ বৰুৱা। মেনেজাৰ হ'বৰ দিনাৰে পৰা তেওঁ আগৰ সাজ বাদ দিয়ে। আনকি বিয়া সৰাহলৈ গ'লেও তেওঁ কোট-পটলুং পিন্ধি যায়।

৩১। লক্ষ্মীনাথ ফুকন, 'প্ৰাইভেট চেক্ৰেটাৰী', পূৰ্ব উল্লিখিত, পৃ. ৩১

তেওঁৰ আছে দুৱাৰ লগোৱা 'আলমাৰি'। ৰাতিপুৱা শুই উঠি ন বজাত তেওঁ 'ব্ৰেকফাষ্ট' খায়, ডেৰমান বজাত 'লাঞ্চ' আৰু সাত-আঠমান বজাৰ ভিতৰত তেওঁ 'ডিনাৰ' খায়। এঘণ্টামান ৰেডিঅ' শুনি নাইবা খবৰ কাগজ পঢ়ি তেওঁ শোৱে।

এইহেন আধুনিক মাধৱচন্দ্ৰৰ ঘৈণীয়েক পিছে পুৰণিকলীয়া মহিলা। তেওঁৰ নাম হ'ল কিৰণ। খোৱা-বোৱা, পিন্ধা-উৰাত কিৰণৰ বৰ বাচ-বিচাৰ আছে। আনকি গা ধুই উঠিহে তেওঁ কোনোমতে চাহ টুপি খায়। বিপৰীতে, মাধৱচন্দ্ৰই সকলোৱে হাতে ৰন্ধা-বঢ়া খায়। হিন্দুস্থানী খাদ্য আৰু হিন্দুস্থানী ভাষা দুয়োটাৰ প্ৰতি মাধৱচন্দ্ৰৰ দুৰ্বলতা আছে। আচলতে, হিন্দুস্থানী ভাষাৰ যি জোৰ অসমীয়া ভাষাত যে সেয়া নাই, সেই কথা মাধৱচন্দ্ৰই ভালকৈয়ে বুজি উঠিছে। সুবিধা পালেই মাধৱচন্দ্ৰই ৰান্ধনি আব্দুলক টান কথা কয়। কিয়নো *"খুঁট নুলিয়ালে সি ভাবিব তেওঁ খোৱাৰ জুতি নেজানে বুলি। তাক শাসনত ৰখাৰো ই এটা উপায়।"* [৩২]

মাধৱচন্দ্ৰ আৰু পত্নী কিৰণ উভয়ৰে শোৱা বিচনা বেলেগ বেলেগ। আচলতে একাধিকবাৰ চেষ্টা কৰিও উভয়ে উভয়ক নিজৰ পক্ষত আনিবলৈ সমৰ্থ নহৈ এতিয়া দুয়োয়ে পৃথকে থাকিব লৈছে। তথাপি অলপ পঢ়া- শুনা কৰাব পাৰিলে কিৰণক সলাব পৰা যাব বুলি মাধৱে বিশ্বাস ৰাখে। এই বিশ্বাসৰ বলতে এদিন মাধৱচন্দ্ৰই কিৰণক প্ৰস্তাৱ দিয়ে যে ইচ্ছা কৰিলে তেওঁ কিৰণক পঢ়াব পাৰে। এই ক্ষেত্ৰত নিজ পিতৃ গৃহত শিকি অহা কথাৰেই উত্তৰ দি কিৰণে মাধৱচন্দ্ৰৰ মুখ বন্ধ কৰে।

মাধৱচন্দ্ৰই কাম কৰা ফুলপানী বাগিচাখন বিক্ৰী হয়। নতুন মালিক ৰতনমল বাবুৰ পৰা অধিক দৰমহা প্ৰাপ্তিৰ বাবে তেওঁ আশা পালে। ৰতনমল বাবুক খুৱাই - বুৱাই মাধৱ চন্দ্ৰই কৌশলেৰে এচিষ্টেণ্ট মেনেজাৰৰ পৰা 'মেনেজাৰ' পদ লাভ কৰে। এইখিনিতে গান্ধীবাদী ৰতনমল বাবুক ভুলাবলৈ মাধৱচন্দ্ৰই নিজে 'চেলোৱাৰ-পাইজামা' আৰু 'গান্ধী টুপী' পিন্ধা কৌশলে তেওঁক কামত দিয়ে। পুৰণি দৰমহাৰ পৰিমাণ কিছু বঢ়াবৰ আশাৰে মাধৱচন্দ্ৰই ৰতনমল বাবুলৈ এখন পত্ৰ লিখে। যথাসময়ত পত্ৰৰ উত্তৰ ঠিকেই আহে, কিন্তু মাধৱচন্দ্ৰই বিচৰা ধৰণে ৰতনমল বাবুয়ে দৰমহা নবঢ়ায়। বৰং 'মেনেজাৰ' হিচাপে দৰমহা কম হোৱা বুলি ভাবিলে মাধৱচন্দ্ৰই পুনৰ এচিষ্টেণ্ট মেনেজাৰকে হ'ব পাৰে বুলি ৰতনমল বাবুৱে উপদেশ দিয়ে।

---

৩২। লক্ষ্মীনাথ ফুকন, 'নতুন সুৰ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৩৩

এয়াই ‘নতুন সুৰ’ গল্পটোৰ মুল কথাবস্তু। গল্পৰ বৰ্ণনা শ্লেষপূৰ্ণ। সংলাপবোৰ দ্বাৰ্থবোধক আৰু হাস্য-ব্যঙ্গৰ সমাহাৰ। ঘৰুৱা শব্দৰ প্ৰয়োগেৰে কাহিনীভাগ অজটিল। সৰলভাৱে আখ্যান কোৱাৰ ধৰণটোৱে গল্পটোক সুখপাঠ্য কৰিছে।

**মহিমাময়ী**

‘মহিমাময়ী’ লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত পাৰিবাৰিক্ গল্প। ‘স্বভাৱ কৃপণ’ এগৰাকী মহিলাৰ কাম-কাজেই গল্পবস্তু হাস্যমধুৰ কৰি তুলিছে।

আনন্দ হ’ল তেজপুৰৰ বকুলবন বাগিচাৰ বৰকেৰাণী। ঘৈণীয়েক মহিমাময়ীয়ে ল’ৰা-ছোৱালীহালৰ সৈতে গুৱাহাটীতে থাকে। হাতধৰা হিচাপে লগত থাকি চাকৰণী ‘তৰবৰী’য়ে মহিমাময়ীক ঘৰুৱা কামত সহায় কৰে। অথচ, এই তৰবৰীকে মহিমাময়ীয়ে ল’ৰা-ছোৱালীহালৰ এৰেহা খুৱায়। এই কৃপণ স্বভাৱৰ বাবেই তেওঁৰ ঘৰত কোনো চাকৰ-চাকৰণী থাকিব নোখোজে। তথাপি মহিমাময়ীৰ চৰিত্ৰৰ সংশোধন নহয়।

মহিমাময়ীৰ স্বামী আনন্দৰ কোনো কৃপাণালি নাই। ‘বাহিৰে পাওনি’ বেছি বুলি তেওঁৰ খৰচো বেছি। বাগিচাত মহা আয়ামেৰে থকাৰ উপৰিও তেওঁ নিজে যেনেকৈ খায় আৰু আনকো খুৱায়। তদুপৰি, টকাৰ কথাত নালাগি তেওঁ সাতযোৰলৈকে জোতা কিনে। কিন্তু, মহিমাময়ী স্বামী আনন্দৰ বিপৰীত প্ৰকৃতিৰ। তাইৰ মতে খোৱা-বোৱা মানে টকাৰ অপচয় মাথোঁ। আনকি টিউচন মাষ্টৰৰ পৰা সুযোগ পালেই দিব লগা ফিজ তেওঁ কমকৈ দিয়ে।

মহিমাময়ীৰ খৰচৰ শিতানত ভাগিন ল’ৰা নবীনে আউল লগায়। বিশেষকৈ, নানান ধৰণৰ বজাৰ কৰা, অধিক দামত মাছ কিনা আদিত কিছু টকা নবীনে খৰচ কৰে। মনে মনে অসন্তুষ্ট হ’লেও মুখ ফুটায় ক’ব নোৱাৰি মহিমাময়ীয়ে মাথোন চাটি ফুটি কৰে। মহিমাময়ীৰ ভাৱ আহে যে নবীন নিজৰ ঘৰলৈ গলেই যেন ৰক্ষা পৰিব। অৱশেষত নবীন যাবলৈ ওলোৱাত মহিমাময়ীয়ে মাত্ৰ প্ৰমাদ গনে।

নবীনক খেদাবলৈ মহিমাময়ীয়ে যিমানে চলনা নকৰক লাগিলে, সকলো চলনা নবীনে মষিমূৰ কৰে। যাবৰ দিনটোত খৰচৰ নতুন বাট খুলি নবীন যাবলৈ ওলাই আৰু গাড়ী ভাড়া হিচাপে টকা বিচাৰে। কিহৰ টকা বুলি আচৰিত হ’লেও মহিমাময়ীয়ে নবীনক টকা নিদি নোৱাৰে। ‘মাইদেউ’ৰ

পৰা পচিশ টকা হাত পাতি লৈ নবীনে ইতিপূৰ্বে দোকানত বাকী কৰি থোৱা তেল, চাবোন আৰু ফনিৰ বাবদ তিনি টকা আঠ অনা ধাৰ মাৰিবলৈ দৰ্হাই-দৰ্হাই কৈ যায়।

মহিমাময়ী' গল্পৰ কাহিনীভাগ চমুকৈ এয়াই। গল্পটোৰ *"ঘটনাৰ বিন্যাস অতি সৰল অথচ সুপৰিকল্পিত। ঠিক সেইদৰে চৰিত্ৰৰ সমাৱেশো ইয়াত অতি কম আৰু সংযত।"*[৩৩] তদুপৰি *"আধুনিক জীৱনৰ বাহ্যিক মৰম স্নেহ প্ৰদৰ্শনৰ অন্তঃসাৰশূন্যতা"*[৩৪] চৰিত্ৰৰ চাৰিত্ৰিক বৈষম্যৰ মাজেদি স্পষ্ট হৈ উঠিছে।

**টাইপিষ্টৰ জীৱন**

'টাইপিষ্টৰ জীৱন' গল্পটো এগৰাকী টাইপিষ্টৰ জীৱন চিত্ৰায়ক। ঊনবিংশ শতিকাৰ অন্তঃসাৰশূন্য চৰিত্ৰ কিছুমানক কেন্দ্ৰ কৰি গল্পৰ কাহিনীভাগ নিৰ্মাণ হৈছে।

টাইপিষ্ট মানিক শইকীয়া চৌধুৰী ব্ৰাডাৰ্চ কোম্পানীৰ এগৰাকী কৰ্মচাৰী। যুদ্ধৰ সময়ত মাহে ৩০০ টকীয়া মানিক শইকীয়াই পূৰ্বৰ কাম হেৰুওৱাৰ পিছত চৌধুৰী ব্ৰাডাৰ্চ কোম্পানীতে টাইপিষ্টৰ কামত সোমাইছে। তেওঁৰ এতিয়াৰ মাহিলি দৰমহা ১০০ টকা মাত্ৰ। মানিক শইকীয়াই কোনোদিনে কামত ফাঁকি দিয়া নাই। ঠিক দহ বজাৰ লগে লগে অফিচত হাজিৰ হয় আৰু দিনৰ দিনটো মেনেজাৰৰ পৰা অহা সকলো কাগজ পত্ৰ টাইপ মাৰি তেওঁ ওভটাই দিয়ে। তেওঁৰ সাজ-পাৰ বুলিলে মূলতঃ কোট-পটলুং। জাৰকালি পিন্ধা কোটটোৰ গলধনত লাগি থকাখিনি ভেঁকুলীৰ ছালৰ দৰে খৰ্খৰীয়া হৈ পৰিছে। কোটটোৰ বাউসীৰ তলত তাপলি মৰা আৰু পটলুংটোৰ ভৰিৰ গোৰোহাৰ পিনে ছিগি দহি ওলোৱা।

বৰকেৰাণীৰ পৰা চাপ্ৰাচীলৈকে সকলোৱে কামত ফাঁকি দিয়াৰ সময়তো টাইপিষ্ট শইকীয়াই অবিৰত কাম কৰি যায়। এই গুণৰ বাবে মানিক শইকীয়াক মেনেজাৰে মাজে মাজে প্ৰশংসা কৰে। কিন্তু মেনেজাৰৰ প্ৰশংসাৰে যে পেট নভৰে, এই কথা কৈ অজিতে মানিক শইকীয়াক তলাব নোৱাৰে। টাইপিষ্ট শইকীয়াৰ দৃঢ় মত -

*"কাম মই কৰিবই লাগিব অজিত আৰু কাম যেতিয়া কৰিছোৱেই ভালকৈনো*

---

৩৩। গোবিন্দ প্ৰসাদ শৰ্মা, 'লক্ষ্মীনাথ ফুকনৰ গল্প ' লক্ষ্মীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ, সম্পা., উপেন্দ্ৰ বৰকটকী, পৃ. ৯১

৩৪। ত্ৰৈলোক্য নাথ গোস্বামী, আধুনিক গল্প সাহিত্য, পৃ. ১২১

*নকৰিম কিয়?”*[৩৫]

অফিচৰ সকলোৱে মিলি মেনেজাৰক এখন দৰ্খাস্ত দিলে। আন অভাৱ-অভিযোগৰ লগতে দৰমহা বঢ়োৱাৰ কথাও তাত উল্লেখ কৰা হ’ল। মেনেজাৰৰ সিয়ান বুদ্ধিৰ তৎ নোপোৱা মানিক শইকীয়াই ভাবে যে মেনেজাৰে যি কৰে ভালেই কৰিব। এই সৰলমতীয়া মানিক শইকীয়াৰ জ্বৰ হ’ল। পৰীক্ষা কৰি জনা গ’ল টাইফয়েড ৰোগত তেওঁ আক্ৰান্ত হৈছে। অফিচৰ পৰা পোৱা আগধন ১০০ টকা দৰৱতে খৰচ হ’ল। গতিকে, উপায়হীন টাইপিষ্ট শইকীয়াই ১০০ টকাৰ বাবে কোম্পানীলৈ আৱেদন কৰিলে। চতুৰ মেনেজাৰে নিজৰববীয়াকৈ ৫০ টকা আৰু আনসকলৰ পৰা ৫০ টকা উঠাই মুঠ ১০০ টকা অনুদান দি ততাতৈয়াকৈ দায়িত্ব সামৰিলে। অৱশ্যে টকা উঠোৱাত আগভাগ লোৱা বৰকেৰাণীক তেওঁ ‘চাবাইচ’ দিবলৈ নেপাহৰিলে।

অফিচত উঠোৱা টকা গৈ মানিক শইকীয়াৰ ঘৰ নাপালে। টাইফয়েডত হাৰ মানি মানিক শইকীয়া ঢুকাল। এই খবৰ পোৱা মাত্ৰে অফিচৰ পৰা দুই চাৰিজন আহি খবৰ ল’লেহি। মেনেজাৰে ফুলৰ মালা এধাৰি শৱটোৰ ওপৰত দিবলৈ বুলি পঠায় দিলে। তাৰ লগে লগে প্ৰয়াত শইকীয়াৰ ডাঙৰ ল’ৰালৈ বুলি মেনেজাৰে চিঠি লিখিলে আৰু গভীৰ শোক প্ৰকাশেৰে সমবেদনা জ্ঞাপন কৰি মৃতকৰ বাবে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালে। লগতে শোক সভা এখন অনুষ্ঠিত কৰি মেনেজাৰে মানিক শইকীয়াৰ গুণ বখানি ৰুমালেৰে চকুলো মচি দীঘলীয়া বক্তৃতা দিলে। কৰ্মই ধৰ্ম বুলি জানি কৰ্ম কৰা শইকীয়াৰ পদাংক অনুসৰণ কৰিবলৈ মেনেজাৰে উপস্থিত সকলোকে আহ্বান জনালে আৰু সভা ভঙ্গ দিলে।

কাহিনীভাগ মূলতঃ এয়াই। ব্যহ্যিক আচৰণৰ অন্তৰালত লুকাই থকা অন্তঃসাৰশূন্যতা গল্পটোৰ আকৰ্ষণ হৈ দেখা দিছে।

**বিহু সন্মিলন**

ঊনবিংশ শতিকাৰ সমাজ-সংস্কৃতিৰ পটভূমিত গল্পৰ কথাবস্তু নিৰ্মাণ কৰা হৈছে। সংস্কৃতিৰ নামত গঢ় লোৱা এক বাণিজ্যিক অভিসন্ধি গল্পটোত মূৰ্ত হৈ উঠিছে।

৩৫। লক্ষ্মীনাথ ফুকন, ‘টাইপিষ্টৰ জীৱন’, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৭২

গগনমণ্ডল পেচাত উকিল। তেওঁৰ পত্নীৰ নাম বিচিত্ৰময়ী। সভা-সমিতি গঠন কৰা আৰু তাৰ সম্পাদিকা-সভানেত্ৰী হোৱাৰ ক্ষেত্ৰত তেওঁ বৰ আগৰণুৱা। তেওঁৰ বুদ্ধিমত্তাই উকীল স্বামী গগনমণ্ডলক কেতিয়াবাই চেৰ পেলাইছে। কোনো আপত্তি নকৰা গগনমণ্ডলেও এই কথা বুজি উঠিছে।

ৰাজহুৱা সভা-সমিতিত আগভাগ লৈ আৰু প্ৰয়োজনত বক্তৃতা দিহে বিচিত্ৰময়ী ঘৰ সোমায়। স্বামীদেৱতা গগনমণ্ডলে ভাতৰ তলত জুই নধৰা বাবে কেতিয়াবা তেওঁৰ অলপ খঙেই উঠে। তথাপি কাজিয়ালৈ নগৈ দুয়ো ৰন্ধা-বঢ়াত লাগে। পত্নী বিচিত্ৰময়ীয়ে উপদেশ দিয়ে যে দুৰ্নীতি নিবাৰণী সভা বা তেনে কিবা সন্মিলনী পাতি গগণমণ্ডলে দেখোন তাৰ সম্পাদক বা সভাপতিকে হ'ব পাৰে। এবাৰতে বুজি পোৱা *"গগণমণ্ডলে ভাবে বিচিত্ৰময়ী এনেয়ে মহিলা মহামণ্ডলৰ ঘাই সম্পাদিকা হোৱা নাই। গুণ আছে দেখিয়েই হে তেওঁক সেই পদত অধিষ্ঠিত কৰি ৰাখিছে।"* ৩৬

বিচিত্ৰময়ীয়ে স্বামী গগনমণ্ডলক লগত লৈ হুকুমচান্ড বাবুক লগ ধৰে। বিহু সন্মিলনলৈ 'মুখ্যমন্ত্ৰী' অহাৰ সংবাদ দি বিচিত্ৰময়ীয়ে হুকুমচান্দৰ পৰা চাঁদা হিচাপে তিনিশ টকা আদায় কৰে। ঘৰলৈ আহোঁতে সেই টকাৰে তেওঁ ল'ৰা-ছোৱালী আৰু স্বামীৰ বাবে কাপোৰ কিনি আনে। অৱশ্যে সন্মিলনীৰ আন সদস্যই এই কথাৰ কোনো সংবাদ নাপায়।

বিহু সন্মিলনীলৈ মুখ্যমন্ত্ৰী আহিব নোৱাৰিলে। হঠাৎ দিল্লীলৈ যাব লগাটোৱে ইয়াৰ কাৰণ বুলি বিচিত্ৰময়ীয়ে সকলোকে জনাই দিলে। মুখ্যমন্ত্ৰীয়ে পঠোৱা বুলি এটা বাণী পাঠ কৰি সম্পাদিকা বিচিত্ৰময়ীয়ে সকলোকে বিশ্বাস দিয়াই যদিও এই কথাত হুকুমচান্দ বাবু বৰ নিৰুৎসাহ হৈ ৰয়। অৱশ্যে মুখ্যমন্ত্ৰীৰ লগতে আৰু বহু আহিব লগা ব্যক্তি বিহুলৈ নাহে। নিমন্ত্ৰণ নিদিয়াকে বহু চিঠি যে বিচিত্ৰময়ীৰ টেবুলৰ ড্ৰয়াৰত থাকি গ'ল, এই কথা নজনা বাবে বিহুলৈ মানুহ নহাৰ সাঁথৰটো কোনোৱে ভাঙিব নোৱাৰে। তথাপি, তৰপে তৰপে দিয়া নানাজনৰ ভাষণৰ হাত চাপৰিত বিহুৰ ৰভা ৰজনজনাই যায় ।

বিহু সন্মিলনলৈ মানুহ আহক বা নাহক, বিহুৰ বতৰ বুলি বিচিত্ৰময়ীৰ জেপলৈ টকা কিছু আহে। হুকুমচান্দ বাবুৰ দৰে মানুহক হাত বুলাই ৰাখিব পাৰিলে ভৱিষ্যতলৈ আৰু যে টকা আহিব—

৩৬ । লক্ষ্মীনাথ ফুকন, 'বিহু সন্মিলন', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৮৩

এই কথা বিচিত্ৰময়ীয়ে বৰ ভালকৈ বুজি উঠিছে। ততাতৈয়াকৈ সন্মিলন সামৰি বিচিত্ৰময়ী ঘৰমুৱা হয়। ঘৰ আহি পায় পিছফালৰ বাৰাণ্ডাত পিঠিত থপৰিয়াই-থপৰিয়াই গগনমণ্ডলে ল'ৰাটো টোপনি নিয়াব ধৰা তেওঁ প্ৰত্যক্ষ কৰে।

স্বকীয় শব্দ সৃষ্টিৰে লক্ষ্মীনাথ ফুকনে গল্পটোত ব্যঙ্গৰ প্ৰয়োগ কৰিছে। প্ৰকাশভঙ্গী শ্লেষপূৰ্ণ। লোক-সাংস্কৃতিক উপাদানৰ তীৰ্যক উপস্থাপন, ভাৱ আৰু ভাষাৰ সংগতিহীনতা আৰু পৰিণতিমুখৰ ঔৎসুক্য আদিয়ে হ'ল গল্পবস্তুৰ আকৰ্ষণৰ কাৰক।

**সংগীত সন্মিলন**

'সংগীত সন্মিলন' এটা ব্যঙ্গাত্মক গল্প। আধুনিকতাই গ্ৰাস কৰা যন্ত্ৰ যুগত বিহুৰ দৰে সাংস্কৃতিক পৰম্পৰাৰ অৱস্থিতি চিত্ৰণেৰে গল্পবস্তু গঢ় লৈছে।

কল্যানপুৰত সঙ্গীত সন্মিলনৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হৈছে। চন্দ্ৰকান্ত দুৱৰাৰ চাকৰ ল'ৰাটোৱে তাৰ্লৈকে দুৱৰানীক লগ ধৰিলে। আচলতে, সঙ্গীতৰ নামত গাৰ কাপোৰ-কানি খুলি নচা নাচ চাবৰ আশাতহে তাৰ এই আগ্ৰহ। দেখা গ'ল যে নাচৰ ঠাইত সভাৰ সভাপতি মদনমাধৱ বৰুৱাৰ অভিভাষণহে বহুপৰ চলিল। 'বাৰমাহী গীত' শীৰ্ষক ভাষণটো দিবলৈ গৈ সভাপতিয়ে বাৰে বাৰে বৰমাহী-বৰমাহী বুলি কোৱাত ত্ৰৈলোকেশ্বৰ ভট্টাচাৰ্যই ধৈৰ্যচ্যুতি হৈ সভা ত্যাগ কৰিলে।

ত্ৰৈলোকেশ্বৰ ভট্টাচাৰ্য হ'ল লক্ষ্ণৌৰ পৰা হোৱা সঙ্গীত বিষাৰদ। সেই বাবে তেওঁকে সঙ্গীত সন্মিলনৰ সভাপতি পতাৰ কথা আছিল। জিলা পুথিভঁৰালত অনুষ্ঠিত হোৱা সভাখনত সভাপতিৰ বাবে বহুতৰে নাম প্ৰস্তাৱ হ'ল। এই কথাটোতে কি ভাবি জানো ত্ৰৈলোকেশ্বৰে নিজৰ নামটো উঠাই ললে। ফলত, মদনমাধৱ আৰু প্ৰশান্ত কুমাৰৰ মাজত ভোট হ'ল আৰু মদনমাধৱ বিপুল ভোটত জয়ী হ'ল। সভাপতি হৈয়েই তেওঁ সভাৰ পৃষ্ঠপোষক হিচাপে মুখ্যমন্ত্ৰী আৰু গৱৰ্ণৰক বিচাৰি গ'ল। উভতি আহি মুখ্যমন্ত্ৰীয়ে কৈ পঠোৱা বুলি কুন্দনমলৰ পৰা তেওঁ সন্মিলনৰ পেণ্ডেলটো সৰকালে। ইয়াৰ উপৰিও আন দুই-চাৰিজনকো সন্মিলনৰ পৃষ্ঠপোষক কৰিব বিচৰা হৈছিল যদিও সভাপতিৰ চতুৰালি ধৰিব পাৰি সেইসকলে কৌশলেৰে মূৰ পোলোকা মাৰিলে।

সন্মিলনৰ দিনাখন মদনমোহনৰ অভিভাষণ্ শুনিব নোৱাৰি আৰু এজন লোকে সভা ত্যাগ কৰে। তেওঁ হ'ল - বিশ্বেশ্বৰ। ইতিমধ্যে খোজ কাঢ়িয়ে ঘৰলৈ গৈ থকা ত্ৰৈলোকেশ্বৰক তেওঁ

বাটতে লগ পালে। গাড়ীৰে গৈ থাকোঁতে দুয়োৰে মাজত বহু কথা আলোচনা হ'ল। ত্ৰৈলোকেশ্বৰে ক্ষোভেৰে ক'লে যে সভালৈ তেওঁ নিমন্ত্ৰিত হোৱাই নাছিল; সেয়েহে পেণ্ডেলৰ বাহিৰৰ পৰা অভিভাষণটো শুনিয়ে তেওঁ গুচি আহিল। কথাটো জানিব পাৰি বিশ্বেশ্বৰো বৰ ক্ষোভিত হোৱা দেখা গ'ল।

চাওঁতে চাওঁতে সঙ্গীত সন্মিলনৰ সামৰণি পৰিল। সভাপতিয়ে বাহিৰৰ পৰা অহা শিল্পী 'ললিতলবঙ্গলতা' আৰু 'নিভাননীচন্দ্ৰিকা'ক কাজিৰঙা দেখুৱাই আহ্লাদিত কৰালে। শিল্পী দুগৰাকীয়ে পাব লগা ধনৰ পৰা কাজিৰঙা চোৱাৰ খৰচ কৰ্তন কৰিও মদনমাধৱে সন্মিলনৰ হিচাপ বহীত সেই খৰচখিনি লিখি থলে।

সন্মিলন শেষ হোৱাৰ পিছত মদনমাধৱে এটা খানাৰ আয়োজন কৰিলে। স্থানীয় এম.এল.একে ধৰি আন মানুহকো খানা খাবলৈ মতা হ'ল। ক'বলৈ একো কথা নথকাত এম, এল, এ কীৰ্ত্তিভূষণ খাটনিয়াৰে মদনমাধৱক সন্মিলনৰ কথা শুধিবলৈহে পালে - *"এ নকব বুজিছে নে? সঙ্গীত সন্মিলনৰ লগত খাৱন শোৱনতো গ'লেই গাৰো ভালকৈয়ে লটি-ঘটি হ'ল। ঠাণ্ডা লাগি কাহ হৈ মোক জুলুকি জুলুকিকৈ শিকালে।"* [৩৭] নিজৰ কষ্টৰ কথা কৈ মদনমাধৱে বৰকৈ জহালে। এনেতে আহি উপস্থিত হোৱা নন্দিতা ফুকননীৰ মতামত জানিবলৈ মদনমাধৱে আগ্ৰহ প্ৰকাশ কৰাত, ফুকননীয়ে 'বাৰমাহী গীত'ৰ ঠাইত 'বৰমাহী' বোলাৰ ভুলটোকে উনুকিয়ালে। পিছে হাৰ মানিব নোখোজা মদনমাধৱে ফুকননীক মুখ বন্ধ হোৱাকৈ উত্তৰ দি বিজয়ৰ হাঁহি মাৰিলে।

এয়াই 'সঙ্গীত সন্মিলন' গল্পটোৰ মূল কাহিনী। নিজে সৃষ্টি কৰা নামবাচক শব্দৰ প্ৰয়োগেৰে গল্পকাৰে ব্যঙ্গৰ সমাহাৰ ঘটাইছে। চৰিত্ৰৰ আচৰণ আৰু বক্তব্যত শ্লেষ প্ৰচুৰ। বাক্য গাঁঠনি আৰু ভাৱনাৰ বিসঙ্গতিৰে তথাকথিত ৰাজনীতিক আৰু সাংস্কৃতিক কৰ্মীৰ ফোঁপোলা মনোবৃত্তি সুন্দৰকৈ চিত্ৰিত কৰিছে।

**প্ৰতিদান**

'প্ৰতিদান' গল্পটো গল্পকাৰ লক্ষ্মীনাথ ফুকনৰ পৰ্যৱেক্ষণশীলতাৰ পৰিচায়ক। বয়সত

৩৭। লক্ষ্মীনাথ ফুকন, 'সঙ্গীত সন্মিলন', আনন্দে নধৰে হিয়া, পৃ. ৯০

জেষ্ঠ্য হ'লেও মানুহ এজন কিদৰে বিকৃত মানসিকতাৰ চিকাৰ হ'ব পাৰে তাৰেই ব্যাখ্যা গল্পটোত পৰিলক্ষিত হয়।

ইঞ্জিনিয়াৰিং ৱৰ্কচৰ মেনেজিং ডাইৰেক্টৰ ভগীৰথ কুমাৰ চৌধুৰী। অফিচলৈ কোট পটলুং পিন্ধি গ'লেও আজি তেওঁ ধুতিখনকে লুঙি যেন কৰি পিন্ধি ল'লে। অফিচ এচিষ্টেণ্ট মনোৰমাৰ দ্বাৰা নিশাৰ নিমন্ত্ৰণ পায়েই তেওঁৰ এয়া সাজোন-কাচোন। পত্নী ললিতাৰ হাতেৰে ৰন্ধা লুচি-মাংস পৰম তৃপ্তিৰে খায় চৌধুৰীয়ে মনোৰমাৰ ঘৰলৈ যাবৰ বাবে সাজু হ'ল।

মনোৰমা এগৰাকী বিবাহিতা মহিলা। গিৰিয়েক ভাস্কৰে জনছন ব্ৰাদাৰ্চ লিমিটেডৰ চেলচ্‌মেন। এনেয়ে থকাতকৈ মনোৰমাই  চৌধুৰীৰ অফিচত কাম এটা ল'লে। সুযোগ সন্ধানী চৌধুৰীয়ে  এক যৌনগন্ধী আৱেদন ৰাখি মনোৰমাৰ সতে চুপতি মৰা আৰম্ভ কৰিলে। মনোৰমাই কথাৰ উজানত উটি ভাহি চৌধুৰীক বৰ আহ্লাদিত কৰিলে। এইগৰাকী মনোৰমাৰ পৰা নিশাৰ নিমন্ত্ৰণ অহাৰ লগে লগে চৌধুৰী তৎক্ষণাত মান্তি হ'ল। টেলিফোন এক্সেনজত খবৰ কৰি চৌধুৰীয়ে নিমন্ত্ৰণৰ বাবে পূৰ্ব নিৰ্দ্ধাৰিত সময়  হাতৰ ঘড়ীটোত মিলাই ললে। ভগীৰথে কাপোৰ পিন্ধি সাজু হয় মানে ঘৈণীয়েক ললিতাই সকলো যোগাৰ কৰি দিলে। ভগীৰথে একোকে নালাগে বুলিলত ললিতাই পাকঘৰলৈ গ'ল। ঘৈণীয়েক যোৱাৰ ফালে চাই থাকি তেওঁ ক'লে- *"ললিতাকো মোক লাগিব মনোৰমাকো লাগিব। মই দুয়োকো ভাল পাম। ললিতা মোৰ স্ত্ৰী-সহধৰ্ম্মিণী; মনোৰমা মোৰ প্ৰেমিকা - সহৰঙ্গিণী।"*[৩৮]

পৰিপাতি সাজ পিন্ধি ভগীৰথ কুমাৰ চৌধুৰীয়ে মনোৰমাৰ দুৱাৰত টোকৰ দিলে। দুৱাৰ খোলাৰ লগে লগে  অন্তৰদাহী তৃষ্ণা ভৰা দৃষ্টি ঢালি চৌধুৰীয়ে মনোৰমাৰ ফালে চালে। মনোৰমাক সাৱতি ধৰিবৰ মন গৈছিল যদিও তাইৰ হাক বচন শুনি তেওঁ অলপ থমকি ৰ'ল। ফুলশয্যা সজাবলৈ বুলি শোৱনি কোঠালৈ  সোমোৱা মনোৰমাই বহুপৰ কোঠাৰ পৰা নোলাল। অৱশেষত, অন্তৰ্দাহী উৎকণ্ঠাৰ অৱসান ঘটায় *"ভগীৰথে শুনিবলৈ পালে তিনিটি আখৰৰ সঙ্গীময় শব্দ এটি 'আহক'। সঙ্গীতময় কিন্তু প্ৰাণ-উন্মাদক। তেওঁৰ শৰীৰৰ সিৰাই-সিৰাই তপত তেজ তগবগাবলৈ ধৰিলে।"*[৩৯]

---

৩৮। লক্ষ্মীনাথ ফুকন, 'প্ৰতিদান', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ১০৬

৩৯। উল্লিখিত গল্প, পৃ. ১১০

মনোৰমাৰ আহ্বানমৰ্মে ভগীৰথে কোঠাৰ ভিতৰত প্ৰৱেশ কৰিলে। বিছ্নাত উঠি প্ৰেয়সী মনোৰমাৰ সতে সাৱটা-সাৱটি কৰিব ধৰোঁতেই কাৰোবাৰ হাতৰ ঘোচা, চৰ, ভুকুঁৰ কোবত ভগীৰথৰ দেহ জঠৰ হোৱাদি হ'ল। কোঠাৰ লাইট জ্বলি উঠাত ভগীৰথে দেখিলে যে বুকুৰ ওপৰত বহি মনোৰমাৰ স্বামী ভাস্কৰে তেওঁক ডবহা হাতেৰে পিহিব লাগিছে। মনোৰমাৰ বাধাত মাৰ-পিত বন্ধ কৰি ভাস্কৰে ভগীৰথক টান মাৰি বিচনাৰ পৰা নমালে। কিংকৰ্তব্যবিমূঢ় হৈ খোলা দৰ্জাৰে জঠৰ দেহ লৈ ভগীৰথ লাহে  লাহে বাহিৰলৈ ওলায় আহিল।

এয়াই চমুকৈ 'প্ৰতিদান' গল্পৰ কাহিনী। যৌনগন্ধী ভাৱ-আকাঙ্খাৰে কাহিনীৰ গতি নিৰ্ণয় কৰা হৈছে। এক কথাত হাস্য-ব্যঙ্গৰ যোগেদি গল্পকাৰে মনস্তত্ত্বগত আৰু জৈৱিক সমস্যা গল্পত অৱতাৰণা কৰিছে। ভাষাৰ বলত পৰিস্থিতি প্ৰাণৱন্ত আৰু অৰ্থৱহ হৈছে। ঘটনাৰ আকস্মিকতাই ব্যঙ্গৰ মূল সোঁতটো  দ্ৰুত কৰি ৰাখিছে।

**বুঢ়াৰ বিয়া**

শ্ৰীকান্ত বয়সত পঞ্চাশৰ উৰ্দ্ধৰ লোক। এবাৰ বিয়া কৰাইছিল যদিও পত্নী বিয়োগৰ পিছত পুনৰায় বিয়ালৈ আৰু মন নকৰিলে। আচলতে, পত্নী বিয়োগৰ পিছত তেওঁৰ বাবে জীৱনটো অসাৰ যেন বোধ হ'ল। গতিকে জীৱনৰ বাকী থকা দিন কেইটা দেশ আৰু সমাজৰ হকে অতিবাহিত কৰাৰ বাবে তেওঁ পণ কৰিলে। কিন্তু এদিনাখন পাশা খেলিবলৈ গৈ দীনেশ্বৰৰ ছোৱালী পদ্মাৱতীক দেখাৰে পৰা শ্ৰীকান্তৰ মনত নতুন ভাৱৰ উদ্ৰেক হ'ল। প্ৰেমৰ বিকাৰত পেটৰ ভোক নোহোৱা হ'ল আৰু চকুৰ আগত অনৱৰতে পদ্মাৱতীৰ ছবিহে ভাহি উঠিবলৈ ধৰিলে।

পদ্মাৱতী ভৰ্পূৰ্ যৌৱনমতী ছোৱালী। তাইৰ প্ৰতি বাঢ়ি অহা আকাংক্ষাই শ্ৰীকান্তক এনেদৰে পীড়িত কৰিলে যে পদ্মাৱতীক বিয়া কৰাবৰে তেওঁৰ মন গ'ল। পদ্মাৱতীৰ বিষয়ে শ্ৰীকান্তই যিমানে ভাৱত বিভোৰ হ'ল, সিমানে তেওঁৰ চকুৰ সম্মুখত হাজাৰে হাজাৰে, অৰ্ব্বুদে অৰ্ব্বুদে, লাখে লাখে পদ্মাৱতী ওলাব সোমাব ধৰিলে। আনকি সেই নিশাৰ টোপনিতো শ্ৰীকান্তই পদ্মাৱতিৰ ডিঙিত মালাধাৰি পিন্ধাই দিয়াৰ সপোন দেখিলে।

পদ্মাৱতীৰ ভাৱত বিভোৰ শ্ৰীকান্তই আগৰ ঘৈণীগৰাকীৰ কথা মনত নকৰা হ'ল। নিজকে কোমলমতীয়া দেখুৱাবলৈ তেওঁ মিহিকৈ গোঁফকোছা খুৱালে। লগে-লগে ৰহন সানি চুলিখিনি

কিছ্‌কিছীয়া ক'লা কৰিলে। আনহাতে, আৰ্চীত মুখখন চাই মুখত এতিয়াও খাল পৰা নাই বাবে মনতে বৰ সন্তোষ পালে।

পদ্মাৱতীৰ প্ৰতি বিবাহৰ ভাৱ পোষণ কৰা শ্ৰীকান্তৰ মনৰ খবৰ ৰাষ্ট্ৰ হৈ পৰিল। ইকাণ-সিকাণ কৰি কথাটো পদ্মাৱতীৰ পিতৃ দীনেশ্বৰৰ কাণতো পৰিল। কথা বিষম দেখি তেওঁ শ্ৰীকান্তক মাতি পঠালে। কথামতে শ্ৰীকান্ত দীনেশ্বৰৰ সন্মুখত উপস্থিত হ'ল। সহজতে শ্ৰীকান্তই দীনেশ্বৰৰ পৰা পদ্মাৱতীক বিয়া কৰোৱাৰ সন্মতিও লাভ কৰিলে। *"বিধবা-বিবাহৰ পক্ষে, বাল্য-বিবাহৰ বিপক্ষে আৰু ষোড়শী যুৱতীৰে সৈতে তিনিকুৰি বছৰীয়া বুঢ়াৰ বিয়াৰ বিৰুদ্ধে"*[৪০] ভাষণ দি ফুৰা দীনেশ্বৰৰ এই বিবাহৰ প্ৰতি সন্মতি প্ৰদান নিশ্চয় সন্দেহৰ বিষয়; কিন্তু দীনেশ্বৰৰ কথাৰ বাবে শ্ৰীকান্তৰ মনত উদয় হোৱা প্ৰশ্নবোধক ভাৱ আঁতৰি গ'ল।

যথা সময়ত বিবাহ কাৰ্য সম্পন্ন হ'ল। ন-বোৱাৰী শ্ৰীকান্তৰ গৃহত প্ৰৱেশ কৰিলে। আনন্দত উত্ৰাৱল শ্ৰীকান্তই কইনাৰ ওৰণি দাঙি মুখখন চোৱাৰ মানস কৰিলে। যথাৰীতি ওৰণি দঙাৰ লগে লগে শ্ৰীকান্ত হতভম্ব হ'ল। তেওঁ দেখিলে এয়া দেখোন দীনেশ্বৰৰ কন্যা পদ্মাৱতী নহয়, পাগলী এজনীহে।

এয়াই 'বুঢ়াৰ বিয়া' গল্পটোৰ মূল কাহিনীভাগ। সৰল ঘটনাক্ৰম আৰু পোনপতীয়া বাক্য গাঁঠনিৰে কাহিনীৰ পৰিসৰ ঠেক। সমাজ সচেতনতাৰ ছাপ গল্পটোত বৰ্তমান। ভাষণেৰে আসন পোৱা মানসিকতাৰ প্ৰতি যথাযথ শ্লেষ আৰু ব্যঙ্গই বিষয়ৰ আৱেদন বৃদ্ধি কৰিছে। বিষয় ব্যাখ্যাৰ আঁৰৰ মন্তব্যই গল্পৰ মূল তত্ত্ব বা দৰ্শনকো প্ৰতিনিধিত্ব কৰিছে। গল্পটো হাস্যৰসাত্মক।

### ২.১.৪ প্ৰেমমূলক চুটিগল্প

#### বাঁহীৰ সুৰ

বাগানৰ পৰা পলাই অহা ল'ৰা উদয়। হলিৰামৰ ঘৰখনক আপোন বুলি ভাবি মাত্ৰ তিনি টকাতে সি চাকৰ হিচাপে দিন অতিবাহিত কৰিছে। তাৰ লগত আছে এটা বাঁহী আৰু ধনু-কাঁড়। কৰ্মত উদ্যমী বাবে হলিৰামে তাক বৰ ভাল পায়। উদয়ক ভাত দিবলৈ বুলি হলিৰামৰ ছোৱালী বিচিত্ৰা পথাৰলৈ আহে। সি চৰাই মাৰি ফুৰা কথাটোত বিচিত্ৰাই অলপ আপত্তি কৰে বাবে সি চৰাই

৪০। লক্ষ্মীনাথ ফুকন, 'বুঢ়াৰ বিয়া', মালা, পৃ. ২৬

মৰা বন্ধ কৰে। চৰাই মাৰিব এৰি উদয়ে বাঁহী বজাবলৈ লয়। এটা সময়ত তাৰ বাঁহীৰ সুৰে বিচিত্ৰাক মতলীয়া কৰে আৰু লগে লগে তাৰ গাৰ গঠনতো তাই মুগ্ধ হয়। মুহূৰ্তৰ বাবে উদয়ৰ জাত-পাত পাহৰি তাই সকলো মানুহৰ সমানে তাকো জ্ঞান কৰিব ধৰে।

উদয়ৰ বাঁহীৰ মাতত বিচিত্ৰা আনমনা হয়। মাকে ভিতৰৰ পৰা মাতি থাকিলেও তাই সেই মাত এবাৰতে নুশুনা হয়। সুযোগ পালেই দুয়ো মনৰ ভাৱ আদান-প্ৰদান কৰিবলৈ লয়। আহ্লাদ বাঢ়ি ইজনে সিজনক এৰিব নোৱাৰা হোৱাত, এদিন অকস্মাৎ উদয় আৰু বিচিত্ৰা পলাই যায়। নিশা খবৰ কৰি বিচিত্ৰাক বিচাৰি পোৱা গ'ল যদিও উদয়ৰ কোনো শুংসুত্ৰ নোলায়।

গাঁওবুঢ়াৰ উপস্থিতিত বিচিত্ৰাৰ ওপৰত বিচাৰ চলে। কোনোৱে বিচিত্ৰাক ইংৰাজ চাহাবলৈকে মেম হিচাপে দিবৰ মন কৰিলে। বিচিত্ৰাক বোৱাৰী হিচাপে পাবৰ বাঞ্ছা কৰি পূৰণ নোহোৱা লম্বোদৰে এতিয়া সুযোগ লয় আৰু তাইক চাহাবলৈ দিয়াৰ ইচ্ছা প্ৰকাশ কৰে। এনেতে তেওঁৰ পুত্ৰ জয়ৰামে আহি বিচিত্ৰাক বিয়া কৰাবৰ বাবে প্ৰস্তাৱ ৰাখে। কথাটো ভূমিধৰ পণ্ডিতে বৰ ভাল পায়। এই বিবাহ মানি ল'ব নোখোজা লম্বোদৰক পণ্ডিতে বুজনি দিয়ে *"কোনোবা খালত পৰিলে তাক তাৰ পৰা তুলিবহে লাগে, তাতে কঁকাল ভাঙি এৰি থৈ আহিব নালাগে। জয়ৰামৰ নিচিনা ডেকা ল'ৰাহে আমাৰ দৰ্কাৰ।"*[৪১]

এয়াই 'বাঁহীৰ সুৰ' গল্পৰ বিষয়বস্তু। ঘটনা-উপঘটনাৰ সমাৱেশেৰে এটা প্ৰেমৰ আখ্যান গল্পকাৰে ইয়াত আগবঢ়াইছে। চুটি চুটি সংলাপ আৰু আপ্তবাক্যৰ প্ৰয়োগ গল্পটোৰ মন কৰিবলগীয়া বিশেষত্ব। ডেকা বয়সৰ অপৈণত প্ৰেমৰ ছবিয়ে কাহিনীভাগক পাতল কৰিছে। তথাপি গল্পৰ ৰসাস্বাদন ব্যাহত হোৱা নাই। গল্পৰ শেষত গল্পকাৰৰ প্ৰগতিশীল চিন্তাৰ ছাপ স্পষ্ট।

**আপোন মানুহ**

গল্পটোৰ কাহিনীভাগ প্ৰেমৰ ভাৱানুভূতিৰে ভৰ্পূৰ্। ডেকা-গাভৰুৰ পাৰস্পৰিক আকৰ্ষণে আখ্যান ভাগৰ সুষমা বঢ়াইছে।

কিৰণ আৰু পৱিত্ৰ নলে-গলে লগা বন্ধু। কিৰণৰ কথা পেলাব নোৱাৰি পৱিত্ৰই তেওঁৰ ঘৰত আলহী হ'ল। কিৰণৰ দেউতাকৰ সতে বিভিন্ন কথা পতাৰ পিছত পৱিত্ৰই কাপোৰ-কানি

৪১। লক্ষ্মীনাথ ফুকনৰ, 'বাঁহীৰ সুৰ', মৰমৰ মাধুৰী, পৃ ১২৭

সলায় ল'লে। এনেতে, সুধা (কিৰণৰ ভনী) আহি দেখা দিলত দুয়োৰে মাজত সাধাৰণ কথা-বতৰা হ'ল। কথাৰ মাজতে সাত বছৰৰ আগৰ কথা এটাৰে পৱিত্ৰৰ মনত পৰি গ'ল। বাস্তৱলৈ ঘূৰি আহি পৱিত্ৰই দেখিলে যে সুধাই পৱিত্ৰৰ ফালে বৰকৈ চাব লাগিছে। এয়াই নহয়, দুয়োৰে কথাৰ আদান-প্ৰদানে উভয়কে ওচৰ চপাই আনিলে।

দিন চমু চাপি অহাৰ লগে লগে পৱিত্ৰ ঘৰলৈকে যাবলৈ ওলাল। সুধাই আপত্তি কৰিলেও পৱিত্ৰই ৰব নোৱাৰে বুলি জনালে। যাবলৈকে সাজু পৱিত্ৰই ৰেলৰ টিকট কাটিব খুজি দেখিলে যে জেপত মানিবেগটো অহা নাই। সুধাহঁতৰ ঘৰলৈ আনিব গ'লেও ৰেলৰ টিকট নোপোৱা আশংকাই পৱিত্ৰক অলপ চিন্তিত কৰিলে। তথাপি, উপায় নেদেখি পৱিত্ৰ কিৰণৰ সতে তেওঁলোকৰ ঘৰলৈ উভতি আহিল। এই কথাত সুধা বৰ আনন্দিত হ'ল। কথাটো পৱিত্ৰই লক্ষ্য কৰি থাকিল আৰু সুবিধা বুজি সুধাৰ হাতত তেওঁ চিকুতি দিলে। এই কাৰ্যত উভয়েই এক অচিনাকি আমেজ অনুভৱ কৰিলে।

পৱিত্ৰৰ প্ৰতি সুধাৰ ভাল পোৱা বাঢ়ি অহাটো পৱিত্ৰই ভালকৈয়ে গম পালে। দুপৰীয়া শুই উঠি পৱিত্ৰই টেবুলত যিটো ফুলদানী দেখিলে তাৰ পৰা ফুল এটা লৈ তেওঁ সুধাৰ খোপাত পিন্ধাই দিলে। ইয়াৰ মাজতে অলকাহঁতৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ যোৱাত, পৱিত্ৰৰ ওচৰত সুধাই অভিমান কৰি দেখুৱালে। বিশেষকৈ, হেঁপাহ থকা স্বত্বেও পৱিত্ৰৰ সতে চিনেমা চাব নোপোৱা বাবে তাই অভিমানত গুজৰি উঠিল।

সুধাৰ অভিমানৰ কথা জানিব পাৰি পৱিত্ৰই সুধাৰ ভায়েক তপনৰ দ্বাৰা তাৰ পৰিত্ৰাণ বিচাৰিলে। পৱিত্ৰই সুবিধা বুজি সুধাৰ চাদৰৰ আঁচলত ধৰিলত, সুধাই মাকক সেই কথা কৈ দিয়াৰ ভাবুকি দিলে। চাওঁতে-চাওঁতে সুধাৰ মাকে আহি পৱিত্ৰৰ কোঠাত সোমাল। সুধাই মাকক সকলোবোৰ কথা কৈ দিয়া বুলি পৱিত্ৰই মনতে বৰ ভয় খালে। পিছে, পৱিত্ৰৰ ভয় মষিমূৰ কৰি সুধাৰ মাকে এখন চিঠি দেখুৱালে য'ত লিখা আছিল - *"পৱিত্ৰৰ ইচ্ছাই মোৰ ইচ্ছা। সি যদি সুধাক পচন্দ কৰে, তেনেহ'লে মোৰ ক'বলৈ একো নাই।"* [৪২] চিঠিখন আছিল পৱিত্ৰৰ মাকৰ দ্বাৰা সুধাৰ মাকলৈ বুলি প্ৰেৰিত সন্মতি পত্ৰহে। পৱিত্ৰই মাকৰ চিঠিৰ সতে সহমত প্ৰকাশ কৰি সুধাক বিবাহৰ সন্মতি দিয়ে।

৪২। লক্ষ্মীনাথ ফুকন, 'আপোন মানুহ', আশাত উৎফুল্ল প্ৰাণ, পৃ. ১৪৮

'আপোন মানুহ' গল্পটোৰ মূল কথাখিনি এয়াই। ডেকা-গাভৰুৰ স্বাভাৱিক প্ৰেম আৰু তাৰ পৰিণতি— এয়াই গল্পৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে বৰ্তমান। বৰ্ণনা পোনপতীয়া, সৰল চৰিত্ৰ চিত্ৰণ, সুপৰিমিত ঘটনাক্ৰম আৰু এক নিৰলস উৎকণ্ঠাই আখ্যান ভাগক আকৰ্ষণীয় কৰি তুলিছে। গল্পটো সুখপাঠ্য।

**সন্যাসীৰ জয়**

মৌজাদাৰৰ একমাত্ৰ পুতেক যাদৱ। বি. এ. পাচ কৰি যাদৱে বিলাতলৈ গৈ বেৰিষ্টাৰ হ'বৰ মন কৰিলে। অথচ মৌজাদাৰ এই কথাত সন্মত নহয়। বৰং মৌজাখন চম্ভালি লগতে বাগানখনো চোৰাচিতা কৰি বিয়া কৰাই সাংসাৰিক হোৱাৰহে তেওঁ উপদেশ দিলে। মৌজাদাৰে ঠিক কৰি ৰখা কন্যাৰ পাণি গ্ৰহণ কৰিবলৈ যাদৱৰ মাকেও তাক উপদেশ দিলে। অৱশ্যে তেওঁলোকে তেতিয়ালৈকে জানিব পৰা নাছিল যে যাদৱে বন্ধু মুৰুলীৰ ভনী অৰুনাক কাহানিবাই মন দি ৰাখিছে।

পিতৃ বাক্য অবহেলা কৰি অৰুণাক বিয়া কৰোৱাৰ কোনো উপায় যাদৱে দেখা নাপালে। অগত্যা, বাপেকৰ ইচ্ছামতে কাঞ্চনক বিয়া কৰাই গাৰ্হস্থী হ'বলৈ বন্ধু মুৰুলীয়েই সন্মতি দিলে। বাঞ্ছা কৰা মতে পোৱাৰ আশা নেদেখি যাদৱ বৰ দুখী হ'ল আৰু লগে লগে দুখী অৰুনাৰো মনৰ পৰিবৰ্তন দেখা গ'ল। কথাটো লক্ষ্য কৰি মুৰুলীয়ে উপায় এটা উলিয়ালে আৰু সাজি-কাচি সন্নাসীৰ বেশত মৌজাদাৰৰ বাসগৃহত প্ৰৱেশ কৰিলে।

মৌজাদাৰ উদাৰ স্বভাৱৰ মানুহ। সাধু-সন্তৰ প্ৰতি তেওঁৰ বৰ আগ্ৰহ। গতিকে সন্নাসীৰ আগমনে তেওঁক বৰ আহ্লাদিত কৰিলে। নিজৰ হাত দেখুৱাই ভূত-ভৱিষ্যত জনাৰ ক্ষেত্ৰত মৌজাদাৰ সদায়েই আগৰণুৱা। এনেতে, সন্নাসীয়ে হাত চাব জানোঁ বুলিবহে পালে; মৌজাদাৰে মুঠি খুলি সন্নাসীৰ আগত নতজানু হ'ল। ভূত-ভৱিষ্যতৰ সকলো কথা আদ্যোপান্ত বিবৰি কোৱাৰ মাজতে সন্নাসীয়ে যাদৱৰ বিয়াৰ কথা উলিয়ালে। যাদৱৰ মনৰ ইচ্ছা মতে বিয়া নাপাতিলে মৌজাদাৰে পুত্ৰ হেৰুৱাব বুলি কৈ সন্নাসীয়ে এই কথাটোত অলপ জোৰ দিলে। অতদিনে নিজৰ মতত আকোঁৰগোজ মৌজাদাৰে সন্নাসীৰ সামান্য এষাৰ কথাতে পতিয়ন গ'ল। যাদৱ আৰু অৰুনাৰ মিলনৰ বাট খোলা কৰি সন্নাসীয়ে পিছদিনা ৰাতিপুৱাই তাৰ পৰা বিদায় ল'লে।

সন্নাসীৰ ৰহস্য যাদৱ আৰু অৰুনাৰ বাবে ৰহস্য হৈয়ে থাকিলহেঁতেন যদিহে মুৰুলীয়ে

নিজে এই কথা দুয়োকে নকলেহেঁতেন।

কাহিনীভাগ চুটি। প্ৰেমৰ এটি সৰল চিত্ৰ গল্পকাৰে অংকন কৰিছে। কথনভঙ্গী সাধুকথাৰ সমপৰ্যায়ৰ। বিষয় বৈচিত্ৰহীন এই গল্পটো এটা ৰোমাণ্টিক চেতনাসম্পন্ন গল্প।

**এই ছোৱালীবোৰ**

লক্ষ্মীনাথ ফুকনৰ নাৰীপ্ৰধান চুটিগল্পকেইটাৰ ভিতৰত 'এই ছোৱালীবোৰ' অন্যতম। নাৰীৰ জীৱন চৰ্চাই গল্পটোৰ আৰম্ভণিৰ পৰা সামৰণিলৈ বিস্তৃত। মন কৰিবলগীয়া যে ডেকা-গাভৰুৰ প্ৰেম ভালপোৱাৰ দিশটোহে গল্পটোত সামৰা হৈছে। সীমা, মিনতি, দময়ন্তী আৰু বাসন্তীহঁতৰ গাভৰু মনৰ কথা গল্পটোত প্ৰকাশ পাইছে।

সীমাই ভাল পায় বিবেকানন্দক। হেজাৰ বাধাকো আওকাণ কৰি তাই নিজৰ মততে আকোঁৰগোজ হৈ থাকে। কতো ই.এ.চি. আহিল আৰু গ'ল; কিন্তু মাক দূৰৰে কথা বাসন্তীয়েও সীমাৰ মন ঘুৰাব নোৱাৰিলে। আনৰ দৃষ্টিত নহ'লেও সীমাৰ দৃষ্টিত বিবেকানন্দৰ সকলোখিনিয়েই আছে। সীমাৰ মতে *"বিবেকানন্দৰ ৰূপ আছে, যৌৱন আছে, বিদ্যা আছে, বুদ্ধি আছে, মানসিক বল আৰু শাৰীৰিক শক্তি আছে আৰু আছে দুখ বিপদত আশ্ৰয় দিব পৰা এখন বহল উদাৰ হৃদয়।"*[৪৩] এইহেন মানুহ বিবেকানন্দক এৰি সীমাই আনৰ কথা ভাবিব নোৱাৰাটোৱে স্বাভাৱিক। গতিকে, হেজাৰ বাধাকো আওকাণ কৰি সীমাই বিবেকানন্দক বিয়া কৰালে। সীমাই ভাবে যে দময়ন্তী হোৱা হ'লে কথাটো সুকীয়া হ'লহেঁতেন। কাৰণ সীমাই জনাত দময়ন্তীয়ে সুবোধৰ লগত চিনেমা চায়, ব্ৰহ্মপুত্ৰৰ পাৰত বহি, ইফালে-সিফালে ঘূৰি ফুৰি শেষত আকৌ সুবোধক ত্যাগ কৰি আনৰ লগত বিয়াত বহিছে।

সীমাই ভাবে তাইৰ স্বামীয়ে সুবিধা পালেও বাগানৰ কাম কৰিব নালাগে আৰু এম.এ.টো পাছ কৰি প্ৰফেচৰহে হ'ব লাগে। অৱশ্যে সীমাৰ কথা পেলাব নোৱাৰি বিবেকানন্দই উক্ত দিশতে মনোনিৱেশ কৰে।

বিবেকানন্দৰ ভায়েক পৰমানন্দই মিনতিৰ প্ৰেমত পৰে। মিনতিৰ মাকৰ ফালৰ পৰা এই ক্ষেত্ৰত সহমত নাথাকে। মাকৰ যুক্তিটো হ'ল পৰমানন্দ বিলাৎ ফেৰৎ নহয়। কথাটো

৪৩। লক্ষ্মীনাথ ফুকন, 'এই ছোৱালীবোৰ', পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৯২

জানিব পাৰি পৰমানন্দই বিলাতলৈ পঢ়িবলৈ যায় আৰু উভতি আহি মিনতিক বিয়া কৰোৱাৰ ইচ্ছা ব্যক্ত কৰে। মিনতি আৰু পৰমানন্দৰ মাজত চিঠিৰ আদান-প্ৰদান ঠিকেই আছিল যদিও শেষৰফালে বিলাতৰ পৰা চিঠি অহা কমি যায়। চাওঁতে-চাওঁতে বিলাতৰ মেম্ বিয়া কৰাই পৰমানন্দই মিনতিক পাহৰে।

এয়াই 'এই ছোৱালীবোৰ' গল্পটোৰ থুলমূল কাহিনী। মূলতঃ *"তিনোযোৰা প্ৰেম কাহিনী থাকিলেও সফল হ'ল সীমা আৰু বিবেকানন্দহে। গল্পকাৰে অতি কৌশলেৰে তিনিটা প্ৰেম কাহিনীত যৌৱন ৰাগিত ভৱিষ্যতৰ চিন্তা কৰিব নোৱাৰা ডেকা-গাভৰুৰ ক্ষণিক প্ৰেমক ব্যঙ্গ কৰিছে।"* [৪৪]

**আশাত উৎফুল্ল প্ৰাণ**

জয়শ্ৰী আৰু প্ৰণৱেশ্বৰৰ প্ৰেমানুভূতিৰে গল্পভাগ আগবাঢ়িছে। জয়শ্ৰীৰ অনুভূতিৰ বহিঃপ্ৰকাশতে গল্পটোৰ ঘটনাক্ৰম গঢ় লৈ উঠিছে।

মেডিকেল কলেজ হাস্পাতালৰ তৃতীয় মহলাৰ পাঁচ নম্বৰ কুঠৰীটোত জয়শ্ৰী চিকিৎসাধীন হৈ আছে। খিৰিকিৰে বাহিৰলৈ চাই ব্ৰহ্মপুত্ৰৰ মনোমুগ্ধকৰ দৃশ্য দেখি জয়শ্ৰীৰ মনত দুগুণে আনন্দ। বিশেষকৈ, প্ৰণৱেশ্বৰৰ সতে চিনাকি হোৱাৰ পিছৰে পৰা এই আনন্দৰ পৰিমান যেন আগতকৈ বহু বাঢ়িছে। তেজপুৰৰ পেহীয়েকৰ ঘৰত জয়শ্ৰীয়ে প্ৰণৱেশ্বৰক লগ পাইছিল। অকলশৰে পায় তাইক সি বুকুৰ মাজত সাৱতি ধৰিছিল। তেতিয়াৰ পৰাই জয়শ্ৰীৰ মন-প্ৰাণ প্ৰণৱেশ্বৰে যেন হৰণ কৰিলে। দুদিনমানলৈ প্ৰণৱেশ্বৰৰ মুখৰ ফালে জয়শ্ৰীয়ে চাবই পৰা নাছিল।

প্ৰণৱেশ্বৰ আৰু জয়শ্ৰীৰ প্ৰেমৰ কথালৈ উপেক্ষা কৰি প্ৰণৱেশ্বৰৰ পিতৃদেৱে বেলেগ এজনী ছোৱালীৰ কথা পুত্ৰলৈ বুলি ভাবি থৈছে। মাকৰ চিঠিত পিতাকৰ নিৰ্দ্দেশ পায় প্ৰণৱেশ্বৰেও প্ৰথমতে বৰ উদাস হৈছিল। অৱশ্যে শেষ পৰ্যন্ত পিতাক সৈমান নহ'লে জয়শ্ৰীক লৈ দূৰলৈ গুচি যোৱাৰ কথা তেওঁ ভাবি ৰাখিলে। ভবা মতে এনে অঘটন প্ৰণৱেশ্বৰে ঘটাব লগা নহ'ল। মাকৰ পৰা সন্মতিৰ আন এখন চিঠি পায় সি আনন্দত আত্মহাৰা হৈ উঠিল। প্ৰণৱেশ্বৰে কওঁতে জয়শ্ৰীয়ে প্ৰথমতে বুজি পোৱা নাছিল যদিও *"প্ৰণৱেশ্বৰে সোঁহাতৰ আঙুলীকেইটা জয়শ্ৰীৰ*

৪৪। অমল ৰাজখোৱা, 'লক্ষ্মীনাথ ফুকনৰ চুটিগল্প' অসমীয়া চুটিগল্পৰ ঐতিহ্য আৰু বিৱৰ্তন,সম্পা., অপূৰ্ব বৰা, পৃ. ১০৯

*আঙুলীকেইটাৰ ফাঁকে-ফাঁকে সুমুৱাই মুঠি মাৰি ধৰি ক'লে, বিয়া ঠিক হোৱা ছোৱালীৰ ওচৰলৈকেতো আহিছো।"*[৪৫]

এই বিবাহ কাৰ্যক লৈয়ে জয়শ্ৰীৰ মনত ইমান হেঁপাহ, ইমান ৰঙ। বিবাহৰ পিছত মধুচন্দ্ৰিকা যাপনৰ বাবে যাব খোজা ঠাইৰ নামবোৰ এফালৰ পৰা তাইৰ মনলৈ আহিল। সময় উলিয়াই জয়শ্ৰীয়ে অকনমানকৈ উলৰ চুৱেটাৰ আৰু উলৰ মোজা গুঠাৰ বাবেও চিন্তা কৰিলে। বাহিৰৰ চৰাইৰ কিৰিলিক জয়শ্ৰীৰ উৰুলি যেন লগা হ'ল।

বিবাহৰ যোগেদি মিলনৰ বাবে উভয়ে যেন সাজু হৈ উঠিল। কৃষ্ণ-ৰুক্মিণীৰ আখ্যানৰ পৰা ছাহজাহান-মমতাজলৈকে প্ৰেমৰ বিখ্যাত আখ্যানবোৰ জয়শ্ৰীৰ মনলৈ আহিল। তাজমহলৰ গাত আউজি দুয়ো ফটো তোলাৰ কল্পনাৰে জয়শ্ৰীৰ মন ৰোমাঞ্চিত হৈ পৰিল। এনেতে, সম্মুখৰ পৰ্দ্দা দাঙি জয়শ্ৰীৰ মাক আন এগৰাকী বয়সীয়া তিৰোতাক লগত লৈ তাত উপস্থিত হ'ল। আন তিৰোতাগৰাকী জয়শ্ৰীৰ কলেজৰ প্ৰফেচাৰ অশোক শইকীয়াৰ মাক। আশোকলৈ বুলি জয়শ্ৰীক আশা কৰি অহা ব'হাগ মাহৰ ভিতৰতে বিয়াখন পাতিবলৈ অশোকৰ ইচ্ছাৰ কথা তেওঁ ব্যক্ত কৰিলে। মাকৰ মুখৰ পৰা কথাখিনি শুনি জয়শ্ৰীয়ে খিৰিকিৰে নৈখনলৈ চালে; বতাহ-ধুমূহাত হেন্দোলনি তুলি নৈখনে যেন আকাশ চুব খুজিছে। নদীৰ বুকুৰ নাওখন যেন থৰযুগুতি হেৰুৱাইছে। কোনে জানে পাব লগা ঠাই নাওখনে পাবনে নে বাটতে ৰব!

এনেদৰে এক অজান-অনিশ্চয়তাৰ মাজত জীৱনৰ ভৱিষ্যত এৰি দি গল্পটোৰ সামৰণি পৰিছে। প্ৰেমৰ কোমল অনুভূতি আৰু হৃদয়ৰ ভাৱালুতাৰে কাহিনীভাগ আগবাঢ়িছে। ঘটনাক্ৰম যথাযথ, শব্দচয়ন সুনিৰ্দ্দিষ্ট। সৰল বাক্যপ্ৰণালীৰে গল্পটোৰ সামৰণি ইঙ্গিতময়।

## ২.২ লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বৈশিষ্ট্য

লিখক মাত্ৰেই কল্যানবোধৰ চেতনা আৰু সংস্কাৰকামী মনোভাৱেৰে পৰিপুষ্ট। লক্ষ্মীনাথ ফুকন এনেকুৱা এগৰাকী লিখক যিয়ে সহজ জীৱন-যাপন আৰু সহজ চিন্তা-দৰ্শনৰ জৰিয়তে গল্পসমূহকো সহজ কৰি তুলিছে। বিশেষকৈ, সাংবাদিকতাৰ জৰিয়তে লাভ কৰা বাস্তৱ অভিজ্ঞতাসমূহক সমল হিচাপে লৈ গল্প ৰচনা কৰাৰ ফলত তেওঁৰ দ্বাৰা ৰচিত গল্পৰ সকলো

৪৫। লক্ষ্মীনাথ ফুকন, 'আশাত উৎফুল্ল প্ৰাণ', আশাত উৎফুল্ল প্ৰাণ, পৃ. ১০৯

চৰিত্ৰই বাস্তৱসন্মত হৈ পৰা দেখা গৈছে। ইয়ে আকৌ গল্পৰ বিষয়বস্তু আৰু আদৰ্শগত দিশটোক সৰ্বসন্মত কৰি তুলিছে।

লক্ষ্মীনাথ ফুকনৰ গল্পবোৰত লক্ষ্মীনাথ বেজবৰুৱাৰ বৰ্ণনাৰীতি আৰু ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ কাহিনী কথনৰীতিৰ প্ৰভাৱ পৰিলক্ষিত হয়। অৱশ্যে 'মালা' গল্প সংকলনখনৰ গল্পকেইটাক বাদ দিলেহে এই কথা ক'ব পৰা যায়। গল্পকাৰৰ প্ৰথম সংকলন হিচাপে 'মালা'খনৰ গল্পসমূহক পূৰ্ণ পৰ্যায়ৰ ৰচনা বুলিব নোৱাৰি। বিপৰীতে, *"গল্পকেইটিক কাহিনী আখ্যা দিয়াহে উচিত যদিও সমকালীন যুগৰ ছবি পৰিস্ফুত হৈছে।"*[৪৬] বুলি ক'ব পাৰি।

আৱাহনকালীন বৈশিষ্ট্য 'কাহিনী প্ৰাধান্যতা' লক্ষ্মীনাথ ফুকনৰ প্ৰায়বোৰ চুটিগল্পৰে বৈশিষ্ট্য যেন বোধ হয়। বিশেষকৈ ভাববস্তু, ৰূপবস্তু আৰু বিষয়বস্তুৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলেই এই কথাৰ উমান পোৱা যায়। গল্প ৰচনাৰ সময়েৰে লক্ষ্মীনাথ ফুকন 'ৰামধেনু যুগ'ৰ হ'লেও বিষয় বাচনি, ঘটনা সংগ্ৰঠন আৰু পৰিনতিমুখী ভাৱনাৰ ক্ষেত্ৰত তেওঁ আৱাহনকালীন আন গল্পকাৰৰ সমকক্ষ।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বিষয়বস্তু আহৰণৰ ক্ষেত্ৰখনলৈ দৃষ্টি দিলে দেখা যায় যে গল্পৰ কাহিনীভাগ তদানিন্তন সমাজৰ নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱন আধাৰিত। কেতিয়াবা কোনোবাটো গল্পৰ বিষয়বস্তুত অৱশ্যে অন্ধবিশ্বাসজনিত ঘটনাৰ ছবি নথকা নহয়; তথাপি সকলো গল্পৰ আধাৰস্বৰূপ সমাজখন কিন্তু ঊনবিংশ শতিকাৰ সমাজহে। গল্পসমূহত ৰোমাণ্টিক চিন্তাৰ চাপ থাকিলেও মাজে মাজে সমাজ বাস্তৱতাও আছে। তাৰ ভিতৰত *"আধুনিক সভ্যতাৰ বুকুত জীপ লোৱা ধনী আৰু মধ্যবিত্ত এদল মতা-তিৰোতাৰ বাহিৰ শুৱনি কিন্তু ভিতৰ ফোঁপোলা জীৱনৰ ছবি।"*[৪৭] আৰু আছে *"দোষ-দুৰ্বলতাক জীৱনৰ স্বাভাৱিক সত্য বুলি ধৰি"*[৪৮] লোৱা জীৱনৰ ছবি। ইয়াৰ মূলতে হ'ল সমাজৰ নিম্ন শ্ৰেণীৰ দৈনন্দিন জীৱনৰ সীমাৱদ্ধতা, তুচ্ছতা আৰু গ্ৰামীণ সৰলতাৰ প্ৰতি গল্পকাৰৰ সন্ধানী দৃষ্টিৰ চিৰ আকৰ্ষণ।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ ভাৱবস্তু সৰলৰৈখিক। বিংশ শতিকাৰ আৰম্ভণিৰ সমাজ জীৱনত পৰিলক্ষিত হোৱা পশ্চিমীয়া আদৱ-কায়দাই তেওঁৰ গল্পক সততে প্ৰভাৱিত কৰিছে।

৪৬। অমল ৰাজখোৱা, 'লক্ষ্মীনাথ ফুকনৰ চুটিগল্প', অসমীয়া চুটিগল্পৰ ঐতিহ্য আৰু বিৱৰ্তন, সম্পা., অপূৰ্ব বৰা, পৃ. ১০৩

৪৭। ত্ৰৈলোক্য নাথ গোস্বামী, আধুনিক গদ্য সাহিত্য, পৃ. ১২১

৪৮। হোমেন বৰগোহাঞি (সম্পা.), আধুনিক গল্প সংকলন, পৃ. ৯৫

এক কথাত, পশ্চিমীয়া আদৱ-কায়দাৰ প্ৰভাৱত গঢ় লোৱা অসমীয়া সমাজখনৰ মধ্য শ্ৰেণীৰ জীৱনৰ দ্বন্দ্ব আৰু সমস্যা, অশুভ মানসিকতা আৰু নিম্নবিত্তৰ দুৰ্বিসহ জীৱন যন্ত্ৰণা আদিয়েই লক্ষ্মীনাথ ফুকনৰ গল্পৰ দীঘ-পথালি বিস্তৃত হৈ আছে। সেই বুলি তেওঁৰ গল্পত জীৱন-জগতৰ এখন সামগ্ৰিক চিত্ৰ সহজে পোৱা সম্ভৱ নহয়। জীৱনৰ অৰূপ ৰতন বিচাৰি গল্পকাৰ লক্ষ্মীনাথ ফুকনে কেতিয়াও গল্পত তাক ৰূপদান কৰা নাই বা জীৱনৰ বিশালতাৰ জোখ-মাপ দিবলৈকো চেষ্টা কৰা নাই। বিপৰীতে, *“নিজৰ বাস্তৱ অভিজ্ঞতাৰ সীমিত পৰিধিৰ ভিতৰৰে কিছুমান পুৰুষ-তিৰোতাৰ জীৱনত বেঁকা দৃষ্টিৰে ভুমুকি মাৰি চাইছে আৰু মোহমুক্ত শীতল দৃষ্টিত যি ধৰা পৰিছে তাকেই বৰ্ণনা কৰিছে।”*[৪৯] ফলত এনে দৃষ্টিৰে ৰচিত গল্পত ভাৱবস্তুৰ মানৱিক সহৃদয়তা আছে যদিও জীৱন জিজ্ঞাসাৰ সন্ধানী দৃষ্টিৰ গভীৰতা নাই। তাৰ মাজতে *“যি গভীৰ সংবেদনশীলতা অনুভূত হয়, সেয়া গভীৰ জীৱন জিজ্ঞাসাজনিত নহয়। ফুকন বাস্তৱ জীৱন আৰু বাস্তৱ জগতৰ ৰূপকাৰ।”*[৫০] মানৱিক অনুভূতিৰ কোমলতা আৰু সংবেদনশীলতা লক্ষ্মীনাথ ফুকনৰ গল্পৰ বিশেষত্ব। গতিকে ভাৱৰ গাম্ভীৰ্য নাথাকিলেও তেওঁৰ গল্পই পাঠকক আকৰ্ষিত কৰি হৃদয় আলোড়িত কৰে। সেয়া ‘টাইপিষ্টৰ জীৱন’ হওঁক বা ‘মৰমৰ মাধুৰী’য়ে হওঁক, এটাত যদি জীৱনৰ কাৰুণ্য আনটোত আছে মানসিক অনুভূতি। গতিকে দুয়ো দিশৰ পৰা উভয় গল্পই পাঠকৰ চিত্ত চমৎকাৰক। একেদৰে ‘দ্বিতীয় পক্ষ’ ৰ ৰূপালী চৰিত্ৰৰ হৃদয়ানুভূতিৰ চিৎকাৰৰ দৰে ‘মেধি’ গল্পত আছে মেধি চৰিত্ৰৰ চিৰন্তন মানৱীয় হৃদয়াৱেগ। ‘ৰূপহী মেম’ গল্পত ৰূপহীৰ মৃত্যুত যি শোকাচ্ছন্ন আৱেগ বৰ্তমান; একেদৰে ‘শেষ সিদ্ধান্ত’ গল্পত আছে সুমিত্ৰাৰ আত্মহননৰ দুখৰ নিৰ্যাস। এনেকুৱা ভিন্ন চিত্ৰায়নে মানুহৰ ভাৱ জগতক মহিমা দান কৰাৰ উপৰিও মানুহৰ মানসিকতাৰ বিচিত্ৰতা আৰু তাৰ আঁৰৰ ৰহস্য উদ্‌ঘাটন কৰিছে।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হ’ল ব্যঙ্গ। সমকালীন সমাজৰ কিছুমান চৰিত্ৰ আৰু ব্যৱস্থাৰ প্ৰতি ফুকনৰ ব্যঙ্গাত্মক দৃষ্টি বৰ প্ৰখৰ। এই প্ৰখৰতা তেওঁৰ ভালেকেইটা গল্পৰ মাজেৰে প্ৰকাশি উঠিছে। এই ক্ষেত্ৰত ‘ওফাইদাং’, ‘প্ৰাইভেট চেক্ৰেটাৰী’, ‘মহিমাময়ী’, ‘টাইপিষ্টৰ জীৱন’, বিহু সন্মিলন’, ‘নতুন সুৰ’, ‘সঙ্গীত সন্মিলন’, ‘প্ৰতিদান’, ‘বুঢ়াৰ বিয়া’ আদি গল্পৰ নাম ল’ব

৪৯। হোমেন বৰগোহাঞি, সম্পা., উল্লিখিত গল্প সংকলন, পৃ. ৯৫

৫০। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৭১

পাৰি। দেখা যায় যে লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে এওঁৰ গল্পৰ ব্যঙ্গ সিমান তীব্ৰ বা আক্ৰোশমূলক নহয় ; কিন্তু জীৱন্ত চৰিত্ৰ চিত্ৰণেৰে সেইবোৰ বেছি উন্নত আৰু তাৰ প্ৰসঙ্গত আগবঢ়োৱা ব্যঙ্গাত্মক ব্যাখ্যা অধিক প্ৰাণৱন্ত।

লক্ষ্মীনাথ ফুকনৰ গল্পৰ আন এক বৈশিষ্ট্য হ'ল- ভাৱবস্তুৰ কোমলতা। শব্দৰ সঠিক প্ৰয়োগেৰে তেওঁৰ গল্পই পাঠকৰ হৃদয় সহজে স্পৰ্শ কৰিব পাৰে। তেওঁৰ গল্পৰ *"বক্তব্য সম্পূৰ্ণৰূপে নিয়ন্ত্ৰিত আৰু অনুত্তেজিত।"*[৫১] আংগিকৰ ক্ষেত্ৰত লক্ষ্মীনাথ ফুকনৰ গল্পৰ পৰিস্থিতি, ঘটনা, অভিজ্ঞতা, বাস্তৱধৰ্মী চৰিত্ৰ আৰু কল্পনাৰ সমাহাৰত কেতিয়াবা দেখা যায় কৌশলগত আঁসোৱাহ। *"চুটিগল্পত জীৱনৰ খণ্ডিত অৱস্থা এটাৰ মাজেদি জীৱনৰ ব্যাপক অংশ সামৰি লোৱা বাবে একেটা গল্পতে বহু ঘটনাৰ সমাৱেশ হৈছে। ইয়াৰ ফলত গল্প অনাৱশ্যকভাৱে যথেষ্ট দীঘল হৈ পৰে।"*[৫২] গতিকে যথোপযুক্ত কথাৰ শিল্পসন্মত উপস্থাপনেৰে গল্পবস্তুক গ্ৰহণীয় কৰি গল্পৰ শৈলীৰ মৰ্যাদা বৃদ্ধি কৰিবৰ বাবে যিবিলাক দিশৰ আৱশ্যক ; লক্ষ্মীনাথ ফুকনৰ গল্পত এই দিশ বিলাকৰ কিছু অভাৱ যেন অনুভৱ হয়।

লক্ষ্মীনাথ ফুকনৰ গল্পৰ এটা বিশেষ দিশ হ'ল বৰ্ণনাভঙ্গীৰ সঠিক আৰু শক্তিশালী উপস্থাপন। বিষয়বস্তু প্ৰভাৱশালীকৰণৰ ক্ষেত্ৰত অতীৱ প্ৰয়োজনীয় চিত্ৰধৰ্মী বৰ্ণনাই তেওঁৰ গল্পৰ মৰ্যাদা ভালেখিনি বঢ়াইছে। বহুল ঘটনাৰ সমাৱেশেৰে এটা গল্পৰ অন্তৰ্গত প্ৰতিটো ঘটনা এটা আনটোৰ পৰিপূৰক্ হিচাপে সংস্থাপিত হৈছে।

লক্ষ্মীনাথ ফুকনৰ গল্পৰ সংঘাত তেনেই সাধাৰণ। সাধাৰণতে পাঠকৰ মনত ভাৱৰ তীব্ৰতা, অনুভূতিৰ ক্ৰিয়াশীলতা আৰু উৎকণ্ঠাৰ প্ৰাবল্য সৃষ্টি কৰি গল্পকাৰে পাঠকৰ চেতনাত সংঘাত সৃষ্টি কৰে। অৱশ্যে লক্ষ্মীনাথ ফুকনৰ গল্পৰ সংঘাত মানৱিক চেতনাৰে হোৱা তীব্ৰ সংঘাত নহয় ; ই পাঠকৰ মানসিকতাৰ এক সাধাৰণ সংকতহে।

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ এক বিশেষত্ব হ'ল - নাট্যগুণধৰ্মিতা। তেওঁৰ কেইটামান গল্পৰ অন্তৰ্গত চৰিত্ৰসমূহৰ কথোপকথন নাট্যগুণেৰে সমৃদ্ধ হোৱা বাবে সেই গল্পকেইটাক নাট্যৰূপ দিয়াৰ সুবিধা অতি প্ৰকট হৈছে। এনে সুবিধা গ্ৰহণ কৰি কোনো কোনো নাট্যকাৰে ইতিমধ্যে দুই

৫১। হোমেন বৰগোহাঞি, সম্পা., পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৯৫
৫২। প্ৰহ্লাদ কুমাৰ বৰুৱা, 'লক্ষ্মীনাথ ফুকনৰ গল্প', লক্ষ্মীনাথ ফুকনৰ জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য, সম্পা., প্ৰফুল্ল চন্দ্ৰ বৰা, পৃ. ৭২

এটা গল্পৰ নাট্যৰূপ সমাপন কৰিছে।

লক্ষ্মীনাথ ফুকনৰ গল্পত সমকালীন সমাজ জীৱনৰ ছবি আছে যদিও *" জীৱন আৰু জগত সম্পৰ্কে দৃষ্টিভঙ্গীৰ সীমাৱদ্ধতা থকাৰ বাবে ফুকনৰ গল্পত জীৱনৰ গভীৰতা আৰু সমাজৰ বিশালতাৰ ছবিখন চিত্ৰিত হোৱা নাই"*[৫৩] বুলি কোনোৱে ক'ব খোজা দেখা যায় ।

'ভাষাৰ কোমলতা' লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ আন এক বৈশিষ্ট্য। খাচ অসমীয়া ভাষা, উপমাধৰ্মী ভাষা আৰু ভাৱঘন ব্যঞ্জনাধৰ্মী ভাষাই তেওঁৰ গল্পক বিশেষ সৌন্দৰ্য প্ৰদান কৰিছে। অৰ্থব্যঞ্জক ভাষাৰ লগে লগে ভাৱঘন আলঙ্কাৰিক ভাষাৰ প্ৰয়োগেৰে তেওঁৰ ভালেকেইটা গল্প ঐশ্বৰ্যমণ্ডিত হৈ উঠিছে। মন কৰিবলগীয়া যে চুটিগল্পত কাহিনীৰ অপৰিহাৰ্যত্বৰ প্ৰসংগত সাম্প্ৰতিক গল্পকাৰসকল কিছু পৰিমানে উদাস। অথচ পৰম্পৰাবাদী গল্পকাৰ হিচাপে লক্ষ্মীনাথ ফুকন ইয়াৰ ব্যতিক্ৰম। তেওঁৰ প্ৰতিটো গল্পতে একোটা নিতোল কাহিনী উপলব্ধ আৰু প্ৰতিটো কাহিনী চৰিত্ৰৰ সমাহাৰেৰে সুষমামণ্ডিত। এই দিশটোলৈ লক্ষ্য কৰি কোৱা হৈছে যে *"ফুকনৰ গল্প আৱাহনযুগীয় কাহিনীধৰ্মী গল্পৰ গণ্ডীভুক্ত হ'লেও কাহিনী কথনৰ দক্ষতা, চৰিত্ৰৰ বাস্তৱধৰ্মীতা, বৰ্ণনাভঙ্গীৰ চাৰুত্ব, পৰিমাৰ্জিত ব্যঙ্গ, নিভাঁজ অসমীয়া ভাষাৰ মাধুৰ্য, ভাৱৰ ঐক্যকেন্দ্ৰিকতা, পৰিনতিমুখী উৎকণ্ঠা সৃষ্টি আদি দিশত লক্ষ্মীনাথ ফুকনৰ গল্প আৱাহন যুগৰ গল্পৰ ইতিহাসৰ অক্ষয়কীৰ্তি স্বৰূপ।"*[৫৪]

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ শ্ৰেণীবিভাগ, বিষয়বস্তু আৰু বৈশিষ্ট্য বিশ্লেষণৰ অন্তত দেখা গ'ল যে ঊনবিংশ শতিকাৰ অসমৰ মানুহৰ ভাৱ-চিন্তা, কৰ্মব্যস্ততা, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি নানান দিশৰ প্ৰতিচ্ছবি গল্পসমূহে বহন কৰিছে। সাংবাদিকতাৰ কৰ্মব্যস্ততা আৰু ভ্ৰাম্যমান জীৱন যাপনৰ বাবে গল্পকাৰৰ দৃষ্টি সমাজৰ ভিন্ন স্তৰলৈকে প্ৰসাৰিত হয়। তাতে আকৌ আৰ্থিক দূৰাৱস্থাই ফুকনৰ মনত ঋণাত্মক প্ৰভাৱ বিস্তাৰ কৰি জীৱন-যাপনৰ মূল উদ্দেশ্যকে তৰংগ চঞ্চল কৰি ৰাখে। তথাপি, প্ৰচুৰ পৰ্যৱেক্ষণশীলতা আৰু আপোচহীন মানসিকতাৰ বাবে তেওঁৰ হাতত মানুহৰ চাৰিত্ৰিক ভণ্ডামি, ব্যক্তি প্ৰৱঞ্চনা আদিয়ে প্ৰাণ পায় উঠে। ফলত 'আলোচনী' (১৯১০) ৰ যোগেদি আৰম্ভ কৰা গল্প ৰচনাৰ পৰম্পৰা পৰৱৰ্তী ভালেকেইখন আলোচনীৰ যোগেদি প্ৰসাৰ লাভ কৰে। মানৱীয় প্ৰমূল্যবোধৰ বিষয়টো অৱতাৰণা কৰি গল্পকাৰ লক্ষ্মীনাথ ফুকনে ব্যক্তি জীৱনৰ

৫৩। প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৭১

৫৪। উল্লিখিতপ্ৰৱন্ধ, পৃ. ৭২

আশা-নিৰাশা, দোষ-দুৰ্বলতা, প্ৰেম-বিৰহ, হাঁহি-কান্দোন, ঠগ-প্ৰৱঞ্চক, ভেম-ভণ্ডামি, জাত্যাভিমান, জীৱন-যাপনৰ জঞ্জাল, অভাৱগ্ৰস্থতা, ধৰ্মভীৰু মান্যৱন্ত, দৈহিক পীড়া, কৰ্মৰ প্ৰতি মান্যতা, নাৰীৰ সামাজিক স্থিতি, নতুন-পুৰণিৰ আত্মীক দণ্ড আৰু শৃঙ্খলিত সমাজৰ প্ৰতি সমৰ্থন আদি সকলো দিশ সামৰি গল্পসমূহত ৰূপদান কৰে।

গল্পসমূহৰ বিষয় বৈচিত্ৰলৈ লক্ষ্য কৰিলে দেখা যায় যে সকলো গল্পতে ব্যক্তি জীৱন চিত্ৰৰ ক্ৰমাগত ব্যাখ্যা পৰিলক্ষিত হয়। তথাপি গল্পসমূহক কাহিনীপ্ৰধান, চৰিত্ৰপ্ৰধান, হাস্য-ব্যঙ্গাত্মক, আৰু প্ৰেমমূলক আদি চাৰিটা ভাগত শ্ৰেণীভুক্ত কৰা হৈছে। গল্পৰ পাঠ মূল্যায়নৰ সময়ত দেখা পোৱা গ'ল যে প্ৰথম পৰ্যায়ৰ ৰচনাসমূহ আকাৰত চুটি আৰু পাতলীয়া ঘটনাৰ সমাহাৰ। পৰৱৰ্তী পৰ্যায়ত বিশেষকৈ চল্লিশৰ দশকৰ পিছৰ গল্পসমূহ আকাৰত দীঘলীয়া আৰু ঘটনাবহুল হোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে অপ্ৰাসঙ্গিক বৰ্ণনা বা প্ৰসঙ্গই দুই এটা গল্পক অলাগতিয়ালভাৱে দীঘল কৰিছে; চৰিত্ৰবোৰৰ বৈশিষ্ট্য অধিক স্পষ্ট কৰিবলৈ প্ৰয়াস কৰাৰ বাবে হয়তো এনে হ'বলৈ পালে। তথাপি ইয়াক দোষ বুলিব নোৱাৰি। কোনো ব্যক্তি বিশেষৰ দোষ-গুণ তৃতীয় পক্ষ (পাঠক শ্ৰেণী) ৰ আগত আদ্যোপান্ত বিবৰি ক'ব পৰাৰ যি সামৰ্থ আৰু প্ৰয়াস, তাৰ বাবেই দুই এক গল্পত মাত্ৰাধিক ঘটনাৰ সন্নিৱেশ হোৱা যেন বোধ হয়।

আলোচ্য গল্পসমূহৰ বিষয় বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় যে 'মালা' গল্পপুথিৰ অন্তৰ্গত গল্পকেইটা কমবয়সীয়া গল্পকাৰৰ অপৈণত হাতৰ ৰচনা যেন লাগে। বাকী চাৰিখন গল্পপুথিৰ ক্ষেত্ৰত অভিজ্ঞতালব্ধ প্ৰাপ্তৱয়স্কতা ধৰা পৰে। তদুপৰি মানুহৰ প্ৰতি অপাৰ ভালপোৱা আৰু মানৱীয়তাৰ প্ৰতি গভীৰ আস্থা প্ৰায় বেছিভাগ গল্পৰে দীঘ-পথালি আঁৰৰি আছে। সমাজৰ অন্তঃসাৰশূন্যতা প্ৰকাশ পোৱা কোনোটো গল্পৰ আখ্যানভাগ যিদৰে জীৱন্ত আৰু বাস্তৱ; ফিতাহি মাৰা কথাৰ ভঁৰাল চৰিত্ৰবোৰো সেইদৰে সাৰ্বজনীন আৰু সঠিক। কাহিনীৰ অন্তৰ্গত সকলো চৰিত্ৰ বা পৰিস্থিতিৰ আকস্মিক প্ৰৱেশ বা প্ৰস্থানৰ ক্ষেত্ৰত গল্পকাৰৰ ফালৰ পৰা উপযুক্ত ব্যাখ্যা প্ৰদানৰ প্ৰয়াস সততে পৰিলক্ষিত হৈছে। পটভূমি আৰু বিষয়বস্তুৰ সন্নিৱেশত ফুকনৰ গল্পসমূহে যেন সমসাময়িক সমাজ প্ৰেক্ষাপটক ভালকৈয়ে প্ৰতিফলিত কৰিব পাৰিছে। ভিন্ন ক্ষেত্ৰৰ পৰা বিষয় চয়ন আৰু তাৰ সঠিক উপস্থাপনেৰে গল্পসমূহক ভিন্ন বিষয় সম্বলিত একক প্ৰয়াস বুলি ক'ব পাৰি।

✦✦✦✦